Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 09, 2025 ■ দেওবাৰ, ২৫ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭২ Guwahati, Assam ।। মূল্যঃ এটকা

## দুৰ্নীতিগ্ৰস্ত বিষয়াক চৰকাৰে দিছে সুৰক্ষা

**ই-সংবাদ, ৮ মাৰ্চঃ** শৰ্মা চৰকাৰে এচাম ঠগ-প্ৰৱঞ্চনাৰে বাছনিভুক্ত বিষয়াক সুৰক্ষা দি অহাৰ দীৰ্ঘদিনীয়া ৪ পৃষ্ঠাত চাওক

## কঠোৰ ব্যৱস্থা লৈ দলৰ পৰা উলিয়াই দিয়াৰ নিৰ্দেশ ৰাহুল গান্ধীৰ

# কংগ্ৰেছত থাকি বিজেপিৰ হৈ কাম কৰা নেতাৰ বিপদ



■ কংগ্ৰেছত আছে 'হাফ' বিজেপি নেতা! গুজৰাটত বিশেষ সভাত ভাষণ প্ৰদান কৰি ক'লে ৰাহুলে

**আহমেদাবাদ, ৮ মাৰ্চঃ** আজি গুজৰাটত ৰাহুল গান্ধীয়ে ভাষণ প্ৰদান কৰি দলৰ একাংশ নেতা-কৰ্মীক দলৰ পৰা বাহিৰ কৰি দিয়াৰ কঠোৰ সিদ্ধান্ত লোৱাৰ ইংগিত প্ৰদান কৰে। দলৰ এখন কৰ্মী সভাত ভাষণ প্ৰদানৰ সময়ত শেষাংশ ৫ পৃষ্ঠাত

### এপিচিচিৰ মিডিয়াৰ অধ্যক্ষৰ সংবাদমেল

## হৰেন মহন্তই সৰ্বত্ৰে ৩ মন্ত্ৰীৰ পৃষ্ঠপোষকতাত চলাইছে চিণ্ডিকেট

**ই-সংবাদ, ৮ মাৰ্চঃ** অসমত তিনিজন মন্ত্ৰীৰ নেতৃত্বত চলিছে বৃহৎ চিণ্ডিকেট। আজি এই দাবী কৰিছে অসম প্ৰদেশ কংগ্ৰেছে। অসম ৩ পৃষ্ঠাত



### মুখ্য ন্যায়াধীশৰে হিমন্ত বিশ্বৰ বৈঠক

## ৰংমহললৈ উচ্চ ন্যায়ালয় স্থানান্তৰত চৰকাৰী মোহৰ

**ই-সংবাদ, ৮ মাৰ্চঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনৰ তীব্ৰ বিৰোধ সত্বেও আঁকোৰগোজ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে উত্তৰ গুৱাহাটীৰ ৰংমহললৈ উচ্চ ২ পৃষ্ঠাত চাওক

**নিৰ্মাণ হ'বলগীয়া ভৱনৰ মাষ্টাৰ প্লেন প্ৰদৰ্শন, নৰজিল কোনো বিৰোধিতা**

## ৪০ বছৰৰ জেইল হিন্দুত্ববাদী বালেশক

### কঠোৰ অষ্ট্ৰেলিয়া চৰকাৰ

**ছিডনী, ৮ মাৰ্চঃ** অষ্ট্ৰেলিয়াত ভাৰতীয় জনতা পাৰ্টিৰ সহযোগী সংগঠন অভাৰচিজ ফ্ৰেণ্ডছ অফ বিজেপিৰ শেষাংশ ২ পৃষ্ঠাত



## গুৱাহাটীৰ দুই নৱম শ্ৰেণীৰ ছাত্ৰ নিৰুদ্দেশ



**ই-সংবাদ, ৮ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ পৰা দুই ছাত্ৰ নিৰুদ্দেশ হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি শেষাংশ ৩ পৃষ্ঠাত

## কবৰ খান্দি উলিয়াই নিলে নৰকংকাল

**ই-সংবাদ, ওদালগুৰি, ৮ মাৰ্চঃ** ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড আৰক্ষী চকীৰ অন্তৰ্গত ভাৰত- ৩ পৃষ্ঠাত



## শেৱালী দেৱী শৰ্মাক জামিন ছুপ্ৰিম ক'ৰ্টৰ

**ই-সংবাদ, ৮ মাৰ্চঃ** উচ্চতম ন্যায়ালয়ে আইএএছ বিষয়া শেৱালী দেৱী শৰ্মাক জামিন প্ৰদান কৰিছে। ২ পৃষ্ঠাত

## ৰাভা হাছঙৰ নিৰ্বাচন মহিলাৰ বাবে ৬ সমষ্টি সংৰক্ষিত

**ই-সংবাদ, ধূপধৰা, ৮ মাৰ্চঃ** সমাগত ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ ৩ পৃষ্ঠাত

## এলিজাবেথৰ তদন্ত আগবাঢ়িছে ক্ষিপ্ৰ গতিত

**ই-সংবাদ, ৮ মাৰ্চঃ** সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তান লিংক সন্দৰ্ভত তদন্ত কৰিবলৈ ৪ পৃষ্ঠাত






প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰংমহললৈ উচ্চ ন্যায়ালয় স্থানান্তৰত

ন্যায়ালয় নিবৰ বাবে ৰূপৰেখা তৈয়াৰ কৰিছে। নিজ জালুকবাৰী সমষ্টিলৈ উচ্চ ন্যায়লয় নিবৰ বাবে সাজু হিমন্ত বিশ্ব শৰ্মাই অধিবক্তা সমাজৰ বিৰোধক কেৰেপ নকৰি প্ৰাককলন তৈয়াৰ কৰিছে। আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দুই ন্যায়াধীশৰ উপস্থিতিত মুখ্যমন্ত্ৰীয়ে উচ্চ ন্যায়ালয় স্থানান্তৰ আৰু নকৈ নিৰ্মাণপ আৰ্হিক লৈ বিশেষ বৈঠক অনুষ্ঠিত কৰে। উচ্চ ন্যায়ালয় স্থনান্তৰত সেউজ সংকেত লাভ কৰিছে মুখ্য ন্যায়াধীশৰ। কিয়নো আজি মুখ্যমন্ত্ৰীৰ সৈতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৈসহ দুই ন্যায়াধীশ উপস্থিত থাকে। মহানগৰীৰ কইনাধৰাস্থিত অতিথিশালাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৈ আৰু ন্যায়াধীশ সুমন শ্যামে বৈঠকত মিলিত হয়। এই বৈঠকত উত্তৰ গুৱাহাটীৰ ৰংমহলত নিৰ্মাণ হ'বলগীয়া উচ্চ ন্যায়ালয়ৰ স্থায়ী ভৱনৰ মাষ্টাৰ প্লেন সন্দৰ্ভত আলোচনা কৰা হয়। জানিব পৰা মতে, বৈঠকত অংশ লোৱা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৈ আৰু ন্যায়াধীশ সুমন শ্যামে কিছু পৰামৰ্শ আগবঢ়াইছে। বৈঠকত পাৱাৰ পইন্ট প্ৰদৰ্শনৰ জৰিয়তে উচ্চ ন্যায়ালয়ৰ মাষ্টাৰ প্লেনৰ নক্সা, স্থায়ী ভৱনত থাকিবলগীয়া মুখ্য ন্যায়াধীশ, জ্যেষ্ঠ ন্যায়ধীশৰ কক্ষ, অধিবক্তাসকলৰ কক্ষৰ লগতে উচ্চ ন্যায়ালয়ৰ প্ৰৱেশ পথ, প্ৰস্থানৰ পথ উপস্থাপন কৰা হয়। বিতংভাৱে বুজ লয় মুখ্যমন্ত্ৰী আৰু মুখ্য ন্যায়াধীশগৰাকীয়ে। মুখ্যমন্ত্ৰী শৰ্মাই পৰৱৰ্তী সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মাষ্টাৰ প্লেনত নতুনকৈ অন্তৰ্ভুক্তি সন্দৰ্ভত উচ্চ ন্যায়ালয়ৰ কৰ্তৃপক্ষৰ সৈতে আলোচনা মৰ্মে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাসহ জ্যেষ্ঠ বিষয়াৰসকলৰ উপস্থিত থাকে। উল্লেখ্য যে, কোনো কাৰণত গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীলৈ নিয়াৰ পক্ষত নাছিল অধিবক্তা সমাজ। বাৰে বাৰে সংবাদমেলযোগে গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীলৈ নিব নিদিয়াৰ হুংকাৰ দিছিল অধিবক্তা সমাজে। মুখ্যমন্ত্ৰী তথা অসম চৰকাৰে উচ্চ ন্যায়ালয় স্থানান্তৰ নকৰিবলৈ আহ্বান জনাই অহাৰ পিছতো হিমন্ত বিশ্ব শৰ্মা কেবিনেটে উচ্চ ন্যায়ালয়ক স্থানান্তৰ মাটি আৱন্টনৰ বাবে ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত কেবিনেটত সিদ্ধান্ত লোৱাত সৰৱ হৈছিল অধিবক্তা সমাজ। জ্যেষ্ঠ অধিবক্তা অনিল কুমাৰ ভট্টাচাৰ্যই উচ্চ ন্যায়ালয়খন উত্তৰ গুৱাহাটীলৈ নিয়াৰ পৰিৱৰ্তে দিছপুৰখন ৰংমঙহললৈ নিয়াৰ দাবী উত্থাপন কৰিছিল। অনিল কুমাৰ ভট্টাচাৰ্যই কৈছিল যে গুৱাহাটীৰ ভিৰ কমাব লাগিলে দিছপুৰখন ৰংমহললৈ স্থানান্তৰ কৰক। উচ্চ ন্যায়ালয় থাকিব নে দিছপুৰ থাকিব তাক লৈ চৰকাৰে বিতৰ্ক কৰি সিদ্ধান্ত লওক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪০ বছৰৰ জেইল হিন্দুত্ববাদী বালেশ

সহ-প্ৰতিষ্ঠাপক বালেশ ধনখৰক পাঁচগৰাকী কোৰিয়ান মহিলাক পূৰ্বপৰিকল্পিত, কৌশলপূৰ্ণ আৰু যৌন নিৰ্যাতনৰ অভিযোগত ৪০ বছৰ কাৰাদণ্ড দিয়া হৈছে। ২০১৮ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰ মাহৰ ভিতৰত সংঘটিত ৩৯টা বৰ্বৰ কাণ্ডত ডড়িত ধনখৰক চিডনীৰ আদালতে দোষী সাব্যস্ত কৰিছে। অভিযোগসমূহৰ ভিতৰত ১৩টা ধৰ্ষণ, ছয়টা মাদক দ্ৰব্য প্ৰদান কৰি যৌন নিৰ্যাতন, ১৭টা অনুমতি অবিহনে শাৰীৰিক সম্পৰ্কৰ সময়ত ভিডিঅ' ৰেকৰ্ডিং আৰু তিনিটা অশ্লীল আচৰণৰ দৰে অপৰাধ অন্তৰ্ভুক্ত। ধনখৰে চিডনীৰ হিলটন হোটেলৰ বাৰত কেৰিয়ানৰ পৰা ইংৰাজীলৈ অনুবাদকৰ কাল্পনিক চাকৰিৰ বিজ্ঞাপনৰ জৰিয়তে মহিলাসকলক সাক্ষাৎ কৰিছিল। তেওঁ মহিলাসকলক মাদক দ্ৰব্য খুৱাই হোটেলতে যৌন নিৰ্যাতন চলাইছিল আৰু ভিডিঅ'ত ৰেকৰ্ড কৰিছিল। তেওঁৰ বাসগৃহত এই ভিডিঅ' ৰেকৰ্ডিং উদ্ধাৰ হৈছিল। আৰক্ষীয়ে তেওঁৰ ঘৰত ডেট ৰেপ ড্ৰাগো পাইছিল। চিডনী জিলা ন্যায়াধীশ মাইকেল কিঙে কৈছে যে নিউ চাউথ ৱেলছত এনে ধৰ্ষণৰ অপৰাধৰ কোনো নজিৰ নাই। এই অপৰাধসমূহ পূৰ্বপৰিকল্পিত, কৌশলপূৰ্ণ আৰু চাকৰি প্ৰাৰ্থী। ইয়ে তেওঁৰ যৌনতাৰ আসুৰিক তৃপ্তিৰ ইচ্ছাক প্ৰতিফলিত কৰিছিল। যিটো প্ৰত্যেকগৰাকী ভুক্তভোগীৰ প্ৰতি সম্পূৰ্ণ নিষ্ঠুৰ আচৰণ আছিল। ধনখৰে মহিলাসকলক মাদক দ্ৰব্য খুৱাই বা অনিচ্ছাকৃতভাৱে যৌন সম্পৰ্ক স্থাপন কৰাৰ অভিযোগ অস্বীকাৰ কৰিছে। তেওঁ কৈছে যে সন্মতিৰ ব্যাখ্যাৰ ক্ষেত্ৰত মোৰ আৰু আইনৰ মাজত পাৰ্থক্য আছে। অষ্ট্ৰেলিয়াৰ মিডিয়াই ধনখৰৰ বিজেপি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ঘনিষ্ঠতাক লৈ বাতৰি প্ৰকাশ কৰিছে। ২০১৮ চনত গ্ৰেপ্তাৰ হোৱাৰ পূৰ্বে ধনখৰ ভাৰতীয়-অষ্ট্ৰেলিয়ান সম্প্ৰদায়ৰ মাজত অতি সন্মানিত ব্যক্তি আছিল আৰু তেওঁ বিজেপি দলৰ এটা গোট অভাৰচিজ ফ্ৰেণ্ডছ অফ বিজেপি প্ৰতিষ্ঠা কৰিছিল আৰু অষ্ট্ৰেলিয়া হিন্দু কাউন্সিলৰ মুখপাত্ৰ হিচাপে কাম কৰিছিল। ২০১৪ চনত চিডনীত মোদীৰ অভ্যৰ্থনাত অভাৰচিজ ফ্ৰেণ্ডছ অফ বিজেপিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মাৰ্চ মাহত ধনখৰৰ অপৰাধৰ কথা প্ৰথমবাৰৰ বাবে জনাজাত হোৱাৰ পিছত সংগঠনটোৱে টুইট কৰিছিল যে ধনখৰে ২০১৮ চনত পদত্যাগ কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শেৱালী দেৱী শৰ্মাক জামিন

উচ্চতম ন্যায়ালয়ৰ পূৰ্বে শৰ্মাই গুৱাহাটী উচ্চ ন্যায়ালয়ত জামিনৰ আবেদন কৰিছিল। কিন্তু তেওঁৰ আবেদন নাকচ কৰা হৈছিল। দীৰ্ঘ আইনী যুঁজৰ অন্তত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ পৰা জামিন লাভ কৰিবলৈ সক্ষম হৈছে। ২০২৩ চনত বিশেষ ন্যায়াধীশৰ ন্যায়ালয়ে অসমৰ ১০৫ কোটি টকাৰ এছচিইআৰটি কেলেঙ্কাৰীত অভিযুক্ত ছয়জন ব্যক্তিক জামিন দিবলৈ অস্বীকাৰ কৰিছিল। অভিযুক্তসকল হৈছে সোনমণি নাথ, ভাস্কৰ হাজৰিকা, মনোজ দাস, ডেভিড অধিকাৰী, বেনিন দলৈ আৰু ৰাজেশ কুমাৰ যোশী। তেওঁলোকে জামিনৰ আবেদন দাখিল কৰিছিল কিন্তু ন্যায়ালয়ে আৱেদন নাকচ কৰিছিল। শেৱালী দেৱী শৰ্মা ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ পৰিচালকৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁক ১০৫ কোটি টকাৰ দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল। শেৱালী দেৱী শৰ্মাক গ্ৰেপ্তাৰ কৰিছিল মুখ্যমন্ত্ৰীৰ বিশেষ সতৰ্কতা কোষে। অভিযোগ মতে, এছচিইআৰটিৰ পৰিচালক হিচাপে তেওঁৰ কাৰ্যকালত এই ব্যাপক দুৰ্নীতি অনিয়ম সংঘটিত কৰিছিল। শেৱালী দেৱী শৰ্মাক ২০২৩ চনৰ মে' মাহত গ্ৰেপ্তাৰ কৰা হৈছিল। অজিত পল সিং, ৰাহুল আমিন আৰু হোটেলৰ সহকৰ্মীৰ সৈতে শৰ্মাৰ বিৰুদ্ধে দূৰ শিক্ষা ব্যৱস্থাৰ অধীনত, ডিপ্লমা ইন এলিমেণ্টৰী এডুকেচন পাঠ্যক্ৰমৰ বাবে আৱণ্টিত চৰকাৰী ধন হৰলুকি কৰাৰ অভিযোগ উঠিছিল। অজিত পল সিং শেৱালী দেৱী শৰ্মাৰ জোঁৱাই। ঠিকাদাৰ জোঁৱায়েকৰ সৈতে মিলি ১০৫ কোটি টকীয়া কেলেংকাৰী সংঘটিত কৰিছিল। কেলেংকাৰীৰ পোহৰলৈ অহাত পলায়ন কৰিছিল শেৱালী দেৱী শৰ্মা। শৰ্মাক ৰাজস্থানৰ এখন হোটেলৰ পৰা গ্ৰেপ্তাৰ কৰিছিল। তেওঁৰ সৈতে গ্ৰেপ্তাৰ কৰিছিল জোঁৱায়েকসহ আন দুজনকো। সমান্তৰালকৈ গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰিছিল শেৱালী দেৱী শৰ্মাৰ জীয়ৰীক। ২০২৩ চনৰ মে' মাহত ১০৫ কোটি টকীয়া এই কেলেংকাৰীৰ সন্দৰ্ভত জেৰাৰ সন্মুখীন হৈছে দল-সংগঠনৰ নেতাৰ লগতে সাংবাদিক। কেলেংকাৰীত নাম জড়িত হৈছিল ৰাজনৈতিক দলৰ নেতা বিদ্যুৎ কলিতা। বিদ্যুৎ কলিতা আছিল আপৰ নেতা। সাংবাদিক পূজা মণি দাস, ভাস্কৰজ্যোতি হাজৰিকা, আৰটিআই কৰ্মী ৰবিজিৎ গগৈ আৰু অনুপ শইকীয়াক জেৰা কৰিছিল। এই দুৰ্নীতিক লৈ তীব্ৰ চৰ্চা হ'বলৈ ধৰাত তদন্ত আৰম্ভ কৰিবলৈ বাধ্য হৈছিল চৰকাৰ। এই গোচৰৰ ভৱিষ্যত গতি-প্ৰকৃতি আৰু অভিযুক্তসকলৰ বিৰুদ্ধে লোৱা আইনী পদক্ষেপৰ ওপৰত সকলোৰে দৃষ্টি আছে। জামিনৰ পিছতে গোচৰত ভৱিষ্যত প্ৰভাৱ পেলাব পাৰে নেকি সেয়া লক্ষ্যণীয় হ'ব।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৩ মন্ত্ৰীৰ পৃষ্ঠপোষকতাত হৰেন মহন্তই

প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই আজি এখন সংবাদমেল সম্বোধন কৰি এই অভিযোগ উত্থাপন কৰিছে। আজি বৰাই সংবাদমেল যোগে চিণ্ডিকেটৰ প্ৰভাৱৰ বাবেই অসম চৰকাৰ দেউলীয়া হোৱাত বাৰে বাৰে ঋণ ল'বলগীয়া হোৱা বুলি গুৰুতৰ অভিযোগ আনে। বৰাই কয় যে চিণ্ডিকেটৰ প্ৰভাৱৰ বাবেই অসম চৰকাৰ দেউলীয়া হৈছে। অসম চৰকাৰৰ ৰাজহ ঘাটি হৈছে। যাৰ বাবে চৰকাৰখনে প্ৰতিমাহে ঋণ ল'বলগীয়া হৈছে। যি ঋণ লৈছে সেই ঋণৰ সুদৰ হাৰ অত্যন্ত বেছি। অসম বিধানসভাত বিৰোধী পক্ষৰ পৰা কোৱা হৈছে যে হৰেন মহন্ত নামৰ এজন মানুহ আছে, যাৰ নেতৃত্বৰ চিণ্ডিকেট কোম্পানীয়ে গোটেই চিণ্ডিকেট চলায়। হৰেন মহন্ত এণ্ড কোম্পানী কোন হয়, তেওঁৰ কাৰ ঘনিষ্ঠ বুলি প্ৰশ্ন কৰি বেদব্ৰত বৰাই কয় যে বাৰ্মিজ চুপাৰিৰ ৪০ টনৰ ট্ৰাকৰ পৰা ২৮ লাখ টকা লয়। থলুৱা উৎপাদিত যমুনামুখ, হোজাই, ৰূপহী আদিৰ চুপাৰিৰ প্ৰতিকেজিৰ পৰা ৩২ টকাকৈ লয়। থলুৱা চুপাৰি এখন ট্ৰাকত ২৫ টন থাকে। প্ৰতিদিনে ৬০ খন ট্ৰাক ওলাই যায়। যদি ট্ৰাকসমূহৰ পৰা ২৮ লাখকৈ লয়, ৫ কোটি ৬০ লাখ টকা চিণ্ডিকেট চক্ৰই এদিনত লাভ কৰে। চুপাৰি চিণ্ডিকেট এতিয়া অসমৰ আটাইতকৈ ডাঙৰ চিণ্ডিকেট। দুই তিনিজন মন্ত্ৰীৰ পৃষ্ঠপোষকতাত অবৈধভাৱে চিণ্ডিকেট চলিছে বুলি দাবী কৰি বৰাই কয় যে মন্ত্ৰীৰ পৃষ্ঠপোষকতাত চিণ্ডিকেট চলিছে। যি কথা বিধানসভাত ওলাইছে। তাৰ পিছতো চৰকাৰে হৰেন মহন্তৰ বিৰুদ্ধে ব্যৱস্থা নলয়। বাৰ্মাৰ পৰা অসমলৈ মাছৰ খাদ্যৰ বাবে পপী ছিদ আহে। সেয়া অসমত নিষিদ্ধ আৰু অতি বিষাক্ত। পপী ছিদৰ চিণ্ডিকেট এই চক্ৰটোৱে চলাই আছে। কয়লা চিণ্ডিকেটৰ কথা সকলোৱে জানে। সুভম জৈন নামৰ মানুহক জিএছটিৰ পৰ্যবেক্ষক দলে গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ পূৰ্বে সুনীল বাঞ্চাল নামৰ মানুহক গ্ৰেপ্তাৰ কৰিছিল। এওঁলোক কাৰ মানুহ, মন্ত্ৰীৰ মানুহ বুলি দাবী কৰি হিমন্ত বিশ্ব শৰ্মা চৰকাৰক উভতি ধৰে। মন্ত্ৰীসকল কোন সকলোৱে জানে। চিণ্ডিকেট চক্ৰৰ দ্বাৰা কয়লাৰ আদান-প্ৰদানৰ ফলত এহাজাৰ কোটি টকাৰ জিএছটি লোকচান হৈছে অসমৰ। চিণ্ডিকেট চক্ৰ বাবে চৰকাৰে ৰাজহ হেৰুৱাইছে, বিনিময়ত চৰকাৰৰ হাজাৰ হাজাৰ কোটি টকাৰ লোকচান হৈছে। অসম চৰকাৰে পুনৰ ৯ মাৰ্চত ৯০০ কোটি টকা ঋণ ল'ব। ঋণ ল'বলগীয়া কাৰণটোৱেই হৈছে চিণ্ডিকেট চক্ৰ। চিণ্ডিকেট চক্ৰ সক্ৰিয় হৈ থকাত অত্যাৱশ্যকায় সামগ্ৰীৰ দাম বাঢ়িব। চৰকাৰে পেট্ৰল-ডিজেল, চাউলৰ দাম কমাব পৰা নাই। দাইল, মিঠাতেলৰ দাম বাঢ়িছে। ঔষধৰ দাম ইমানেই বাঢ়িছে যে চৰকাৰৰ নিয়ন্ত্ৰণ কৰিব পৰা নাই। চিণ্ডিকেট চক্ৰৰ বাবে বস্তুৰ দাম কমাব পৰা নাই। মানুহৰ মূৰত বোজা বাঢ়িছে। যদি মুখ্যমন্ত্ৰীৰ সাহস আছে তেন্তে বিধানসভাত নাম উল্লেখ হোৱা হৰেন মহন্তৰ বিৰুদ্ধে ব্যৱস্থা লওক। তেতিয়া আমি কম যে দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী আছে। কিন্তু মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। কিয়নো সেই কেইজন মন্ত্ৰীক চিণ্ডিকেটৰ দায়িত্ব দি থৈছে। চৰকাৰে চিণ্ডিকেট চক্ৰৰ বিৰুদ্ধে একো নকৰিলে ৰাইজে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব বুলিও কয় কংগ্ৰেছৰ মিডিয়া কোষৰ অধ্যক্ষ বেদব্ৰত বৰাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কবৰৰ খান্দি উলিয়াই নিলে নৰকংকাল

ভুটান সীমান্তৱৰ্তী ভৈৰৱকুণ্ডৰ সমীপৱৰ্তী আংৰাজুলিত সংঘটিত হয় এক চাঞ্চল্যকৰ ঘটনা। দুষ্কৃতিকাৰীয়ে স্থানীয় গীৰ্জাৰ সমীপৰ কবৰৰ পৰা খান্দি উলিয়াই নিয়ে তিনিটাকৈ নৰকংকাল। ঘটনাটো সংঘটিত হৈছিল প্ৰায় এসপ্তাহমান পূৰ্বে। আংৰাজুলিৰ বেপ্টিষ্ট গীৰ্জাৰ কবৰস্থানৰপৰা নোহোৱা হৈছিল তিনিটাকৈ নৰকংকাল। স্থানীয় ৰাইজে হাবি চাফা কৰি থকা অৱস্থাত কবৰস্থানটোৰ মাটি ছেদেলি-ভেদেলি হৈ থকা প্ৰত্যক্ষ কৰে। ইয়াৰ পাছত ভালকৈ চোৱাত কৰাত কবৰস্থানৰ তিনিটাকৈ কবৰৰ নৰকংকাল নোহোৱা হোৱা প্ৰত্যক্ষ কৰে। লগে লগে অঞ্চলজুৰি খবৰটো বিয়পি পৰাত চাঞ্চল্যই বিৰাজ কৰে। চুৰি হোৱা নৰকংকালৰ  ভিতৰত এগৰাকী মহিলাৰ বিপৰীতে আছে দুগৰাকী পুৰুষৰ নৰকংকাল। কবৰস্থানৰ পৰা খান্দি নিয়া নৰকংকালকেইটা হৈছে ক্ৰমে সোণাৱ নাৰ্জাৰী, থানিজা ৰাভা আৰু হাবাচী বসুমতাৰী। ইয়াৰে সোণাৱ নাৰ্জাৰীৰ মৃত্যু হৈছিল ৫ বছৰ পূৰ্বে, থানিজা ৰাভাৰ মৃত্যু হৈছিল তিনি বছৰ পূৰ্বে আৰু হাবাচী বসুমতাৰীৰ দুবছৰ পূৰ্বে মৃত্যু হৈছিল। কোনে, কি কাৰণত কবৰস্থ নৰকংকালকেইটা খান্দি নিলে সেয়া জানিব পৰা হোৱা নাই যদিও অনবিশ্বাসৰ ফলত পূজা-পাতলত ব্যৱহাৰৰ বাবে নৰকংকালকেইটা উলিয়াই নিয়া বুলি সন্দেহ কৰা হৈছে। ঘটনা সংঘটিত হোৱাৰ পাছত স্থানীয় ৰাইজে সমগ্ৰ ঘটনাৰ তদন্ত কৰি নৰকংকাল চুৰিৰ ঘটনাত জড়িত লোকক বিচাৰি উলিয়াই শাস্তিৰ দাবী কৰে। উল্লেখযোগ্য যে আংৰাজুলি অঞ্চলটো হৈছে ভুটান সীমান্তৰপৰা প্ৰায় ডেৰ কিলমিটাৰ নিলগৰ এটা অঞ্চল। ঘটনাটো সংঘটিত হোৱাৰ পাছত অঞ্চলটোলৈ ভুটানৰ আৰক্ষী অহা বুলিও অঞ্চলটোৰ ৰাইজে প্ৰকাশ কৰে। স্থানীয় ৰাইজে ঘটনা সন্দৰ্ভত ওদালগুৰি আৰক্ষীক এজাহাৰ দাখিল কৰে যদিও ঘটনা সন্দৰ্ভত বৰ্তমানলৈকে কোনো দোষীক আৰক্ষীয়ে চিনাক্তকৰণ কৰিব পৰা নাই। বাতৰি লিখা পৰলৈকে আৰক্ষীৰ তৰফৰ পৰা সবিশেষ তথ্যও প্ৰকাশ কৰা হোৱা নাই। উক্ত ঘটনাই যাতে শান্তি-শৃংখলা বিঘ্নিত নকৰে তাৰ বাবে সকলোৱে আশা কৰিছে আৰু সংশ্লিষ্ট পক্ষক আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহিলাৰ বাবে সংৰক্ষিত হ'ব ছয়টা

নিৰ্বাচন। অহা দুই এপ্ৰিলত অনুষ্ঠিত হ'ব ৰাভা হাছং পৰিষদীয় নিৰ্বাচন। ইয়াৰ পিছতে এতিয়া ৰাভা হাছং পৰিষদীয় এলেকাত নিৰ্বাচনী কুচ-কাৱাজ আৰম্ভ হোৱা পৰিলক্ষিত হৈছে। পৰিষদৰ বৰ্তমানৰ কাৰ্যবাহী সদস্যৰ লগতে সাধাৰণ সদস্যসকলে পুনৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ মন মেলি সমষ্টিয়ে সমষ্টিয়ে অঘোষিত প্ৰচাৰ ইতিমধ্যে আৰম্ভ কৰিছে। ইয়াৰ মাজতে পৰিষদীয় নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ আশাত বহু নতুন মুখৰ তৎপৰতা বৃদ্ধি পাইছে। নিৰ্বাচনৰ গৰম বতাহ বলাৰ প্ৰাক্কক্ষণত পৰিষদৰ মুঠ ছয়টা সমষ্টি মহিলাৰ বাবে সংৰক্ষণ কৰা হৈছে। এই আনুষ্ঠানিক নিৰ্দেশনা প্ৰকাশ পোৱাৰ পিছতে একাংশৰ মুখত যদি হাঁহি বিৰিঙিছে আন একাংশৰ আশাত চেঁচাপানী পৰাও পৰিলক্ষিত হৈছে। উল্লেখ্য যে ৰাভা হাছং পৰিষদৰ মুঠ ৩৬ টা সমষ্টিৰ ভিতৰত ছয়টা সমষ্টি প্ৰশাসনে লটাৰীযোগে মহিলাৰ বাবে সংৰক্ষিত কৰিছে। এই সমষ্টিকেইটা হৈছে ৪নং ৰংজুলি, ৬ নং উত্তৰ দুধনৈ, ১৩ নং পূব অজগৰ, ২০ নং জয়ৰামকুছী, ২৪ নং লুকী আৰু ৩৬ নং ৰাণী সমষ্টি। সমষ্টিকেইটা মহিলাৰ বাবে সংৰক্ষিত কৰাৰ খবৰে ৰাভা হাছঙৰ প্ৰাৰ্থিত্বপ্ৰত্যাশীসকলৰ মাজত বিশেষ চৰ্চা লাভ কৰা পৰিলক্ষিত হৈছে। এই ছয়টা সমষ্টিৰ বৰ্তমানৰ কেইবাজনো পুৰুষ কাৰ্যবাহী আৰু সাধাৰণ পাৰিষদে চকী হেৰুওৱাটো এশ শতাংশ নিশ্চিত হৈ পৰিছে। আনহাতে, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ ৰাজধানী স্বৰূপ দুধনৈ চহৰৰ সন্মানীয় উত্তৰ দুধনৈ পৰিষদীয় সমষ্টিটোও যিহেতু মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত কৰা হৈছে, তেনে ক্ষেত্ৰত বৰ্তমান বিশেষকৈ বিজেপিৰ এগৰাকী ৰাজ্যিক পৰ্যায়ৰ নেত্ৰীৰ নাম চৰ্চালৈ আহিছে। আনহাতে, বিভিন্ন জাতি জনগোষ্ঠীৰ ভোটাৰ থকা এই উত্তৰ দুধনৈ পৰিষদীয় সমষ্টিটোৰ বাবে বহু কেইগৰাকী নতুন মুখৰ মহিলাও প্ৰাৰ্থিত্বৰ দৌৰত আছে বুলি চৰ্চা চলিছে। নিৰ্বাচনলৈ ৰাভা হাছং যৌথ সংগ্ৰাম পৰিষদৰ লগতে আন ৰাজনৈতিক দলসমূহে এতিয়ালৈ এটাও সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা নকৰিলেও ৰাভা হাছং এলেকাত দলসমূহে দলীয় সভা অনুষ্ঠিত কৰি নিৰ্বাচনী কুচ-কাৱাজ ইতিমধ্যে আৰম্ভ কৰিছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# এলিজাবেথৰ তদন্ত

অসম আৰক্ষীয়ে গঠন কৰা এছআইটিৰ তদন্ত আগবাঢ়িছে ক্ষীপ্ৰতাৰে। এইবাৰ গৌৰৱ পত্নীৰ পাকিস্তান লিংক সন্দৰ্ভত বৃটিছ দূতাবাসৰ দুই বিষয়াক জেৰা চলাইছে এছআইটিয়ে। তদুপৰি ড০ নুপূৰ বৰুৱা আৰু অনিৰ্বাণ গাংগুলীকো জেৰা কৰিছে এছআইটিয়ে। উল্লেখ্য যে ড০ নুপূৰ বৰুৱাৰ স্বামী দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক। মন কৰিবলগীয়া যে, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰিছিল জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ সৈতে গৌৰৱ পত্নীৰ এক সম্পৰ্ক কথা। ইয়াৰ পাছতেই এই গোচৰত অসম আৰক্ষীয়ে গঠন কৰি দিয়া এছআইটিয়ে নুপূৰ বৰুৱাক জেৰা কৰা বিষয়ে আনি দিছে নতুন চৰ্চা। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত ৰাজহুৱা কৰিছিল যে, ভাৰতত আই এছ আই তথা পাকিস্তান চৰকাৰৰ এটা প্ৰভাৱ দেখিবলৈ পোৱা গৈছে। পাকিস্তানৰ বেচৰকাৰী সংস্থা লীডৰ প্ৰতিষ্ঠাপক মুৰব্বী আলী তৌকীৰ শ্বেখৰ সৈতে দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত কৰ্মৰত এগৰাকী অসমীয়া অধ্যাপকৰ সম্পৰ্ক আছে। গৌৰৱ গগৈৰ পত্নী এলিজাবেথ গগৈৰ পাকিস্তান সম্পৰ্কৰ গোচৰৰ অগ্ৰগতিৰ কথা সদৰি কৰি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছিল এই কথা। তাৰ পূৰ্বে যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পত্নীৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকাৰ অভিযোগ উত্থাপন কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ইয়াৰ পাছতে যোৱা ১৬ ফেব্ৰুৱাৰীত ৰাজ্যিক কেবিনেটে এই সন্দৰ্ভত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক গোচৰ ৰুজু কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। সেই অনুসৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে ৫/২৫ নম্বৰত এটা গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ অংশ স্বৰূপে ১৭ ফেব্ৰুৱাৰীত অপৰাধ অনুসন্ধান বিভাগৰ বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাৰ অধ্যক্ষতাত এখন চাৰিজনীয়া এছ আই টি গঠন কৰি দিছিল অসম আৰক্ষীয়ে। অসম আৰক্ষীয়ে ৰুজু কৰা গোচৰৰ ভিত্তিত গঠন কৰি দিয়া বিশেষ তদন্তকাৰী দলে মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ অধীক্ষক ৰ'জী কলিতাৰ নেতৃত্বত দিল্লীলৈ ৰাওনা হৈছিল। এছআইটিৰ এই তদন্তৰ সন্দৰ্ভত মন্তব্য দিবলৈ গৈ মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছিল যে, কোভিডৰ পূৰ্বে অৰ্থাৎ ২০১৮ চনলৈকে আলী তৌকিৰ শ্বেখ ভাৰতলৈ আহি আছিল। এই তথ্য লাভ কৰিছে এছ আই টিয়ে। ভাৰতলৈ আহোতে আলী তৌকিৰ শ্বেখৰ লগত আহিছিল পাকিস্তানৰ এটৰ্ণি জেনেৰেলৰ দৰে ব্যক্তিও। লোকচক্ষুৰ পৰা আঁতৰত থাকিবলৈ তেওঁলোক আছিল সৰু সৰু হোটেলত। এছ আই টিৰ তদন্তত এই তথ্য লাভ কৰাৰ কথা সদৰী মুখ্যমন্ত্ৰীৰ। এই তথ্য যথেষ্ট সংবেদনশীল আখ্যা দি সমগ্ৰ বিষয়টো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকো অৱগত কৰা বুলিও উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে, এছ আই টিৰ এই তদন্ত এটা পৰ্যায়ৰলৈকেহে যাব পাৰিব। কিন্তু তাৰ পাছৰ পৰ্যায়ত তদন্তৰ বাবে ইণ্টাৰপ'লৰ সহায় ল'বলগীয়া হ'ব পাৰে। উল্লেখ্য আলী তৌকিৰ শ্বেখ সম্পৰ্কিত হৈ থকা লীড নামৰ বে-চৰকাৰী সংস্থাটোতে বিবাহৰ পূৰ্বে গৌৰৱ গগৈৰ পত্নী এলিজাবেথ ক'লবাৰ্ণ কৰ্মৰত আছিল বুলি অভিযোগ উত্থাপন কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিগ্ৰস্ত বিষয়াক চৰকাৰে

ফাইট এগেইনষ্ট ইনজাষ্টিছ অৱ এ পি এছ চিৰ প্ৰশাসক মানস বৰুৱাই। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কংগ্ৰেছৰ দিনৰ দুৰ্নীতিগ্ৰস্ত নিযুক্তিক সুৰক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰি সংবাদমেলত মানস বৰুৱাৰ অভিযোগ, ন্যায়িক আয়োগৰ প্ৰতিবেদনৰ মূল বিষয় এৰাই চলি শৰ্মা চৰকাৰে আয়োগৰ প্ৰতিবেদনৰ আত্মাক আঘাত কৰাৰ লগতে একাংশ বক্ৰপথে বাচনিভুক্ত প্ৰাৰ্থীৰ অধিবক্তাৰ দৰে আচৰণ কৰিছে। তদুপৰি সংগঠনটোৰ অভিযোগ, আইনী দিশৰ পৰা গ্ৰহণযোগ্য নোহোৱা আৰু আয়োগৰ প্ৰতিবেদনত উল্লেখ নথকা কিছু কথাৰ ভিত্তিতো মুখ্যমন্ত্ৰীয়ে মতামত প্ৰদান কৰিছে। মীন উন্নয়ন নিগমৰ ২১৭ নিযুক্তি বাতিল কৰা বা পৰিবহণ নিগমৰ প্ৰায় ৭০০ নিযুক্তি বাতিল কৰা চৰকাৰে কাৰ স্বাৰ্থত কংগ্ৰেছৰ দিনৰ দুৰ্নীতিগ্ৰস্ত নিযুক্তিক সুৰক্ষা দিছে বুলিও এক গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে ফাইট এগেইনষ্ট ইনজাষ্টিছ অৱ এ পি এছ চিয়ে। সংগঠনটোৰ অভিযোগ, সদনৰ আলোচনা কালত মুখ্যমন্ত্ৰীয়ে ৰাকেশ পালৰ নিযুক্তিৰ প্ৰসংগ টানি আনি তদানীন্তন কংগ্ৰেছ চৰকাৰক কঠোৰ সমালোচনা কৰিলেও প্ৰতিবেদনৰ মূল বিষয় অৰ্থাৎ নিযুক্তি বাতিলৰ বিষয়টো এৰাই চলে। সংগঠনটোৰ মন্তব্য, মুখ্যমন্ত্ৰীয়ে পূৰ্বৰ চৰকাৰক সমালোচনা কৰাৰ কোনো নৈতিক অধিকাৰ নাই, যদিহে তেওঁৰ আয়োগৰ প্ৰতিবেদনৰ মূল পৰামৰ্শ মানি লোৱাৰ সাহস নাই। দ্বিতীয়তে, ইয়াৰ দ্বাৰা তেখেতে আয়োগৰ প্ৰতিবেদনৰ আত্মাক আঘাত কৰাই নহয় বৰং এই কেলেংকাৰিৰ সময়ৰ কংগ্ৰেছৰ এজন প্ৰভাৱশালী নেতা হিচাপে তেখেতৰ প্ৰতিও বিভিন্ন সময়ত এই প্ৰসংগত অভিযোগৰ আঙুলি নিৰন্তৰভাৱে আহি থকিব। সংগঠনটোৱে কয় যে পবিত্ৰ সদনত ন্যায়িক আয়োগৰ প্ৰতিবেদন সন্দৰ্ভত ভাষণত মুখ্যমন্ত্ৰীয়ে কোৱা বহু কেইটা কথা আইনী দিশৰ পৰা গ্ৰহণযোগ্য নোহোৱা আৰু আনকি আয়োগৰ প্ৰতিবেদনত উল্লেখ নথকা কিছু কথাৰ ভিত্তিতো তেখেতে মতামত দিছিল। প্ৰেছ বিবৃতিত সংগঠনটোৱে লগতে উল্লেখ কৰে যে, মুখ্যমন্ত্ৰীয়ে আয়োগৰ পৰামৰ্শ অনুসৰি নিযুক্তি বাতিলৰ প্ৰসংগত কৈছিল যে-'পৃথিৱীৰ ক'তো এনে নিয়ম নাই'। অথচ ন্যায়িক আয়োগৰ প্ৰতিবেদনতেই এই প্ৰসংগত বহু কেইটা উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ উদ্ধৃতি দিয়া আছে। লগতে তেওঁ কয় যে এনে সিদ্ধান্তই আনকি দোষী কেইজনকো বাচি যোৱাৰ পথ সুগম কৰিব। মুখ্যমন্ত্ৰীৰ এনে ভাষ্য প্ৰকৃততে একাংশ প্ৰাৰ্থীৰ অধিবক্তাৰ ভাষ্য যেন ভাব হয়। আনকি আমাৰ চুবুৰীয়া ৰাজ্য মণিপুৰ লোকসেৱা আয়োগৰ ২০১৬ বৰ্ষৰ অসামৰিক সেৱাৰ পৰীক্ষা প্ৰাৰ্থীসকলে ২ বছৰ মান চাকৰি কৰি থকাৰ পিছতো নিযুক্তি বাতিল হয়। সংগঠনটোৱে লগতে কয়, মুখ্যমন্ত্ৰীয়ে মুখ্য সচিবৰ সমিতিৰ পৰামৰ্শও এই প্ৰসংগত লোৱা বুলি জনায়। পিছে Commission of Inquiry Act 1952 অনুসৰি এই মুখ্য সচিবৰ সমিতিৰেই কোনো আইনী বৈধতা নাই। তদুপৰি মুখ্যমন্ত্ৰীয়ে ৮-৯জন বক্ৰপথে বাচনিভুক্ত বিষয়াই এতিয়াও চাকৰি কৰি থকাৰ প্ৰসংগগ আনি কয় যে ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনতো সেই সকল প্ৰাৰ্থীয়ে otherwise ও এপিএছচি পালেহেঁতেন বুলি লিখা আছে অৰ্থাৎ উত্তৰ বহী বা টেবুলেছন শ্বীটত পালবাহিনীয়ে নম্বৰ বৃদ্ধি নকৰিলেও বাছনিভুক্ত হ'লহেতেন বুলি কয়। পিছে তেনে কোনো কথা আয়োগৰ প্ৰতিবেদনত উল্লেখেই নাই। ইয়াৰদ্বাৰা মুখ্যমন্ত্ৰীয়ে এচাম ঠগ প্ৰবঞ্চনাৰে বাচনিভুক্ত বিষয়াক সুৰক্ষা দি অহাৰ দীৰ্ঘদিনীয়া অভিযোগৰ সত্যতাহে প্ৰমাণিত হৈছে। প্ৰকৃততে আৰম্ভণিৰ পৰা মুখ্যমন্ত্ৰীজনৰ এই কেলেংকাৰীৰ প্ৰসংগত স্থিতি স্পষ্ট আছিল য'ত কেতিয়াবা অসমীয়া ল'ৰা ছোৱালীৰ বুলি কৈ বা কেতিয়াবা মানৱীয়তাৰ প্ৰসংগ আনি তেখেতে একাংশ ঠগ প্ৰবঞ্চনাৰে বাচনিভুক্ত বিষয়াক সুৰক্ষা দিয়াই নহয় বৰং পদোন্নতি দিছিল, মুখ্যমন্ত্ৰীৰ বিশেষ মেডেলো দিছিল। কিন্তু মুখ্যমন্ত্ৰীৰ সেই একেই মানৱীয়তা মীন উন্নয়ন নিগমৰ ২১৭ নিযুক্তি বাতিল কৰাৰ সময়ত বা পৰিবহণ নিগমৰ প্ৰায় ৭০০ নিযুক্তি বাতিলৰ প্ৰসংগত দেখা পোৱা নাযায়। যি সময়ত পালবাহিনীয়ে দিয়া ডুপ্লিকেট উত্তৰ বহীত লিখি বা টেবুলেশ্বন শ্বীটত নম্বৰ বৃদ্ধি কৰিও একাংশই বছৰ বছৰ ৰাজপত্ৰিত বিষয়া হৈ থাকিব পাৰে, সেই সময়ত এই চৰকাৰে চিপাহী নিযুক্তিৰ ক্ষেত্ৰত ভুৱা কম্পিউটাৰ চাৰ্টিফিকেট লৈ আবেদন কৰাৰ বাবেই একাংশক গ্ৰেপ্তাৰ কৰে। এতিয়া সেই একেই ভাওনা স্নাতক ডিগ্ৰীধাৰী একাংশই চতুৰ্থ বৰ্গৰ চাকৰি কৰাক লৈ মঞ্চস্থ হ'বলৈ গৈ আছে। সংগঠনটোৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কটাক্ষ কৰি কয়, অজিকালি মুখ্যমন্ত্ৰীয়ে বৰকৈ ইণ্টাৰপ'লৰ প্ৰসংগ উল্লেখ কৰে। কিন্তু শৰ্মা চৰকাৰে বিগত ৯ বছৰেও ৰাকেশ পালৰ ভায়েকক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। এয়া চৰকাৰৰ ইচ্ছাকৃত ব্যৰ্থতা। সংগঠনটোৱে সংবাদমেল যোগে ন্যায়িক আয়োগৰ পৰামৰ্শ মতে নিযুক্তি বাতিল কৰিবলৈ দাবী জনায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছত থাকি বিজেপিৰ হৈ কাম কৰা

গান্ধীয়ে একাংশ নেতৃত্বধাৰী নেতাৰ বিৰুদ্ধে ক্ষোভ উজাৰি শেষ সতৰ্কবাণী প্ৰদান কৰে। শাসকীয় বিজেপিৰ সৈতে তলে তলে মিলি থকা ২০-৩০ জন নেতাক প্ৰয়োজনত দলৰ পৰা উলিয়াই দিয়াৰ কঠোৰ সিদ্ধান্ত লোৱাৰ ইংগিত দিয়ে ৰাহুল গান্ধীয়ে। একাংশ নেতাৰ শৰীৰটো কংগ্ৰেছত আছে, অন্তৰখন আছে বিজেপিত। কঠোৰ তদন্ত কৰি প্ৰয়োজনত তেনে নেতাসকলক দলৰ পৰা উলিয়াই দিয়াৰ ইংগিত দিছে ৰাহুল গান্ধীয়ে। বাৰে বাৰে পৰাজিত হোৱাৰ কৰাণ কি সেই কথা বৰ্ণনাৰ প্ৰয়োজন নাই বুলি উল্লেখ কৰি গান্ধীয়ে স্পষ্টকৈ কয় যে গুজৰাটত দুই ধৰণৰ নেতা আছে। এটা শ্ৰেণী আছে কংগ্ৰেছৰ লগত। তেওঁলোকক কাটিলে ওলোৱা ৰক্তত কংগ্ৰেছ আছে। আৰু একাংশ আছে বিজেপিৰ সৈতে লগলাগি থকা কংগ্ৰেছী। ‘কংগ্ৰেছত থাকি বিজেপিৰ হৈ কাম কৰাসকলক দলৰ পৰি উলিয়াই দিব লাগে। মুকলিকৈ গৈ বিজেপিৰ হৈ কাম কৰক। প্ৰয়োজনত কঠোৰ তদন্ত কৰি ১০-১৫, ৩০-৪০ জন লোকক উলিয়াই দিব লাগে’- কয় গান্ধীয়ে। যিদিনা কংগ্ৰেছৰ নেতাৰ পৰা এশ শতাংশ ‘কনফিডেন্স’ অন্তৰৰ পৰা ওলাই আহিব সিদিনা কংগ্ৰেছক কোনো ৰকাব নোৱাৰে। কংগ্ৰেছৰ ৫০ বছৰৰ প্ৰকল্প সাজু হৈ যাব। আমি তেলেংগানাত ২২ শতাংশ ভোট বৃদ্ধি কৰিছো। গুজৰাটত মাথো ৫ শতাংশ ভোট লাগে। আমি কিয় ৫ শতাংশ ভোট বৃদ্ধি কৰিব নোৱাৰো। আমি ৰাইজৰ মাজলৈ গৈ সমস্যাৰ কথা বুজ লৈ পৰিকল্পনা অনুসৰি কাম কৰিলে ৫ শতাংশ ভোট বৃদ্ধি হ’ব। ৰাহুল গান্ধীয়ে মহাত্মা গান্ধী আৰু চৰ্দাৰ বল্লভ ভাই পেটেলৰ প্ৰসংগ উল্লেখ কৰি কয় যে স্বাধীনৰ সংগ্ৰামৰ সময়ত যেতিয়া ভাৰতক এজন নেতাৰ নেতৃত্বৰ প্ৰয়োজন হৈছিল যেতিতায় দক্ষিণ আফ্ৰিকাৰ কৰা আহিছিল এজন নেতা। তেওঁ হৈছে মহাত্মা গান্ধী। মহাত্মা গান্ধীয়ে গুজৰাটৰ পৰা স্বাধীনতা আন্দোলনৰ বাবে পথ দেখুৱাইছিল। গুজৰাটে আজিও পথ দেখুৱাব লাগে। দুদিনীয়া কাৰ্যসূচীৰে গুজৰাট ভ্ৰমণৰত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি ৰাজ্যখনৰ মণ্ডল, ব্লক, জিলা সভাপতিৰ লগতে ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সৈতে ‘সম্বাদ’ শীৰ্ষক কাৰ্যসূচীত অংশ লৈ আজি নিজ দলৰে একাংশ নেতা-কৰ্মীৰ বিৰুদ্ধে ক্ষোভ উজাৰে। ৰাহুল গান্ধীয়ে উল্লেখ কৰিছিল যে গুজৰাট কংগ্ৰেছ নেতৃত্বত দুই প্ৰকাৰৰ লোক আৰু কৰ্মী আছে। এটা গোটত তেওঁলোক থাকে যিজন জনসাধাৰণৰ প্ৰতি সৎ, তেওঁলোকৰ বাবে যুঁজ দিয়ে, তেওঁলোকক সন্মান কৰে, আৰু তেওঁলোকৰ হৃদয়ত কংগ্ৰেছৰ আদৰ্শ থাকে। আনটো গোটত তেওঁলোক আছে যিসকল জনসাধাৰণৰ পৰা বিচ্ছিন্ন হৈ আছে, দূৰত বহিছে, তেওঁলোকক সন্মান নকৰে, আৰু তেওঁলোকৰ আধা বিজেপিৰ সৈতে আছে।

গুজৰাটত ২০২৭ চনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ’ব। তাৰ পূৰ্বেই কংগ্ৰেছ দলে ইতিমধ্যে ৰাজ্যখনত প্ৰস্তুতি আৰম্ভ কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধী গুজৰাট ভ্ৰমণ কৰি দলীয় সংগঠন সম্পৰ্কে শক্তিশালী বাৰ্তা প্ৰদান কৰিছে। ৰাহুল গান্ধীয়ে কংগ্ৰেছপ নেতা-কৰ্মীসকলৰ সৈতে মুখামুখি হৈ অসন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কংগ্ৰেছ কৰ্মীসকলে বিজেপিক প্ৰত্যাহ্বান জনাবলৈ এক শক্তিশালী ৰণনীতি প্ৰস্তুত কৰাত বিফল হোৱা বুলি কয়। গান্ধীৰ বক্তব্যই ৰাজনৈতিক পৰিৱেশ গৰম কৰিছে। তেওঁৰ বক্তব্যই দলৰ ভিতৰত এক আলোড়নৰ সৃষ্টি কৰিছে। লোকসভাৰ বিৰোধী নেতাগৰাকীয়ে কৰ্মী আৰু নেতাসকলক বিশুদ্ধ কৰাৰ প্ৰয়োজনক গুৰুত্ব দিয়ে। গুজৰাট ভ্ৰমণৰ দ্বিতীয় দিনা দলীয় কৰ্মীসকলক সম্বোধন কৰি গান্ধীয়ে কয় যে ৰাজ্যখবাসীৰ সমস্যাক গুৰুত্ব দি জমনত গঠন কৰিব পাৰিলেহে কংগ্ৰেছক ভোট দিব। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয় যে গুজৰাটৰ জনসাধাৰণৰ সমস্যাৰ বুজ ল’বলৈ পৰামৰ্শ দি কয় যে তিনি দশকতকৈও অধিক বিজেপি শাসনকালত তেওঁলোকক দেখুওৱা দৃষ্টিভংগী বিফল হৈছে। ৰাজ্যখনে আগবাঢ়ি যোৱাৰ পথ দেখাত অক্ষম আৰু কংগ্ৰেছে ইয়াক পথ দেখুৱাবলৈ অক্ষম। ৰাহুল গান্ধীৰ এই মন্তব্যই এতিয়া কংগ্ৰেছৰ ভিতৰচৰাত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুৱাহাটীৰ দুই নৱম শ্ৰেণীৰ ছাত্ৰ

কৰিছে। বিদ্যালয়লৈ পৰীক্ষা দিবৰ বাবে ঘৰৰ পৰা ওলাই আহি দুই ছাত্ৰ নিৰুদ্দেশ হৈ আছে। চানমাৰি নিজৰাপাৰৰ এজন আৰু নুনমাটিৰ এজন ছাত্ৰ নিৰুদ্দেশ হৈ আছে। মহানগৰীৰ চানমাৰিৰ বিকাশ ৰাজবংশী আৰু নুনমাটিৰ আলী হুছেইন নিৰুদ্দেশ হৈ থকা বুলি জানিব পৰা গৈছে। দুয়োজনেই নুনমাটি উচ্চ মাধ্যমিকৰ বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ। জানিব পৰা মতে, ৭ মাৰ্চত দুয়োজন ছাত্ৰই নুনমাটি উচ্চ মাধ্যমিক বিদ্যালয়লৈ পৰীক্ষা দিবলৈ আহিছিল। ৭ মাৰ্চত বছৰেকীয়া পৰীক্ষাত ইংৰাজী বিষয়ৰ পৰীক্ষা আছিল। পৰীক্ষা দিবলৈ আহি ঘৰলৈ উভতি যোৱা নাই। নিশা পৰ্যন্ত ঘৰলৈ উভতি নহাত দুয়োটা পৰিয়ালত হাহাকাৰ লাগে। ইফাল-সিফাল বিচাৰ খোচাৰ কৰি কোনো সম্ভেদ নোপোৱাত অৱশেষত নুনমাটি আৰক্ষী থানা আৰু চানমাৰি আৰক্ষী থানাত পৃথকে পৃথকে এজাহাৰ দাখিল কৰিছে পৰিয়াল দুয়োটাই। এজাহাৰ দিয়াৰ পিছতে দুয়োখন আৰক্ষী থানাই তদন্ত আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত সম্ভেদ উলিয়াবলৈ সক্ষম হোৱা নাই। আৰক্ষীয়ে দুষ্ট চক্ৰৰ কবলত পৰি দুয়ো কিশোৰে ৰাজ্যৰ বাহিৰলৈ যোৱাৰ পৰিকল্পনা কৰা বুলি সন্দেহ কৰিছে। পৰিয়ালে দুষ্ট চক্ৰ কবলত পৰাৰ সন্দেহ কৰিছে। আনহাতে পৰীক্ষা বেয়া হোৱাৰ বাবেও আত্মগোপন কৰাৰ সন্দেহ কৰা হৈছে। পৰীক্ষা দিবলৈ আহি দুই ছাত্ৰ দুদিন ধৰি নিৰুদ্দেশ হৈ থকাত দুয়োটা পৰিয়ালে চকুলো টুকি সময় পাৰ কৰিছে। এই ঘটনাই সমগ্ৰ মহানগৰীতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# শিৱসাগৰত বোৱাৰীৰ ৰহস্যজনক মৃত্যুক লৈ তীব্ৰ চাঞ্চল্য

**ই-সংবাদ, শিৱসাগৰ, ৮ মাৰ্চঃ** আন্তৰ্জাতিক নাৰী দিৱসৰ দিনাই শিৱসাগৰ চহৰৰ সমীপৰ দৰিকাপাৰ উদয় নগৰত এগৰাকী ২২ বছৰীয়া বোৱাৰীৰ ৰহস্যজনক মৃত্যকলৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। চাৰি বছৰীয়া সন্তানৰ মাতৃ পিংকী দত্তৰ যোৱা নিশা মৃত্যু হয়। স্বামী পাপু দত্ত ঘৰত নথকা অৱস্থাত পিংকী দত্তৰ মৃত্যু হোৱাত এয়া পৰিকল্পিত হত্যা নে আন কোনো ৰোগত মৃত্যু হৈছে তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। বিশেষকৈ দুই এক আত্মীয়ই সদৰি কৰা মতে, যোৱা নিশা প্ৰায় ১০.৩০ বজাত  পিংকী দত্ত অসুস্থ হৈ পৰাত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ ১০৮ এম্বুলেন্সত লৈ গৈছিল যদিও চিকিৎসা প্ৰদানৰ পূৰ্বে চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। দুই এক আত্মীয়ৰ মতে হৃদ ৰোগত আক্ৰান্ত হৈ তথা হাৰ্ট এটেক হৈ মৃত্যু হয় পিংকীৰ। তাৰ পিছতে ঘৰলৈ লৈ আনে পিংকী দত্তক। পিংকী দত্তৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষাৰ কৰিব লাগিছিল যদিও সেয়া নকৰি ঘৰলৈ ওভতাই অনা হয়। তদুপৰি মৃতদেহ চিকিৎসালয়ৰ পৰা আত্মীয় স্বজনে লৈ গ'লে সেই সময়ত এখন ডিচাৰ্জ ৰিচিপ দিয়ে। কিন্তু পিংকী দত্তৰ মৃতদেহ ঘৰলৈ ওভতাই নিয়া হ'ল যদিও নাছিল কোনো ডিচাৰ্জ ৰিপ'ৰ্ট। এয়া একাংশ আত্মীয়ই কোৱা কথা। অন্যহাতে, চিকিৎসালয়খনৰ চিকিৎসকে পিংকী দত্ত নামৰ কোনো ৰোগীক লগেই পোৱা নাছিল আৰু পঞ্জীয়ন বহীতো নাম নাই বুলি জানিবলৈ দিয়া খবৰে বিষয়টো অধিক ৰহস্যময় কৰি তুলিছে। এইখিনিতে আন কেতবোৰ প্ৰশ্নও উত্থাপন কৰি পিংকী দত্তৰ মৃত্যু সন্দেহজনক আখ্যা দিছে নাম প্ৰকাশত অনিচ্ছুক একাংশ লোকে। চিকিৎসকে অগ্ৰাহ্য কৰিলেও পিংকী দত্তক চিকিৎসালয়লৈ লৈ যোৱা বুলি দাবী কৰা মহিলাগৰাকীয়েও চিকিৎসকে প্ৰদান কৰা কোনো ৰিপ'ৰ্ট প্ৰদৰ্শন কৰিব পৰা নাই। পিংকী দত্তৰ নামত চিকিৎসালয়খনত ১০ টকা দি ক্ৰয় কৰা এটা টিকট প্ৰদৰ্শন কৰিছে যদিও চিকিৎসকৰ কোনো ৰিপ'ৰ্ট দেখুওৱাব পৰা নাই। পিংকী দত্তক প্ৰকৃততে চিকিৎসকৰ ওচৰলৈ নিয়া হোৱা নাছিল নেকি? নে চিকিৎসকে মিছা মাতিছে? এই প্ৰশ্নসমূহৰ উত্তৰ বিচাৰি এতিয়া তদন্ত আৰম্ভ কৰিছে শিৱসাগৰ আৰক্ষীয়ে।  মৃত্যুৰ খবৰ লাভ কৰি একাংশ সাংবাদিক উদয় নগৰলৈ গৈছিল যদিও ঘৰত প্ৰৱেশ কৰাত বাধা দিয়ে।

# মাজুলীত আন্তৰ্জাতিক নাৰী দিৱস পালন

**ই-সংবাদ, মাজুলী, ৮ মাৰ্চঃ** আন্তৰ্জাতিক নাৰী দিৱসৰ সংগতি ৰাখি মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ত মাজুলী জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগত এক বিশেষ সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। জল সংৰক্ষণৰ নাৰীৰ কৰণীয় বিষয়ক সজাগতা সভাৰ আৰম্ভণিতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জিলা সমন্বয়ক অলকেশ গগৈয়ে সকলোকে আদৰণি জনায়। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচী আনুষ্ঠানিক ভাৱে উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই পৌৰাণিক আখ্যানৰ প্ৰসংগৰে নাৰীশক্তিক যথোচিত সন্মান আৰু সুৰক্ষা কৰাতো সকলোৰে মৌলিক দায়িত্ব বুলি উল্লেখ কৰে। লগতে বৰ্তমানৰ প্ৰগতিৰ যুগত নিজকে সমৃদ্ধ কৰি সমাজক আগুৱাই লৈ যোৱাত অৰদান যোগাবলৈ উপস্থিত ছাত্ৰীসকলক আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থাকি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা কৌশিক বৰতামুলীয়ে জল সংৰক্ষণৰ দিশত মহিলাসকলে আগবঢ়োৱা অৱদানৰ এক অলোকপাত দাঙি ধৰে। লগতে প্ৰতি টোপাল পানী সংৰক্ষণ কৰি এক সুন্দৰ ভৱিষ্যত গঢ়াত সহায়ক হ'বলৈ ছাত্ৰীসকলক অনুৰোধ জনায়। সভাপতিৰ মন্তব্যত প্ৰশান্ত শইকীয়াই নাৰী দিৱসৰ ইতিহাস আৰু তাৎপৰ্যৰ বিষয়ে ৰাখ্যা দাঙি ধৰি বৰ্তমানৰ বিশুদ্ধ খোৱাপানীৰ সংকটৰ এক ভয়াবহ ছবি সকলোৰে আগত দাঙি ধৰে। লগতে প্ৰতিগৰাকীয়ে নাৰীয়েই এই সমস্যা আঁতৰ কৰাৰ দিশত আগবাঢ়ি আহিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত মাজুলীৰ জল সংৰক্ষণৰ দিশত বিশেষভাৱে বৰঙণি আগবঢ়োৱা চাৰিগৰাকীকৈ মহিলা ক্ৰমে লখিমী নেওগ, ৰিতামণি কলিতা, জোৎস্না দত্ত আৰু ৰেণু বৰাক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ হৈ মিতালি কলিতাই নিজৰ মনৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত অনুষ্ঠানত জ্যেষ্ঠ অধ্যাপক ড০ দুলাল হাজৰিকা, ড০ দেৱজ্যোতি ভট্টাচাৰ্য, ড০ বিশাল ভূঞা, ড০ শ্বাহনাজ আহমেদ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ চয়নিকা দেৱী, পৰাগজ্যোতি গগৈ, অঞ্জুমণি টাকু, দিবাকৰ বৰা, কল্পজ্যোতি বৰা প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহায় কৰে। অনুষ্ঠানৰ শেষত সকলোকে শলাগ জ্ঞাপন কৰে অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড০ দেৱজ্যোতি ভট্টাচাৰ্যই।

**মুখ্যমন্ত্ৰীয়ে ফিটা কাটি উদ্বোধন কৰা কেন্দ্ৰটিত এবছৰে ওলমি আছে তলা**

# চিকিৎসকৰ অভাৱত বন্ধ হোৱাৰ উপক্ৰম ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰ

**ই-সংবাদ, তিনিচুকীয়া, ৭ মাৰ্চঃ** অসমৰ জনপ্ৰিয় তথা কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিজে ফিটা কাটি শুভ উদ্বোধন কৰা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ ৰূপাইৰ শান্তিপুৰ গাঁওস্থিত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটি চিকিৎসকৰ অভাৱত বন্ধ হোৱাৰ উপক্ৰম হৈছে। অবিশ্বাস্য হ'লেও এয়াই সত্য। উল্লেখ্য যে, যোৱা বৰ্ষৰ ২৩ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই একেদিনাই কেইবাটাও চৰকাৰী কাৰ্যসূচী হাতত লৈ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু শদিয়া বিধানসভা সমষ্টিত উপস্থিত হৈছিল। শান্তিপুৰস্থিত ৰূপাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এক বিশাল জনসভাত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড০ শৰ্মাই মিছন বসুন্ধৰা ২.০ ৰ অধীনত ডুমডুমা সমষ্টিৰ কেবাহাজাৰ লোকক ভূমি পট্টা প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ লগতে আন কেইবাটাও নতুন প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস স্থাপন কৰিছিল। বিকাশৰ বাবে এদিন, ডুমডুমাত বিকাশৰ নতুন জোৱাৰ শ্ল'গানেৰে তিনিচুকীয়া জিলাত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই লক্ষীমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ উপস্থিতিত PM-ABHIM, ২০২১-২২ বিত্তীয় বৰ্ষৰ পুঁজিৰে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন (অসম)ৰ অধীনত ৰূপায়ণ কৰা তথা ৪৮,৩৮,৭৯০/- টকাৰ ব্যয়েৰে নিৰ্মাণ সম্পূৰ্ণ কৰা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিৰ শুভ উদ্বোধন কৰা আজি প্ৰায় এবছৰ অতিক্ৰম হোৱাৰ পাছতো বৃহত্তৰ ঔগুৰি অঞ্চলৰ ৰাইজে উপ-স্বাস্থ্যকেন্দ্ৰটিৰ পৰা চিকিৎসা সেৱা লাভ নকৰিলে। বগাহাতীলৈ পৰ্যবসিত হোৱা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিত এবছৰে চৰকাৰে চিকিৎসক নিযুক্তি দিবলৈ অসমৰ্থ হোৱাৰ বিষয়টোক লৈ সচেতন মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ২০২৩ বৰ্ষৰ ১৩ মে' ত স্থানীয় বিধায়ক তথা সম্প্ৰতি অসম চৰকাৰৰ মন্ত্ৰী ৰূপেশ গোৱালাই আধাৰশিলা স্থাপন কৰা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটি ৬ মাহতেই মাকুমৰ কল্যাণ চেতিয়া নামৰ ঠিকাদাৰগৰাকীয়ে নিৰ্মাণ সম্পূৰ্ণ কৰি উলিয়ায় যদিও আজি এটা বছৰে জিলা স্বাস্থ্য বিভাগৰ তথা চৰকাৰে এগৰাকী সামূহিক চিকিৎসা বিষয়া(CHO)ক নিযুক্তি দিয়াত ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত এটা বছৰে কেন্দ্ৰটিত ২৪ ঘণ্টাই ওলমি আছে এটি বৃহৎ তলা। চৰকাৰৰ সংশ্লিষ্ট বিভাগে কেন্দ্ৰটিৰ বাবে প্ৰয়োজনীয় আচবাব, চিকিৎসা সঁজুলি, একাংশ যন্ত্ৰপাতি আদিৰ ব্যৱস্থা কৰিলে যদিও এতিয়াও কেন্দ্ৰটিত অভাৱ কেতবোৰ আনুষংগিক সামগ্ৰী তথা সঁজুলিৰ। লগতে বাৰুকৈয়ে অভাৱ কেন্দ্ৰটিৰ চৌহদৰ পকী বেৰাৰ। দুই মহলীয়া কেন্দ্ৰটিৰ তলৰ মহলাত ৰেলনেছ ৰুম, পষ্ট ডেলিভাৰী, প্ৰি ডেলিভাৰী ৱাৰ্ড, পৰীক্ষাগাৰ, টিকাকৰণ কক্ষ, লেবাৰ ৰুম, চিকিৎসকৰ কক্ষ, চিকিৎসক-নাৰ্চ-ৰোগীৰ বাবে সুকীয়া-সুকীয়াকৈ টয়লেটৰ সুব্যৱস্থা থকা কেন্দ্ৰটিৰ ওপৰ মহলাত CHO গৰাকী থাকিব পৰাকৈ সুব্যৱস্থা থকাৰ পাছতো চৰকাৰে কেন্দ্ৰটিৰ বাবে এগৰাকী চিকিৎসকক নিযুক্তি দিব নোৱাৰাটো চৰকাৰৰ চৰম ব্যৰ্থতা বুলিব পাৰি। গুৰুত্বপূৰ্ণ কথা এয়ে যে, ২০২৩ বৰ্ষৰ জুন মাহতে চৰকাৰে গুৱাহাটীৰ জয়প্ৰকাশ বৰ্মন নামৰ এগৰাকীক MPW হিচাপে নিযুক্তি দিছিল যদিও ৰূপাইৰ বিষ্ণু নগৰত ১৯৯২ চনৰ পৰাই এগৰাকী আশা কৰ্মীৰ উৰুখা পজাঁতেই চলি অহা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত যোগদান কৰে যদিও যোগদানৰ দুদিনমানৰ পাছতেই গুৱাহাটীলৈ বদলি হৈ গুচি যায়। বছৰ বছৰ ধৰি উৰুখা পঁজাতেই চলি অহা কেন্দ্ৰটি এতিয়াও আশা কৰ্মীগৰাকীৰ ঘৰতেই চলি আহিছে যদিও চিকিৎসকৰ অভাৱত নতুনকৈ নিৰ্মাণ সম্পূৰ্ণ হোৱা স্থানত আজি এটা বছৰে কেন্দ্ৰটি আৰম্ভ কৰিব নোৱাৰা কাৰ্যই ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ ফোঁপোলা স্বৰূপটোক হে উদঙাই দিছে। কেন্দ্ৰটিৰ এনে দুৰ্দশাৰ সন্দৰ্ভত এই প্ৰতিবেদকে কাকতত ফটোসহ সবিস্তাৰে বাতৰি প্ৰকাশ কৰাৰ পিছত যোৱা ২৭ জানুৱাৰীত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ পৰা এক নিৰ্দেশনা জাৰি কৰে। উক্ত নিৰ্দেশনা অনুসৰি, তিনিচুকীয়া জিলাৰ মাইজান আয়ুষ্মান আৰোগ্য মন্দিৰৰ সামূহিক স্বাস্থ্য বিষয়া (CHO) ডাঃ মৃন্ময় চাহুৰে পৰৱৰ্তী নিৰ্দেশনা নহা পৰ্যন্ত সপ্তাহৰ তিনিটা দিন (সোম, বুধ আৰু শুকুৰবাৰ) ত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত চিকিৎসা সেৱা প্ৰদান কৰিব। কিন্তু, পৰিতাপৰ কথা এয়ে যে, চিকিৎসক ডাঃ চাহুৰে উক্ত নিৰ্দেশনাৰ পিছতে এদিন কেন্দ্ৰটোলৈ আহি পৰিদৰ্শন কৰি যোৱাৰ বাহিৰে এদিনো সেৱা নবঢ়োৱাত এতিয়া একপ্ৰকাৰ অনিশ্চয়তাৰ দিশে গতি কৰিছে কেন্দ্ৰটি। এটা মাহ অতিক্ৰম কৰাৰ পাছতো চিকিৎসকগৰাকীয়ে কেন্দ্ৰটিত যোগদান নকৰাত এতিয়া বন্ধ হৈ পৰাৰ উপক্ৰম হৈছে। স্বাস্থ্য বিভাগৰ তৰফৰ পৰা জানিব পৰা মতে, চৰকাৰে ৰাজ্যত নতুন চিকিৎসক নিযুক্তি নিদিয়াৰ পৰ্য্যন্ত ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰত চিকিৎসক উপলব্ধ নহ'ব, যিটো সঁচাই পৰিতাপৰ বিষয়। 'আছে গৰু, নাবাই হাল, হোৱাতকৈ নোহোৱাই ভাল'ৰ দৰে হোৱা তথা এক প্ৰকাৰৰ বগাহাতীত পৰিণত হোৱা ঔগুৰি উপ-স্বাস্থ্যকেন্দ্ৰটিলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মনত পৰিবনে?

# ৰঙিয়াত আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে সম্বৰ্ধনা

**ই-সংবাদ, ৰঙিয়া, ৮ মাৰ্চঃ** আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি কামৰূপ জিলা আৰু ৰঙিয়া মহাবিদ্যালয় এন এছ ইউ আই গোটৰ উদ্যোগত বিভিন্ন ক্ষেত্ৰত কৰ্মৰত কেবাগৰাকী মহিলাক সম্বৰ্ধনা জ্ঞাপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। নাৰী দিৱসৰ লগত ৰূপায়িত এই কাৰ্যসূচীত ৰঙিয়া মহাবিদ্যালয়ৰ মহিলা সুৰক্ষা কৰ্মী, ৰঙিয়া আৰক্ষী থানাৰ বিষয়াৰ লগতে বিভিন্ন প্ৰতিষ্ঠানত নিয়োজিত তথা স্ব-নিয়োজিত হৈ অহা কেবাগৰাকী মহিলাক ফুলাম গামোচা, কলম আদিৰে এন এছ ইউ আইৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। কাৰ্যসূচীত জিলা এন এছ ইউ আইৰ সভাপতি চাকিল আহমেদ ৰঙিয়া মহাবিদ্যালয় এন এছ ইউ আই গোটৰ সভাপতি পৰাগ ডেকাৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## বৰমাত পুনৰ চাইবাৰ অপৰাধৰ ঘটনা

ই-সংবাদ, বৰমা, ৮ মাৰ্চঃ বাক্সাৰ বৰমাত বৃদ্ধি পাইছে চাইবাৰ অপৰাধৰ ঘটনা। এটাৰ পিছত আন এটা ধন প্ৰৱঞ্চনাৰ ঘটনা সংঘটিত হৈছে বৰমাত। বৰমাত এটাৰ এটাৰ পিছত আন এটা চাইবাৰ অপৰাধৰ ঘটনাই ৰাইজক শংকিত কৰি তুলিছে। এইবাৰ মাতৃ বন্দনা হিতাধিকাৰীক লুণ্ঠন চলালে অজ্ঞাত চক্ৰই। মাতৃ বন্দনাৰ ধন পাব লগা আলাগজাৰৰ হিতাধিকাৰীসকলক ফোনযোগে নাম-ঠিকনা সবিশেষ জনাই লুটি লৈ গ'ল ধন। বেংক একাউণ্টৰ পৰা কেইবাজনো ব্যক্তিৰ পৰা এইদৰে লুটিলে হাজাৰ হাজাৰ টকা। হিন্দীভাষী লোকে ফোন কৰি চলালে এই ভয়াৱহ লুণ্ঠনৰ জাল। বাক্সা জিলাৰ বৰমা আৰক্ষী থানাৰ অন্তৰ্গত আলাগজাৰৰ কেইবাটাও পৰিয়ালৰ পৰা চলালে অনলাইন লুণ্ঠন। অৱশেষত বৰমা আৰক্ষী থানাত ভুক্তভোগীয়ে দাখিল কৰিলে এজাহাৰ। আলাগজাৰ গাঁৱৰ কেইবাটাও পৰিয়ালক ফোনযোগে বিচাৰিছিল অ'টিপি, তাৰ পিছতেই একাউণ্টৰ পৰা খালী হৈ গ'ল ধন। বৰমা আৰক্ষীয়ে এই ঘটনাৰ পিছতেই আৰম্ভ কৰিছে তদন্ত।

## তামুলপুৰত বিভিন্ন সংগঠনৰ উদ্যোগত আন্তৰ্জাতিক নাৰী দিৱস পালন

**ই-সংবাদ, তামুলপুৰ, ৮ মাৰ্চঃ** সমগ্ৰ ৰাজ্যৰ লগতে তামুলপুৰতো আজি বিভিন্ন সংগঠনৰ উদ্যোগত অনুষ্ঠিত হৈছে আন্তৰ্জাতিক নাৰী দিৱস। তামুলপুৰ শিশু আৰু মহিলা উন্নয়ন বিভাগৰ উদ্যোগত প্ৰধানমন্ত্ৰীৰ বেটি বচাও বেটি পঢ়াও অভিযানৰ-সংকল্প মহিলা সবলীকৰণ কেন্দ্ৰৰ সহযোগত আজি শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। নাৰী দিৱস উপলক্ষে আজি পুৱা দহ বজাত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বালন কৰে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। সভাত বিধায়ক জলেন দৈমাৰীয়ে কয় যে নাৰীশক্তি মহাশক্তি, ড্ৰাগছ মুক্ত সমাজ গঢ়াত নাৰীসকলে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি মন্তব্য কৰি নাৰীসকলক ঘৰৰ লগতে সমাজৰ হৈ কাম কৰি সমাজখন কিছু পৰিমাণে হ'লেও সংস্কাৰ কৰিবলৈ আহ্বান জনায়। ছায়া বসুমতাৰী আৰু গীতাঞ্জলি তালুকদাৰে আঁত ধৰা সভাত বিটিআৰৰ এম চি এল এ হেমন্ত কুমাৰ ভাৱা, মানসিক ৰোগ বিশেষজ্ঞা নিলঞ্জনা বৰদলৈ, সমল ব্যক্তি জিণ্টি কলিতা, ডাঃ অবিনাশ দাস, তামুলপুৰ জিলাৰ সহকাৰী আয়ুক্ত কবিতা ফাংছো আদিয়ে মহিলা সবলীকৰণৰ লগতে নাৰী দিৱসৰ তাৎপৰ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। জিলা শিশু আৰু মহিলা উন্নয়ন বিষয়া ঈৰানী ঠাকুৰীয়াই আদৰণি ভাষণ ৰখা সভাত তামুলপুৰ জিলা সহকাৰী আয়ুক্ত অনুপম ডেকা, জিলা কাৰ্যসূচী পৰিচালক মৃণাল মেধিৰ লগতে পাঁচ শতাধিক মহিলাই অংশগ্ৰহণ কৰে। ইফালে, তামুলপুৰৰ অন্যতম বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন আশা দৰ্শন ট্ৰাষ্টৰ উদ্যোগতো নিজা কাৰ্যালয় প্ৰাংগণত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। তদুপলক্ষে পুৱা দহ বজাত কস্তুৰবা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি বন্তি প্ৰজ্বালন আৰু পুষ্পাঞ্জলি প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সমাজসেৱী হিৰন্ময়ী দাস বিজু বৰবৰুৱা, ডালিমী মেধি গিনীমা ঠাকুৰীয়া আৰু অনিমা দেৱীয়ে উক্ত কাৰ্যসূচী ৰূপায়ণ কৰে। পিছত মহিলাসকলৰ মাজত ৰছীটনা, সংগীত চকী আৰু টেকেলীভঙা খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰে। খেল প্ৰতিযোগিতাৰ অন্তত আলোচনা চক্ৰ অনুষ্ঠিত কৰি নাৰী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ লগতে সমাজৰ ব্যাধি স্বৰূপ ড্ৰাগছৰ বিৰুদ্ধে এক শপত গ্ৰহণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# আম্বানীক কাৰ্বি আংলঙত ভূমি প্ৰদানক লৈ দল-সংগঠনৰ সৈতে ৰুদ্ধদ্বাৰ বৈঠক তুলিৰামৰ

**ই-সংবাদ, ডিফু, ৮ মাৰ্চঃ** দেশৰ প্ৰখ্যাত উদ্যোগপতি মুকেশ আম্বানিৰ ৰিলায়েঞ্চ কোম্পানীয়ে এডভাণ্টেজ অসম ২.০ত অসমত এটা বায়'গেছ উদ্যোগ স্থাপন কৰাৰ ঘোষণা কৰাৰ পাছত অসমৰ মুখ্যমন্ত্ৰীয়ে এই উদ্যোগ কাৰ্বি আংলং জিলাত স্থাপন কৰা হ'ব বুলি ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰীৰ এই ঘোষণাৰ পাছতেই কাৰ্বি আংলং জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কেইটামান আঞ্চলিক, ৰাষ্ট্ৰীয় ৰাজনৈতিক দল আৰু সচেতন সমাজে ইয়াৰ বিৰোধিতা কৰি কাৰ্বি আংলং জিলাত ভূমি আবণ্টনৰ বিৰোধিতা কৰিছিল। ইয়াৰ পিছতো কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত আজি ডিফুস্থিত আৰব ৰেটাম কাম ক্ৰাফট চেণ্টাৰত সকলো ৰাজনৈতিক দল, জাতীয় সংগঠন আৰু গাঁওবুঢ়াসকলৰ সৈতে এক আলোচনা অনুষ্ঠিত হয়। প্ৰায় ৩ ঘণ্টা ধৰি চলা ৰুদ্ধদ্বাৰ আলোচনাৰ অন্তত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাঙে ৰিলায়েঞ্চ কোম্পানীৰ এই উদ্যোগক আদৰণি জনোৱা বুলি দাবী কৰি পৰিষদে অতিশীঘ্ৰে ভূমি সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। ইয়াৰ বিপৰীতে আঞ্চলিক ৰাজনৈতিক দল এপিএইচএলচি দলৰ মুৰব্বী জে আই কাথাৰে ইয়াৰ তীব্ৰ বিৰোধিতা কৰা বুলি সংবাদমাধ্যমৰ আগত জানিবলৈ দি এই উদ্যোগে জিলাখনৰ নিবনুৱা সংস্থাপন কৰিব নোৱাৰে বুলি কয়। কথাৰে কাৰ্বি আংলঙত জনজাতীয় মানুহে ঝাডু কৰে বুলি উল্লেখ কৰি ঝাৰু খেতিৰ ব্যৱসায়ক বজাৰ দিবলৈ চৰকাৰক চেষ্টা কৰাৰ আহ্বান জনায়। ইপিনে, আলোচনা কালত চিপিআই (এমএল) দলে ইয়াৰ বিৰোধিতা কৰা বুলি জানিব পৰা গৈছে। সচেতন নাগৰিক সমাজৰ প্ৰতিনিধিয়েও সমগ্ৰ প্ৰক্ৰিয়াটো স্পষ্ট নোহোৱাকৈ কোনো পদক্ষেপ গ্ৰহণ নকৰিবলৈ পৰিষদক পৰামৰ্শ আগবঢ়োৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, নেপিয়াৰ ঘাঁহৰ পৰা কমপ্ৰেছড বায়'গেছ উৎপাদন কৰিবলৈ আম্বানিৰ ৰিলায়েঞ্চ কোম্পানীয়ে অসম চৰকাৰৰ সৈতে চুক্তিবদ্ধ হৈছে। এই বায়'গেছৰ বাবে দৰকাৰ হোৱা মূল উপাদান নেপিয়াৰ ঘাঁহ কাৰ্বি আংলং জিলাত উৎপাদনৰ ক্ষেত্ৰত পৰিৱেশ উপযোগী বুলি মুখ্যমন্ত্ৰীয়ে দাবী কৰিছিল। অৱশ্যে, মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে এই উদ্যোগ স্থাপনৰ বাবে ক'ত আৰু কিমান ভূমি আম্বানিক প্ৰদান কৰিব সেই তথ্য প্ৰকাশ নকৰিলে।

# হাজোৰ ৰামদিয়াত শোকাৱহ পথ দুৰ্ঘটনা, নিহত যুৱক

**ই-সংবাদ, হাজো, ৮ মাৰ্চঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামদিয়াত নিশা এক পথ দুৰ্ঘটনাত থিতাতে নিহত হয় এজন যুৱক। জানিব পৰা মতে, ৰামদিয়াৰ মলিদাপাৰাৰ প্ৰয়াত ধীৰেন ডেকাৰ পুত্ৰ নৱজ্যোতি ডেকা(৩৪) অইন দিনাৰ দৰে নিশা নিজ কৰ্তব্যস্থলীৰ পৰা উভতি আহোঁতে ঘৰৰ পৰা কিছু নিলগত দুৰ্ঘটনাত পতিত হয়। নিহত নৱজ্যোতি গুৱাহাটীৰ এটা ফাইনেঞ্চ কাৰ্যালয়ত কৰ্মৰত আছিল। নিশা প্ৰায় দহ মান বজাত গুৱাহাটীৰ কৰ্মস্থলীৰ পৰা উভতি অহা নৱজ্যোতি ঘৰ পাবলৈ কিছু বাকী থাকোঁতে এজন চাইকেল



আৰোহীক বচাবলৈ গৈ নিজৰ দুচকীয়া মটৰ

চাইকেলেৰে বিদ্যুতৰ খুঁটাত প্ৰচণ্ড জোৰে খুন্দা মাৰে। লগে লগে স্থানীয় ৰাইজে দুৰ্ঘটনাগ্ৰস্তনৱজ্যোতিক উদ্ধাৰ কৰি হাজোস্থিত বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে নৱজ্যোতিক। ইফালেসু-অভিনেতা, সৰবৰহী যুৱক নৱজ্যোতিৰ অকাল মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে ৰামদিয়াৰ লগতে হাজো অঞ্চলত শোকৰ ছাঁ পৰে। উল্লেখ্য যে আজি মৃত নৱজ্যোতিৰ জন্মদিন আছিল যদিও নিজৰ জন্মদিনৰ দিনটোতেই অকাল মৃত্যুক সাবটি লোৱাত পৰিয়াল তথা আত্মীয় স্বজন শোকত ম্ৰিয়মান হৈ পৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ডুমডুমাত চাহ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি আৰু টিকাকৰণ সম্পৰ্কীয় কৰ্মশালা সম্পন্ন




**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৮ মাৰ্চঃ** অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আৰু গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাৰ অধ্যক্ষতাত আজি ডুমডুমাৰ 'হোটেল গ্ৰেণ্ড ইন' ত চাহ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি আৰু টিকাকৰণ সম্পৰ্কীয় এক কৰ্মশালা অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা স্বাস্থ্য সমিতিয়ে আয়োজন কৰা কৰ্মশালাৰ মূল উদ্দেশ্য আছিল আশা কৰ্মী আৰু আশাৰ তত্বাৱধায়কসকলক চাহ বাগিচাৰ মজুৰি ক্ষতিপূৰণ আঁচনি আৰু নিয়মীয়া প্ৰতিষেধক কাৰ্যসূচীৰ বিষয়ে অৱগত কৰা। কৰ্মশালাখনিত জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ জয়ন্ত ভট্টাচাৰ্য, তিনিচুকীয়াৰ সহঃ আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ মনজিৎ দলে, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ পলাশ সোণোৱালে  অংশগ্ৰহণ কৰে। কৰ্মশালাত মন্ত্ৰী ৰূপেশ গোৱালাই আশা কৰ্মী আৰু আশা তত্বাৱধায়ক হিচাপে ফ্ৰন্ট লাইন স্বাস্থ্যকৰ্মীসকলক আহ্বান জনাই কয় যে, যিহেতু মজুৰি ক্ষতিপূৰণ আঁচনিখন এখন জনমুখী আঁচনি আৰু মূলতঃ চাহ বাগিচাৰ গৰ্ভৱতী মহিলাৰ সুবিধাৰ্থে গ্ৰহণ কৰা হৈছে, সেয়েহে সকলোৱে এই আঁচনিখন সফল ৰূপায়ণৰ বাবে অতিৰিক্ত প্ৰচেষ্টা চলাব লাগিব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এই আঁচনিৰ অধীনত চাহ বাগিচা অঞ্চলৰ প্ৰতিগৰাকী গৰ্ভৱতী মহিলাক ৪ টা কিস্তিত ১৫,০০০ টকাৰ নগদ সুবিধা প্ৰদান কৰা হ'য়, যাতে তেওঁ নিজৰ লগতে গৰ্ভস্থ সন্তানক ভালদৰে চোৱা-চিতা কৰিব পাৰে আৰু পৰিয়ালৰ জীৱিকাৰ লগত আপোচ নকৰাকৈয়ে নিজৰ লগতে গৰ্ভত থকা শিশুটিক ভালদৰে চোৱাচিতা কৰিব পাৰে। “চাহ বাগিচাৰ গৰ্ভৱতী মহিলাক এই আঁচনিৰ সুবিধা দিয়াটো আমাৰ দায়িত্ব। এই আঁচনিখনৰ সুবিধা লাভ কৰিবলৈ বাবে স্থায়ী, অস্থায়ী শ্ৰমিক বা অশ্ৰমিক সকলো যোগ্য। অৱশ্যে অসম চৰকাৰৰ দুটা শিশু নীতি এই ক্ষেত্ৰত প্ৰযোজ্য হ'ব” বুলি ডঃ জয়ন্ত ভট্টাচাৰ্যই কয়। ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ জিলা প্ৰগ্ৰেম মেনেজাৰ নুৰ ইছলাম হকে পৰিসীমাত মজুৰি ক্ষতিপূৰণ আঁচনি ৰূপায়ণত সুচাৰুৰূপে কাম কৰাৰ বাবে ফ্ৰন্ট লাইন কৰ্মীসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে সভাত অৱগত কৰে। বিভিন্ন বিভাগৰ অধীনত চিনাক্তকৃত চাহ বাগিচাসমূহৰ উন্নীতকৰণৰ বাবে সমগ্ৰ ৰাজ্যৰ ২০খন চাহ বাগিচাৰ দায়িত্ব ৰাজ্যৰ বিভিন্ন মন্ত্ৰীয়ে গ্ৰহণ কৰিব বুলি মন্ত্ৰী গোৱালাই সভাত জানিবলৈ দিয়ে।

# আকাশবাণী ডিব্ৰুগড়ত আন্তৰ্জাতিক নাৰী দিৱস বিশেষ

**ই-সংবাদ, ডিব্ৰুগড়, ৮ মাৰ্চঃ** আকাশবাণী ডিব্ৰুগড়ে আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি 'নাৰী অধিকাৰ আৰু সবলীকৰণ' সম্পৰ্কত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰে। পুৱা ৭.৩০ বজাৰ পৰা নিশা ১০ বজালৈকে প্ৰচাৰ হোৱা জনপ্ৰিয় অনুষ্ঠান- আজিৰ দিনটো, অন্তৰা, পাশ্চাত্য সংগীতৰ অনুষ্ঠান, কৃষক ৰাইজৰ অনুষ্ঠান, ইংৰাজী কথিকাৰ অনুষ্ঠান, নাটক আদি অনুষ্ঠানত মহিলাৰ বিভিন্ন বিষয় আলোচনা কৰা হয়। দেশৰ একেবাৰে পূব প্ৰান্তৰ অত্যাধুনিক তথা আটাইতকৈ শক্তিশালী কেন্দ্ৰ আকাশবাণী ডিব্ৰুগড়ে আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি যোৱা ৬ মাৰ্চত মৰাণ চাহ বাগিচাৰ সহযোগত খটখটিত বৰ্ণাঢ্য কাৰ্যসূচীৰে এক বিশেষ অনুষ্ঠান আয়োজন কৰে। দিনৰ এঘাৰ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত উপস্থিত সকলোকে নাৰী দিৱস উদযাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে আকাশবাণী ডিব্ৰুগড়ৰ অনুষ্ঠান সমন্বয়ক ইন্দিৰা মৰাঙে। অনুষ্ঠান উদ্বোধন কৰি দিয়া ভাষণত চাহ বাগিচা অঞ্চলত নাৰীৰ বিভিন্ন সমস্যা, এইবিলাকৰ কাৰণসমূহ ফঁহিয়াই আকাশবাণী আৰু দূৰদৰ্শন ডিব্ৰুগড় কেন্দ্ৰৰ অনুষ্ঠান মুৰব্বী, বিশিষ্ট লেখক লোহিত ডেকাই সমসাময়িক বহু বিষয় সামৰি নাৰী সমাজক নিজৰ অধিকাৰ সম্পৰ্কে সজাগ কৰিবলৈ চেষ্টা কৰে। এই অনুষ্ঠানত উপস্থিত থাকে মৰাণ চাহ বাগিচাৰ জ্যেষ্ঠ সহকাৰী পৰিচালক ৰমণী ডেকা, বাগিচাখনৰ কাৰ্যবাহী বিষয়া মণ্টু বাঢ়ৈ, পথালিবাম চাহ বাগিচাৰ সহকাৰী পৰিচালক ৰাজ বাঘ আদি কেবাগৰাকীও বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন অতি মননশীল কৰ্মশালাও অনুষ্ঠিত হয়। কৰ্মশালাখনিত নাৰীৰ স্বাস্থ্য, শিক্ষা, অন্ধবিশ্বাস দূৰীকৰণ আৰু মানৱ অধিকাৰ সম্পৰ্কে ভাষণ দি পাঁচগৰাকী সমল ব্যক্তিয়ে বাগিচাৰ নাৰীসকলক সজাগ কৰিবলৈ চেষ্টা কৰে। সেই বিষয় কেইটি আছিলঃ অসমত নাৰী শিক্ষা: সপোন আৰু বাস্তৱ, মানৱ অধিকাৰ আৰু লিংগ সমতা ৰক্ষাৰ বাবে নাৰী শিক্ষাৰ গুৰুত্ব, কৈশোৰ আৰু স্বাস্থ্য সজাগতা, গৰ্ভৱতী আৰু প্ৰসূতি মাতৃৰ যতন আৰু অন্ধবিশ্বাস আৰু সমাজত ইয়াৰ কুপ্ৰভাৱ। সমল ব্যক্তি ৰূপে উপস্থিত থাকে এএম চিৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ৰীনা আহমেদ, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ৰ অধ্যাপক ড০ কাকলি ভূঞা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ শ্ৰুতিধাৰা মহন্ত আৰু ড০ অমৃতা প্ৰীতম গগৈ আৰু ডিব্ৰুগড়ৰ বিশিষ্ট চিকিৎসক ডাঃ দীপক তাছা। অনুষ্ঠানত বাগিচাৰ নাৰীসকলে সমল ব্যক্তিসকলৰ লগত অন্তৰংগ আলাপত মিলিত হৈ নিজৰ সমস্যা বিলাকৰ সমাধান সূত্ৰ বিচাৰে। এই অনুষ্ঠানটিৰ বাণীবদ্ধ ৰূপ ৮-৩-২০২৫ দিনৰ ১১ বজাত প্ৰচাৰ কৰা হয়। অনুষ্ঠানত মৰাণ চাহ বাগিচাৰ অতি উদ্যমী মহিলা গোটক আকাশবাণী ডিব্ৰুগড়ে সম্বৰ্ধনা জনোৱাৰ লগতে এটি ৰেডিঅ' উপহাৰ দিয়ে।অসম আৰক্ষী। যাৰ ফলত সোণাৰিৰ গাড়ী মালিকৰ পৰা ভাড়ালৈ নিয়াৰ পাছত অৰুণাচল প্ৰদেশৰ বিভিন্ন প্ৰান্তত এনেদৰে বিক্ৰী কৰা গাড়ীসমূহ উদ্ধাৰ কৰাৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে ৰাজ্যৰ আৰক্ষী অধীক্ষকক।




মহিলা সবলীকৰণক লৈ কৰ্মশালা, মৰাণ চাহ বাগিচাত

# কোচ ৰাজপ্ৰাসাদত ভিডিঅ' প্ৰস্তুত কৰি বিতৰ্কত যুৱক, কোচবিহাৰত এজাহাৰ

**ই-সংবাদ, গোলকগঞ্জ, ৮ মাৰ্চঃ** চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ কোচবিহাৰৰ ঐতিহাসিক কোচ সাম্ৰাজ্যৰ ৰাজপ্ৰাসাদত এটা বিতৰ্কিত ভিডিঅ' বনোৱাক কেন্দ্ৰ কৰি ৰাজবংশী দল-সংগঠনৰ লগতে ৰাজ পৰিয়ালৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, 'একচন ষ্টাৰ টীম' নামৰ তিনিজনীয়া এটা মিঞা যুৱকৰ দলে ৰাজপ্ৰাসাদৰ সন্মুখত থিয় হৈ ঐতিহ্যপূৰ্ণ ৰাজপ্ৰাসাদৰ প্ৰসাদ আৰু মহাৰাজা সন্দৰ্ভত অশ্ৰাব্য ভাষাত বিভিন্ন বিতৰ্কিত বাক্যৰে সোতৰ ছেকেণ্ডৰ এটা ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমত প্ৰচাৰ কৰে। উক্ত ভিডিঅ' প্ৰচাৰ হোৱাৰ পিছতে ক্ষোভত ফাটি পৰে কোচঁ ৰাজবংশী বিভিন্ন দল-সংগঠন। আজিকমতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ ধুবুৰী জিলা সম্পাদক নিখিল ৰায়ে এই সন্দৰ্ভত গোলকগঞ্জ থানাত এখন এজাহাৰ দাখিল কৰে। তেওঁ কয় যে ১৮৮৭ চনত মহাৰাজা নৃপেন্দ্ৰ নাৰায়ণে নিৰ্মাণকৰা কোচবিহাৰৰ ৰাজবাৰী কমতাপুৰ ৰাজ্যৰ ইতিহাস কমতাপুৰবাসী কোচৰাজবংশীৰ বাবে গৌৰৱ। এনে এটা জাতি-জনগোষ্ঠীৰ আৱেগক লৈ খেলা কৰা দুষ্ট চক্ৰটোৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে অসম আৰক্ষীক নিখিল ৰায়ে দাবী জনায়। ইতিমধ্যে কোচবিহাৰ ৰয়েল ফেমিলি ছাকছেছৰ্ছ ওৱেলফেয়াৰ ট্ৰাষ্টৰ সম্পাদক ব্ৰিজেন্দ্ৰ নাৰায়ণে কোচবিহাৰ থানাত এজাহাৰ দাখিল কৰে।

# কাকপথাৰত পগলা কুকুৰৰ সন্ত্ৰাস

**ই-সংবাদ, কাকপথাৰ, ৮ মাৰ্চঃ** তিনিচুকীয়া জিলাৰ কাকপথৰাত এটা পগলা কুকুৰে সন্ত্ৰাস সৃষ্টি কৰিছে। জানিব পৰা মতে, কাকপথাৰৰ সমীপৰ খেৰজান, লাজুম, ওপৰ ওৱন, কাঠবস্তি ইত্যাদি অঞ্চলত যোৱা দুটা দিনত পগলা কুকুৰে কামুৰি ১৩ গৰাকী লোকক আহত কৰিছে। কুকুৰটো মাৰিবলৈ ৰাইজে চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সফল হোৱা নাই। সম্প্ৰতি বিদ্যালয়সমূহৰ পৰীক্ষা চলি থকাৰ বাবে অভিভাৱক সকল পগলা কুকুৰক লৈ শংকিত হৈ পৰাৰ লগতে পথাচাৰীসকলেও আতংকিত হৈ ঘূৰা-ফুৰা কৰিবলৈ বাধ্য হৈছে। আনহাতে, কাকপথাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত প্ৰয়োজনীয় ভেকচিন নথকাত কুকুৰে কামোৰা লোকসকল বিপদত পৰা বুলি জানিব পৰা গৈছে।

# বৰমাৰ খাৰুৱাত আন্তৰ্জাতিক নাৰী দিৱস পালন



**ই-সংবাদ, বৰমা, ৮ মাৰ্চঃ** সমগ্ৰ বিশ্বতে ৮ মাৰ্চত পালন কৰা হয় আন্তৰ্জাতিক নাৰী দিৱস। অসমৰ লগতে বিটিআৰতো পালন কৰা হয় নাৰী দিৱস। বিভিন্ন প্ৰান্তে লগতে আজি বাক্সা জিলাৰ বৰমাৰ খাৰুৱাতো Integrated textile Parkত অনুষ্ঠিত হয় আন্তৰ্জাতিক নাৰী দিৱসৰ কাৰ্যসূচী। বাক্সাৰ বৰমাৰ খাৰুৱাত দিনজোৱা কাৰ্যসূচীৰে পালন কৰা অন্তৰ্জাতিক নাৰী দিৱস। প্ৰতিদিনে দুই শতাধিক মহিলাই তাতশালৰ জৰিয়তে এই Integrated textile parkত স্বাৱলম্বীতাৰ নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। আন্তঃজাতিক নাৰী দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে বিটিচি চৰকাৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, হস্ততাত বস্ত্ৰ শিল্পৰ EM ধনঞ্জয় বসুমতাৰীৰ লগতে বিভাগৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীৰ লগতে বয়ন শিল্পৰ লগত জড়িত দুই শতাধিক মহিলা। মহিলাসকলৰ কাৰণে অসম চৰকাৰে আৰু বিটিআৰ চৰকাৰে ভালে পদক্ষেপ গ্ৰহণ কৰিছে। অনাগত দিনত এনেদৰে কাম কৰি যাব বুলি মন্তব্য কৰে EM ধনঞ্জয় বসুমতাৰীয়ে। দিনজোৱা কাৰ্যসূচীৰে পালন কৰা নাৰী দিৱসৰ লগত সংগতি ৰাখি বিটিআৰৰ উদ্যোমী মহিলাক জনোৱা হয় সম্বৰ্ধনা।

# কিঞ্চিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য সামাজিক-সাংস্কৃতিক গোষ্ঠী'ৰ দশম বাৰ্ষিক অধিৱেশন সম্পন্ন

**ই-সংবাদ, কলগাছিয়া, ৮ মাৰ্চঃ** কিঞ্চিত আন্তঃৰাষ্ট্ৰীয় সাহিত্য-সামাজিক-সাংস্কৃতিক গোষ্ঠীৰ দশম দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন শনিবাৰে গুৱাহাটীৰ পাণ্ডু, বৰিপাৰা হিতেশ্বৰ শইকীয়া অ'ডিটৰিয়াম হলত অনুষ্ঠিত হৈ যায়। কিঞ্চিতৰ মুখ্য সম্পাদক তথা প্ৰধান সেৱক ডাঃ মানিকলাল ভৌমিকৰ প্ৰচেষ্টাত ৮ মাৰ্চ, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় কিঞ্চিতৰ 'দশম দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন'। অনুষ্ঠানটোত সমাজৰ বিশিষ্ট ব্যক্তি তথা সাহিত্য চৰ্চা, সমাজসেৱা, সাংস্কৃতিক কৰ্মী, সংবাদকৰ্মীকে আদি কৰি সমাজৰ বিভিন্ন দিশত বিশেষভাৱে অৱদান আগবঢ়োৱা মুঠ পোন্ধৰগৰাকী ব্যক্তিক ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। তাৰ মাজত কলগাছিয়াৰ বিশিষ্ট সমাজ সেৱক প্ৰবীণ সাংবাদিক তথা লেখক মৌলানা আব্দুল হামিদক গামোচা, সম্বৰ্ধনা পত্ৰ, মোমেন্টো আদিৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ফলত বৃহত্তৰ কলগাছিয়াবাসী ৰাইজ উৎফুল্লিত হৈ পৰে। লগতে কিঞ্চিত গোষ্ঠীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত বিশিষ্ট তিনিগৰাকী ব্যক্তিলৈ বিশেষ বঁটা আগবঢ়োৱা হয়। বিশিষ্ট বাঁহীবাদক তথা ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত ড০ দীপক শৰ্মাক জীৱনজোৱা সাংস্কৃতিক পুঁজাৰী বঁটা, বিশিষ্ট সমাজ সেৱিকা ব্ৰহ্মাকুমাৰী জোনালীক জীৱনজোৱা সমাজ সেৱক বঁটা, সাহিত্য চৰ্চাৰে সমাজ সংস্কাৰত ব্ৰতী ড০ ইন্দু প্ৰভা দেৱীক জীৱনজোৱা সাহিত্য সাধক বঁটা প্ৰদান কৰে কিঞ্চিত গোষ্ঠীয়ে। ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা ব্যক্তিসকল হ'ল ক্ৰমে- মনীষা শৰ্মা, অজয় মালাকাৰ, ৰেখাৰাণী বৰ্মন, মৌলানা আব্দুল হামিদ, বিনন্দ নাথ শীল, মুকুট ৰাজ শৰ্মা, জ্যোতিশ চন্দ্ৰ শৰ্মা, শেখৰ মজুমদাৰ, মুকুল দাস, কিশোৰ কুমাৰ দাস, মোঃ নুৰ হোছেইন, কাঞ্চন দাস, অঞ্জনা দাস আৰু স্বপ্না দাস আদি। অনুষ্ঠানটোত মুখ্য সম্পাদক ডাঃ মানিকলাল ভৌমিকৰ সম্পাদনাত অসমীয়া, বাংলা, ইংৰাজী, হিন্দী, বড়ো, মণিপুৰী আদি সাতটা ভাষাৰ প্ৰবন্ধ সম্ভাৰেৰে সন্নিৱিষ্ট প্ৰায় সাতশ পৃষ্ঠাৰ 'কিঞ্চিত-২০২৫, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা' বিশেষ সংখ্যা উন্মোচন কৰে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। উক্ত অনুষ্ঠানটোত অতিথি হিচাপে উপস্থিত থাকে ড০ সূৰ্য কান্ত হাজৰিকা, প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা, ড০ সুৰথ নাৰ্জাৰী, সভাপতি, বড়ো সাহিত্য সভা, খগেন চন্দ্ৰ দাস সভাপতি, বাংলা সাহিত্য সভা, ড০ চিন্তামণি শৰ্মা, সভাপতি, নেপালী সাহিত্য সভা, ড০ অমলেন্দু চক্ৰৱৰ্তী, অৱসৰপ্ৰাপ্ত উপাচাৰ্য, ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়, হোজাই, ড০ ভুৱনেশ্বৰ শৰ্মা, পক্ষীবিদ, সভাপতি, অসম প্ৰাকৃতিক কবি সন্মিলন, ড০ মংগল সিং হাজোৱাৰী, পদ্মশ্ৰী, সাহিত্য একাদেমী বঁটা প্ৰাপক, ড০ নীলমোহন ৰয়, অৱসৰপ্ৰাপ্ত প্ৰৱক্তা, সাহিত্যিক পেঞ্চনাৰ আদি বিশিষ্ট ব্যক্তিসকল। ইয়াৰ উপৰি অসমৰ বিভিন্ন প্ৰান্তৰ ১৪ টা শাখাৰ সভাপতি-সম্পাদকসকলৰ লগতে কলগাছিয়া শাখাৰ সভাপতি ড০ ইফতিকাৰ আলী আহমেদ আৰু সম্পাদক জাহিদুল ইছলাম উপস্থিত থাকে।

# নাৰী দিৱসৰ দিনাই মুকালমুৱাত উপেক্ষিত মহিলা

**ই-সংবাদ, মুকালমুৱা, ৮ মাৰ্চঃ** আজি আন্তৰ্জাতিক নাৰী দিৱস। আজিৰ দিনটোত সমগ্ৰ দেশতে পালন কৰা হয় নাৰী দিৱস। যি সময়ত নলবাৰী জিলাৰ প্ৰায়বোৰ বিভাগ নাৰীৰ দ্বাৰা পৰিচালিত হৈ আছে সেই সময়ত নাৰী দিৱসৰ দিনাই নাৰীসকলক বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে। নলবাৰী জিলাৰ মুকালমুৱাৰ চতেমাৰীৰ এখন ব্যতিক্ৰমী গাঁও। নাৰীৰ উপাৰ্জনক মূল আহিলা হিচাপে লৈ চলি আছে চতেমাৰীৰ মথাউৰি চুপাৰ গাঁৱখন। নিজৰ উপাৰ্জনৰে ক্ৰয় কৰা একমাত্ৰ তাঁতশালখনক জীৱিকাৰ আহিলা হিচাপে লৈ গাঁওখনৰ মহিলাসকলে জীৱন নিৰ্বাহ কৰি আহিছে। তাঁতশালত মুগা, পলিষ্টাৰ, গামোচাৰ লগতে বিভিন্ন পাট-মুগাৰ বস্ত্ৰ বোৱাই বিক্ৰী কৰি যি উপাৰ্জন হয় সেইখিনি দি নিজৰ পৰিয়াটোক পোহ-পাল দি অহাৰ লগতে নিজৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰি আহিছে। কিন্তু নিজৰ শ্ৰমদান হিচাপে উচিত মূল্য নাপায় এইসকল নাৰীয়ে। বিক্ৰীৰ বাবে উপযুক্ত বজাৰ নাপায় এইসকল নাৰীয়ে। বছৰ বছৰ ধৰি তাঁতশালখনক সাৰথি কৰি এইদৰে জীৱন নিৰ্বাহ কৰি আহিছে গাঁওখনৰ মহিলাসকলে। নাৰী দিৱসৰ দিনা ঢাক-ঢোল বজাই নাৰীক সন্মান দিলেও চতেমাৰী গাঁৱৰ এইসকল নাৰী যে এতিয়া নিজৰ অধিকাৰৰ পৰা বঞ্চিত তাকে যেন প্ৰমাণ কৰে। চৰকাৰী সকলো সুবিধাৰ পৰা বঞ্চিত এই গাঁৱখনৰ নাৰীসকলে নাৰী দিৱসৰ দিনাই ক্ষোভ উজাৰি চৰকাৰক সহায়ৰ আহ্বান জনাইছে। বানপানীৰ সময়ত এইসকল নাৰীৰ দুখ-দুৰ্দশাই কোলাই-পাচিয়ে নধৰা হৈ পৰে।ভিতৰত পানী সোমোৱাৰ ফলত নিজৰ একমাত্ৰ উপাৰ্জনৰ পথ বন্ধ হৈ পৰে

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# পথত নামিলেই জব্দ হ’ব নথি-পত্ৰ সঠিক নথকা বাহন

# পৰিবহণৰ জনসেৱা কাৰ্যসূচীত ধৰা পৰিছে বিভিন্ন শ্ৰেণীৰ বাহনৰ নথি-পত্ৰৰ বিসংগতি

**ই-সংবাদ, গুৱাহাটী, ৮ মাৰ্চঃ** যান-বাহনৰ নথি-পত্ৰ সঠিক হৈ নথকা কোনো বাহনেই যাতে সুৰক্ষিত যাতায়াত তথা পথ-সুৰক্ষাত ব্যাঘাত জন্মাব নোৱাৰে তাক লৈ অধিক সতৰ্ক হৈছে পৰিবহণ বিভাগ। ইয়াৰ বাবে ৰাজ্যৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া গৌতম দাসৰ তত্ত্বাৱধানত বিভাগৰ বিশেষ সহায়কাৰী দলে প্ৰতিটো খোলা দিনতে মহানগৰ জিলাখনৰ প্ৰায়বোৰ গুৰুত্বপূৰ্ণ স্থানত বাহনৰ গৰাকীৰ ঘৰ, প্ৰতিষ্ঠানত উপস্থিত হৈ বাহনৰ নথি-পত্ৰ বিষয়ক বিভিন্ন ওজৰ-আপত্তিৰ থিতাতে সমাধান কৰিছে। তৎস্বত্বেও কিন্তু পৰিবহণ বিভাগৰ জনসেৱা কাৰ্যসূচীত ধৰা পৰিছে যে যথেষ্টসংখ্যক বাহনৰ গৰাকী, প্ৰতিষ্ঠানে এতিয়াও বাহনৰ নথি-পত্ৰসমূহ সঠিক কৰি লোৱা নাই। নথি-পত্ৰ সঠিক কৰিব পৰাকৈ এনেবোৰ বাহনৰ গৰাকী, প্ৰতিষ্ঠানে আনকি যান-বাহনৰ যাৱতীয় কৰ-কাটলসমূহো সময়মতে আদায় দিয়া নাই। ফলত এনেবোৰ বাহনৰগৰাকীয়ে সুৰক্ষিত যাতায়াত তথা পথ-সুৰক্ষাৰ প্ৰতি প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। যাৰ বাবে আশংকা কৰিব পাৰি যে কোনো গুৰুত্বপূৰ্ণ দুৰ্ঘটনাত পতিত হ’ব লগা হ’লেও এতিয়া বহু বাহনেই চৰকাৰ অথবা বীমা কোম্পানীৰ পৰা কোনোধৰণৰ ক্ষতিপূৰণ নাপাব। কিয়নো সময়মতে যান-বাহন কৰ পৰিশোধ নকৰিলে কোনো বাহনৰেই নথি-পত্ৰসমূহ সঠিক হৈ নাথাকে আৰু সঠিক নথি-পত্ৰ নথকা বাহন গুৰুতৰ দুৰ্ঘটনাত পতিত হ’লেও বীমা কোম্পানীৰ পৰা ক্ষতিপূৰণ নাপাব। যাৰ ফলত সমাজৰো বিস্তৰ ক্ষতিসাধন হ’ব। ইয়াৰ বিপৰীতে লাভৱান হ’ব বৃহৎ বীমা কোম্পানীসমূহ। সেয়ে ৰাজ্যৰ ৰাজপথত সুৰক্ষিত যাতায়াত অব্যাহত ৰখাৰ স্বাৰ্থত যাৱতীয় সকলো কৰকাটল আদায় দি নথি-পত্ৰসমূহ সঠিক কৰি নোলোৱা বাহনৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈকো সাজু হৈ পৰিবহণ বিভাগ। সকলো শ্ৰেণীৰ বাহনৰ গৰাকী, প্ৰতিষ্ঠানক সুৰক্ষিত যাতায়াতৰ দায়িত্বশীল অংশীদাৰ কৰি লোৱাৰ লক্ষ্যৰেই যোৱা সময়ছোৱাত পৰিবহণ বিভাগে জালুকবাৰীৰ পৰা সোণাপুৰলৈ, পাণবজাৰৰ পৰা চন্দ্ৰপুৰলৈকে হাজাৰোধিক ব্যক্তিগত, বিলাসী বাহনৰ গৰাকী, বিভিন্ন নিৰ্মাণ আৰু বহুজাতিক উদ্যোগ-প্ৰতিষ্ঠানৰ দুৱাৰে দুৱাৰে উপস্থিত হৈ সকলো শ্ৰেণীৰ বাহনৰ গৰাকীকে বাহনৰ নথি-পত্ৰসমূহ সঠিক কৰি লৈ নিজৰ মৰমৰ বাহনখনক এখন বৈধ বাহন কৰি ৰাখিবলৈ আহ্বান জনাই আহিছে। লগতে আগন্তুক ৩১ মাৰ্চৰ আগতে যান-বাহনৰ বকেয়াসহ যাৱতীয় সকলো কৰ আদায় দিবলৈ পৰিবহণৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে বিনম্ৰতাৰে আহ্বান জনাইছে।

# ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে কামৰূপ জিলাত ৰাজনৈতিক দলৰে সভা জিলা নিৰ্বাচনী বিষয়াৰ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৮ মাৰ্চঃ** অসম ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে জাৰি কৰা নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি কামৰূপ জিলাৰ জিলা নিৰ্বাচনী বিষয়াই কামৰূপ জিলাত নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। উল্লেখ্য যে কামৰূপ জিলাৰ অন্তৰ্গত ১৬ টা ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ অন্তৰ্গত পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ’ব। এই ১৬ টা সমষ্টিৰ ভিতৰত ২১ নং জাৰিহাট, ২২ নং বোন্দাপাৰা, ২৩ নং খলিহাকোঠ, ২৫ নং হাঁহিম, ২৯ নং দক্ষিণ বনগাঁও, ৩১ নং গোৱৰ্দ্ধন, ৩২ নং পাণ্টান, ৩৩ নং কুলছি, ৩৪ নং চানডুবী আৰু ৩৫ নং শিলপোতা পৰিষদীয় সমষ্টি অনুসূচীত জনজাতিৰ কাৰণে সংৰক্ষিত, ২৪ নং লুকী পৰিষদীয় সমষ্টি অনুসূচীত জনজাতি (মহিলা)ৰ কাৰণে সংৰক্ষিত। বাকী থকা সমষ্টিৰ ভিতৰত ২৬ নং জোংগাখুলি, ২৭ নং বকো, ২৮ নং উত্তৰ বনগাঁও আৰু ৩০ নং বামুনিগাঁও পৰিষদীয় সমষ্টি কেইটা অ-সংৰক্ষিত আৰু ৩৬ নং ৰাণী পৰিষদীয় সমষ্টি মহিলাৰ বাবে সংৰক্ষিত। এই নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৫ মাৰ্চ(পুৱা ১১ বজাৰ পৰা বিয়লি ৩ বজালৈ), মনোনয়ন পত্ৰ পৰীক্ষাৰ তাৰিখ ১৭ মাৰ্চ(পুৱা ১১ বজা), মনোনয়ন পত্ৰ পৰীক্ষাৰ পিছত বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশৰ তাৰিখ ১৭ মাৰ্চ নিৰ্ধাৰিত কৰা হৈছে। প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ বাবে ১৯ মাৰ্চৰ বিয়লি ৩ বজালৈকে সময় নিৰ্ধাৰণ কৰা হৈছে আৰু একেদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ’ব। ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোট গ্ৰহণৰ বাবে দিন ধাৰ্য কৰা হৈছে আৰু কোনো কাৰণত যদি পুনৰ ভোট গ্ৰহণ কৰিবলগীয়া হয় তেন্তে ৩ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ পুনৰ ভোট গ্ৰহণ অনুষ্ঠিত হ’ব। ভোট গ্ৰহণৰ অন্তত ৪ এপ্ৰিলৰ পুৱা ৮ বজাৰ পৰা ভোট গণনা আৰম্ভ হ’ব আৰু ভোট গণনা প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ৪ এপ্ৰিলতে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ’ব। নিৰ্বাচনী অধিসূচনাৰ লগে লগে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত নিৰ্বাচনী আচৰণ বিধি প্ৰযোজ্য হৈছে। নিৰ্বাচনী অধিসূচনা জাৰি হোৱাৰ পিছত কালি কামৰূপৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰে এক সভাত মিলিত হয়। সভাত ৰাজনৈতিক দলৰ প্ৰতিনিধি সকলক ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন দিশ যেনে নিৰ্বাচনী আচৰণ বিধি, মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া, প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সীমা আদি সম্পৰ্কে অৱগত কৰা হয়। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, কমল বৰুৱা, সুজাতা গগৈ, কামৰূপ জিলাৰ নিৰ্বাচনী বিষয়া ডঃ ভূপালী কাশ্যপৰ লগতে সহকাৰী ৰিটাৰ্ণিং নিৰ্বাচনী বিষয়াসকল আৰু ছেক্টৰ বিষয়াসকল উপস্থিত থাকে।

# কাইলৈৰ পৰা তামুলপুৰৰ কচুবাৰীৰ শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ ৫২৫ বৰ্ষীয় গৰখীয়া সবাহ মহোৎসৱ

**ই-সংবাদ, তামুলপুৰ, ৮ মাৰ্চঃ** তামুলপুৰ জিলাৰ কচুবাৰীত প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ ভৰপূৰ সমন্বয়ৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰৰ ৫২৫ বৰ্ষীয় গৰখীয়া সবাহ মহোৎসৱৰ আয়োজন কৰা হৈছে। উল্লেখ্য যে পূৰ্বৰ পৰম্পৰা অনুসৰি গৰখীয়া সবাহ মহোৎসৱ দৌল পূৰ্ণিমাৰ শুক্লা দশমীৰ তিথিৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। এইবাৰো অহা ৯ মাৰ্চৰ পৰা পাঁচদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে অতি জাক-জমকতাৰে আৰম্ভ হ’ব এই মহোৎসৱ। বিগত বহু বছৰ ধৰি চলি অহা এই গৰখীয়া সবাহখনে সম্প্ৰতি আৰু অধিক জনপ্ৰিয় হৈ উঠিছে তথা অসমৰ অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ লোক আহি সভাখন আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তোলে। এইবাৰ ৫২৫ বৰ্ষীয় গৰখীয়া সবাহ মহোৎসৱত জাতি-বৰ্ণ-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগ তথা উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।ভোট গণনা প্ৰক্ৰিয়া সমাপ্ত হোৱাৰ পিছত ৪ এপ্ৰিলতে নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ’ব। নিৰ্বাচনী অধিসূচনাৰ

# বৰদোৱাত শ্ৰীশ্ৰী কৃষ্ণৰ দৌলযাত্ৰা মহোৎসৱৰ যুদ্ধকালীন তৎপৰতাৰে প্ৰস্তুতি

**ই-সংবাদ, বেবেজীয়া, ৮ মাৰ্চঃ** ঋতুৰাজ বসন্তৰ আগমন ঘটাৰ লগে লগে প্ৰকৃতিয়ে নতুন ৰূপ ধাৰণ কৰে। বসন্ত উৎসৱৰ বতৰ। সেয়ে অতীজৰেপৰা এই বসন্ত ঋতুতে ভাৰতীয় হিন্দু সমাজে বিভিন্ন উৎসৱ পালন কৰি আহিছে। বসন্ত কালত পালন কৰা তেনে উৎসৱসমূহৰ ভিতৰত দৌলযাত্ৰা উৎসৱ অন্যতম। জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে বটদ্ৰৱাত পোনপ্ৰথমবাৰৰ বাবে দৌলযাত্ৰা উৎসৱ পাতিছিল। জানিব পৰা মতে, গুৰুজনাই ২১ বছৰ বয়সত তেৰাৰ জন্মস্থান পবিত্ৰ বটদ্ৰৱাত এই দৌলযাত্ৰা উৎসৱৰ পাতনি মেলিছিল। সেই ঐতিহ্যক সৰোগত কৰি মহা আড়ম্বৰপূৰ্ণভাৱে প্ৰতিবছৰে এই দৌলযাত্ৰা উৎসৱ বা ফাকুৱা পূৰ্ণিমা তিথিত পালন কৰা হয়। তদ্ৰূপ এইবছৰো অহা ১৩ মাৰ্চৰপৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে দৌলযাত্ৰা মহোৎসৱ পালন কৰাৰ বাবে শ্ৰীশ্ৰী বটদ্ৰৱা থানত যুদ্ধকালীন গতিৰে প্ৰস্তুতি চলিছে। ইতিমধ্যে থান পৰিচালনা সমিতিৰ তত্বাৱধানত উৎসৱটি নিয়াৰিকৈ পালন কৰিবৰ বাবে কেইবাখনো উপ-সমিতি গঠন কৰা হৈছে আৰু এই উপ-সমিতিসমূহে বটদ্ৰৱা থান চৌহদত দৌল মহোৎসৱ উপলক্ষে সমৱেত হ'বলগীয়া ১০ লক্ষাধিক তীৰ্থযাত্ৰীক আদৰণি জনোৱাৰ বাবে দ্ৰুতগতিত কাম অব্যাহত ৰাখিছে। সম্প্ৰতি বটদ্ৰৱা থানৰ ভকত-বৈষ্ণৱৰ মাজত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। তদুপৰি পলাশ ফুল শুকুৱাই ভকত-বৈষ্ণৱৰ বাবে নিৰ্মালী প্ৰস্তুতি কৰিছে। কাৰ্যসূচী অনুসৰি, অহা ১৩ মাৰ্চত গন্ধোৎসৱৰ সন্ধ্যা গোসাঁইক (শ্ৰীকৃষ্ণৰ মূৰ্তি) গায়ন-বায়ন আৰু ভক্তসৱে থানৰ ৰভাতলত স্থাপন কৰিব। স্নান কাৰ্য সম্পাদনৰ পাছত গন্ধ তেলেৰে নোৱাই গোসাঁইক নতুন বস্ত্ৰ পিন্ধোৱা হ'ব আৰু গায়ন-বায়নে ৰাম ধেমালী পৰিৱেশন কৰিব। ইয়াৰ পিছদিনা অৰ্থাৎ ১৪ মাৰ্চত গোসাঁই মূৰত ফাকু দিয়া উৎসৱৰ সন্ধ্যা গোসাঁইক নোৱাই-ধোৱাই আসনত বহুৱাই সুবাসিত ফাকু দিয়া হ'ব আৰু গায়ন-বায়নে ন-ধেমালী পৰিৱেশন কৰাৰ বিপৰীতে ভক্ত-বৈষ্ণৱসকলে ফাকু নিৰ্মালী আৰু পদজল গ্ৰহণ কৰিব। পিছত উৰেনিশা গোসাঁইক ৰভাতলত ৰাখি ৰাজ্যৰ ভিন্নপ্ৰান্তৰপৰা অহা ভক্ত-বৈষ্ণৱে নাম-কীৰ্তন কৰিব। ১৫ মাৰ্চত গোসাঁই ফুৰোৱা উৎসৱ। সেইদিনা বিয়লি ২ বজাত গায়ন-বায়ন, ভকত-বৈষ্ণৱ, আই-মাতৃ সকলোৱে কৃষ্ণ গোসাঁইক ৰভাতলৰপৰা উলিয়াই সুসজ্জিত দোলা ৰথত উঠাই দণ্ড, চক্ৰ, ভেৰু, কালি, সোঁ-মুখ শংখৰ ধ্বনি, আইসকলৰ জাউৰিয়ে জাউৰিয়ে বিয়ানামৰ লগত বৈচিত্ৰ্যময় অসমীয়া জাতীয় জীৱনৰ বৰ্ণিল সমাহাৰেৰে ফাকুগুৰি সিঁচি সিঁচি চোঁৰৰধাৰীয়ে চোঁৰৰ বা দি দি দৌললৈ যাত্ৰা কৰিব। দৌল-মন্দিৰত গোসাঁইক পূজা-অৰ্চনা দি সাতপাক প্ৰদক্ষিণ কৰোৱাৰ পাছত গোসাঁইক বৰদোৱাৰ দুই সত্ৰ ক্ৰমে শ্ৰীশ্ৰী শ'লগুৰি আৰু শ্ৰীশ্ৰী নৰোৱা সত্ৰত প্ৰদক্ষিণ কৰোৱাৰ লগতে সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰৰ ঘৰত প্ৰৱেশ কৰোৱাই পূজা-অৰ্চনা দি শেষত নিশা ৮ বজাত এক বিশেষ অনুষ্ঠানৰ দ্বাৰা কীৰ্তন ঘৰত প্ৰৱেশ কৰোৱা পাছতে দৌলযাত্ৰা উৎসৱৰ ধৰ্মীয় কাৰ্যসূচীৰ অন্ত পৰিব। ইফালে, দৌলযাত্ৰা উৎসৱৰ লগত সংগতি ৰাখি ১৪, ১৫ আৰু ১৬ মাৰ্চৰ নিশা আকাশী গংগাৰ পাৰৰ আই খেৰসুতি সাংস্কৃতিক মঞ্চত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। এই তিনিও নিশাতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰপৰা আমন্ত্ৰিত শিল্পীদলৰ দ্বাৰা সত্ৰীয়া নৃত্যানুষ্ঠান, হোলী নৃত্য, বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণিল নৃত্যানুষ্ঠান, লোকনৃত্য, লোকসংগীত, বৰগীত, শাস্ত্ৰীয় নৃত্য, দিহানাম আদি অনুষ্ঠান পৰিৱেশন কৰা হ'ব বুলি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, কাৰ্যকৰী সভাপতি প্ৰভাত কলিতা আৰু সাধাৰণ সম্পাদক টিকেন্দ্ৰজিৎ দেৱ গোস্বামীয়ে জানিবলৈ দিছে।

# গেলেকীত ৱাৰিয়ৰ্ছৰ সজাগতা সভা

**ই-সংবাদ, গেলেকী, ৮ মাৰ্চঃ** আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। সমগ্ৰ বিশ্বতে ৮ মাৰ্চত পালন কৰা এই দিৱসৰ লগত সংগতি ৰাখি ৱাৰিয়ৰ্ছৰ গেলেকী আঞ্চলিক সমিতিয়ে মুদি নগৰ চাহ বাগিচাৰ চিকিৎসালয়ৰ প্ৰেক্ষাগৃহত এখনি সজাগতামূলক সভা আয়োজন কৰে বাগিচাৰ মহিলাসকলৰ মাজত। এই সজাগতা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত আছিল শিৱসাগৰ জিলাৰ স্বাস্থ্য শিক্ষাবিদ স্মৃতা বৰুৱা আৰু মুদি নগৰ চাহ বাগিচাৰ জ্যেষ্ঠ চিকিৎসক বিমল মেধি। সভাত উপস্থিত থাকি স্বাস্থ্য শিক্ষাবিদ স্মৃতা বৰুৱাই মহিলাৰ বিভিন্ন স্বাস্থ্যজনিত সমস্যাৰ বিষয়ে অৱগত কৰাৰ উপৰিও বিভিন্ন নাৰীজনিত অপৰাধৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। আজিৰ এই কাৰ্যসূচীত ৱাৰিয়ৰ্ছৰ গেলেকী আঞ্চলিক সমিতিৰ উপদেষ্টা আব্দুল হেলিম, সভানেত্ৰী ফৰিদাউল্লাহ, সম্পাদিকা পূৰৱী নেওগ, উপ-সভাপতি ৱাহিদ আলী, বিত্ত সম্পাদিকা তনুজা বেগম, জনসংযোগ সম্পাদিকা দিলোৱাৰা বেগম, সদস্যা দিপামণি মৰাণ, চুৰেহা বেগম, সংগীতা শইকীয়া আদি উপস্থিত আছিল।

# ইউৰো কিডছ প্ৰি স্কুলৰ উদ্বোধন

**ই-সংবাদ, চামতা, ৮ মাৰ্চঃ** নলবাৰী জিলাৰ চামতা শিক্ষিত তথা উদ্যোগী যুৱক-যুৱতী চম্পক ভড়ালী আৰু বন্দনা শৰ্মাৰ দ্বাৰা চামতা মহাবিদ্যালয় পথৰ সমীপত আধুনিক আৰু আকৰ্ষণীয়ভাৱে আৰম্ভ কৰা ইউৰো কিডছ প্ৰি স্কুল আজি প্ৰৱক্তা ৰঞ্জনা ভট্টাচাৰ্যই বন্তি প্ৰজ্বলন আৰু ফিটা কাটি শুভাৰম্ভ কৰে। সাহিত্যিক, সমাজকৰ্মী প্ৰদীপ কুমাৰ বৰ্মন আৰু যুৱনেতা সীমান্ত মেনাই উদ্বোধনী অনুষ্ঠানত বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত নিজৰ মতামত প্ৰকাশ কৰি ৰঞ্জনা ভট্টাচাৰ্যই কয়, আজি চামতাত আৰম্ভ হোৱা এই শৈক্ষিক কাৰ্যসূচীৰ বাবে যুৱক-যুৱতী উভয়কে উৎসাহিত কৰিব। এই শৈক্ষিক কাৰ্যসূচীয়ে সমাজলৈ এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। যুগ আৰু সমাজ আগবাঢ়িছে আৰু আমাৰ ল'ৰা-ছোৱালীকো সকলো দিশতে আগুৱাই নিব লাগিব। আমাৰ মাতৃভাষাৰ লগতে আমাৰ সন্তানক হিন্দী, ইংৰাজী আৰু সকলো দিশতে আগুৱাই নিব লাগিব। বিশেষ অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰি যুৱনেতা সীমান্ত মেনাই কয় যে চম্পক আৰু বন্দনাক ধন্যবাদ দিয়া উচিত কাৰণ এই দুজন যুৱক-যুৱতীয়ে শ্বপিং মল, দোকান আদি আৰম্ভ কৰাৰ পৰিৱৰ্তে শিশুৰ বাবে এখন শিক্ষানুষ্ঠান আৰম্ভ কৰিছে। অনুষ্ঠানত বিশেষ অতিথি হিচাপে



উপস্থিত থাকি প্ৰদীপ কুমাৰ বৰ্মনে কয় যে আজিৰ শিশুসকল আমাৰ সমাজ আৰু দেশৰ ভৱিষ্যতৰ নাগৰিক। আমাৰ ভৱিষ্যত প্ৰজন্ম আৰু শিশুসকলক সকলো দিশতে বিকশিত কৰি আগুৱাই নিব লাগিব আৰু ভাল নাগৰিক হিচাপে গঢ়িব লাগিব তেতিয়াহে আমাৰ দেশৰ উন্নতি হ'ব। সাম্প্ৰতিক সময়ত শিক্ষিত যুৱক-যুৱতী চম্পক ভৰালী আৰু বন্দনা শৰ্মাই এই শৈক্ষিক অনুষ্ঠান আৰম্ভ কৰি সমাজৰ হিতৰ বাবে কাম কৰিছে। সভাত সমাজসেৱক বিপিন ভড়ালী, অৱসৰপ্ৰাপ্ত পৰিবহণ বিষয়া পৰেশ বৰ্মন উপস্থিত থাকে। অতিথিসকলক উদ্যোক্তাসকলে ফুলাম গামোচা, ফুলাম জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটিত অঞ্চলটোৰ বিশিষ্ট ব্যক্তি, অভিভাৱক আদি উপস্থিত থাকে।

## ৰাজনৈতিকভাৱে আজিও পিছপৰা অসমৰ নাৰী সমাজঃ মাইনী মহন্ত

# মুছলপুৰত আন্তৰ্জাতিক নাৰী দিৱস পালন




**ই-সংবাদ, মুছলপুৰ, ৮ মাৰ্চঃ** বাক্সা জিলাৰ মুছলপুৰৰ সমীপৱৰ্তী বাথৌফুৰিত আজি অসমৰ এটি আগশাৰীৰ বেচৰকাৰী সংস্থা এচিআৰডিৰ উদ্যোগত আৰু এছ বি আই ফাউণ্ডেছনৰ অৰ্থ সাহায্যত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হয়। আছাম চেন্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডি নামৰ সংস্থাটোৱে এছ বি আই গ্ৰাম সক্ষম আঁচনিৰ অধীনত আজি অনুষ্ঠিত নাৰী দিৱসৰ মুকলি সভাত বিশিষ্ট লেখিকা তথা জ্যেষ্ঠ সাংবাদিক মাইনী মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। তেওঁ ভাষণ প্ৰসংগত আজিৰ পুৰুষতান্ত্ৰিক সমাজে পুৰুষসকলক হে ক্ষতি কৰিছে বুলি উল্লেখ কৰি মহিলাৰ সম উন্নয়ন, সম বিকাশৰ ওপৰত সাৱলীল ভাষণ প্ৰদান কৰে। ইফালে, সাংবাদিকৰ সৈতে হোৱা এক আছুতীয়া সাক্ষাৎকাৰত জ্যেষ্ঠ সাংবাদিকগৰাকীয়ে অসমৰ প্ৰেক্ষাপটত আজিৰ নাৰীয়ে যথেষ্ট আগবাঢ়ি গৈছে আৰু বিটিআৰ অঞ্চলৰ মহিলাসকলো যথেষ্ট আগবঢ়া বুলি মন্তব্য কৰে। কিন্তু অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটত আজিও নাৰীয়ে সংৰক্ষিত আসন লাভ কৰিব পৰা নাই বুলি দুখ প্ৰকাশ কৰি কয় যে ৰাজনৈতিকভাৱে আজিও পিছপৰা অসমৰ নাৰী সমাজ। আনহাতে, এচিআৰডিৰ সভাপতি নৰজ্যোতি শৰ্মাই কয় যে আমি প্ৰায় দুই শতাধিক মহিলাক গাহৰি পোৱালি যোগান ধৰি গাহৰি পালনৰ জৰিয়তে সবলীকৰণৰ বাবে সহায় আগবঢ়াইছিলো আৰু এটা চুক্তি ৰাখিছিলো যাতে সেই গাহৰিয়ে যেতিয়া পোৱালি জগাব তেতিয়া আমাক এটাকৈ পোৱালি দিব লাগিব যাতে আমি আৰু দুশ মহিলাক স্বাৱলম্বিতাত সহায় কৰিব পাৰো। এই প্ৰক্ৰিয়াৰে আমাৰ কাম চলি আছে। আজিৰ সভাত বাক্সা জিলা আইন সেৱা প্ৰাধিকৰণ সচিব মনশ্ৰীপৰ্ণা খাউণ্ড, ৰাজ্যিক শিশু সুৰক্ষা সমিতিৰ প্ৰাক্তন অধ্যক্ষ ড° সুনিতা চাংকাকতি, আবৌফৰ সভানেত্ৰী মনোমতী নাৰ্জাৰী, ভাৰতীয় ষ্টেট বেংকৰ বাক্সাৰ লীড মেনেজাৰ প্ৰাঞ্জল দাস, বাক্সা জিলা পশুপালন বিষয়া ভৃগু ভাস্কৰ নাথ, ভাৰপ্ৰাপ্ত শিশু সুৰক্ষা বিষয়া ড° লিপিকা বৰ্মনকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে আজিৰ সভাতে সফলতাৰ কাহিনী সন্নিৱিষ্ট পুস্তিকা 'গ্ৰাম সক্ষম' উন্মোচন, মহিলাৰ মাজত গাহৰি পোৱালি বিতৰণ, মহিলাৰ মাজত ৰছী টনা খেল অনুষ্ঠিত কৰা হয়। অনুষ্ঠানৰ সামৰণিত শলাগৰ শৰাই আগবঢ়ায় এছ বি আইৰ গ্ৰাম সক্ষমৰ প্ৰকল্প বিষয়া সঞ্জীৱ বড়োৱে।

## চতিয়াত নাবালিকাক অপহৰণ কৰি আৰক্ষীৰ জালত যুৱক



**ই-সংবাদ, চতিয়া, ৮ মাৰ্চঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ বৰভেটি গাঁৱৰ যুৱক দিলদাৰ হুছেইনে এগৰাকী নাৱালিকাক পাঁচমাইলৰ এক ইটা ভাটাৰপৰা প্ৰলোভন দি অপহৰণ কৰি আনিছিল নিজ বাসগৃহলৈ। স্থানীয় যুৱকৰ তৎপৰতাত সমগ্ৰ ঘটনাটো আৰক্ষীক অৱগত কৰাৰ লগতে আৰক্ষীৰ সহযোগত শুকুৰবাৰে নিশাই নাবালিকাসহ অভিযুক্ত দিলদাৰক চতিয়া আৰক্ষী থানালৈ অনা হয়। চতিয়াৰ দক্ষিণ অঞ্চলৰ হাতীগাঁৱৰ নাৱালিকাগৰাকীৰ মাতৃৰ এজাহাৰৰ ভিত্তিত ইটাভাটাত কাম কৰি থকা ছোৱালীজনীক বিয়াৰ প্ৰলোভনৰে অপহৰণ কৰি অনা দিলদাৰক ইতিমধ্যে আৰক্ষীয়ে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

# যোৰহাটৰ বিভিন্ন স্থানত আন্তৰ্জাতিক নাৰী দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৮ মাৰ্চঃ** যোৰহাট জিলা অবিবাহিতা জীয়ৰী উন্নয়ন সমিতিয়ে সন্মিলিত এনাজৰী এ এল এম গোটৰ সহযোগত বড়ি গাঁৱৰ ৰঙ্গমঞ্চত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰে। ভাৰতী বৰদলৈয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা দিৱসৰ সভাখনত মিনাক্ষী বৰুৱাই পৌৰোহিত্য কৰে। শ্যামলী বৰদলৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত ১৯ নং ৱাৰ্ডৰ কমিছনাৰ নাৰায়ণ চন্দ্ৰ দাস, প্ৰাক্তন কমিছনাৰ ঋতুপৰ্ণা খাৰঘৰীয়া, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই নাৰী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। বীণাপাণি শইকীয়াই কবিতা আবৃত্তি কৰা নাৰী দিৱসত জিলাখনৰ বহুসংখ্যক মহিলা উপস্থিত থাকে। তেওঁলোকৰ মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰ সভাতে প্ৰদান কৰে। যোৰহাট জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাই নাট্যপ্ৰজ্ঞা, সৃষ্টি, সংকল্প শিখাৰ সহযোগত স্মৃতিৰক্ষা পুথিভঁৰালত নাৰী দিৱস পালন কৰে। দিৱসৰ সম্পৰ্কত ভালেকেইগৰাকীয়ে বক্তব্য আগবঢ়োৱাৰ লগতে মহিলাসকলে স্ব-প্ৰতিভা প্ৰদৰ্শন কৰে। সাহপুৰীয়া আলোক সন্ধানী মহিলা সমিতিয়ে বিগত বছৰসমূহৰ দৰে এইবছৰো 'মহিলা ভৱন'ত আন্তঃৰ্জাতিক নাৰী দিৱস পালন কৰে। পশ্চিম যোৰহাট অঞ্চলৰ মহিলা সংগঠনসমূহে আজি নাৰী দিৱস পালন কৰে। আকাশবন্তি মানৱ সেৱা নাৰী সমিতিয়ে ৰান্ধনীজানৰ মহিলাসকলৰ সহযোগত সন্মিলিত যুৱ মঞ্চৰ স্থায়ী ৰঙ্গ মঞ্চত আন্তঃৰ্জাতিক নাৰী দিৱস আজি পালন কৰে। আকাশবন্তিৰ সভানেত্ৰী অঞ্জলিপ্ৰভা গগৈয়ে পতাকা উত্তোলন কৰাৰ পাছতে মঞ্চৰ ভূমিদাতা কণছোৱালী শইকীয়াই বন্তি প্ৰজ্বলনেৰে সভাৰ শুভাৰম্ভ কৰে। অঞ্জলিপ্ৰভা গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁতধৰে স্বৰ্ণলতা বৰাই। অমিয়া শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা আৰু উপ-সভানেত্ৰী অঞ্জনা গোস্বামীয়ে আকাশবন্তিৰ জৰিয়তে কৰা কাম-কাজৰ উল্লেখ কৰা সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত শিক্ষয়িত্ৰী বন্দিতা গোস্বামীয়ে আন্তঃৰ্জাতিক নাৰী দিৱসৰ ইতিহাস, নাৰীৰ অধিকাৰৰ লগতে বিভিন্ন বিষয়ত বক্তৃতা প্ৰদান কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিগন্ত ৰাজখোৱা, স্বাস্থ্য বিভাগৰ কৰ্মচাৰী জ্যোতিপ্ৰসাদ দাসে অংশগ্ৰহণ কৰা সভাখনতে 'সুদক্ষিণা' নাৰী সন্মান বুলু ৰাজখোৱা, কণছোৱালী শইকীয়া, ডেইজী কলিতাক প্ৰদান কৰা আৰু সাংস্কৃতিক সম্পাদক দীপালী মহন্ত পাচনিয়ে শলাগ জ্ঞাপন সভাখনত শতাধিক মহিলাই অংশগ্ৰহণ কৰে।

# নগাঁৱত নাৰী দিৱস উপলক্ষে সমদল আৰু মুকলি সভা

**ই-সংবাদ, বেবেজীয়া, ৮ মাৰ্চঃ** সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ পঞ্চম নগাঁও জিলা সন্মিলনৰ লগতে আন্তৰ্জাতিক নাৰী দিৱসটি শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই মৰ্মে, পুৱা ১১ বজাত সন্থাৰ বিষয়ববীয়া পৰী কুমাৰী বৰুৱা, আয়েফা বেগম, প্ৰভাৱতী বৰদলৈ, লক্ষী ডেকা, অনিতা দাস, দীপ্তি সেনাপতি, চম্পা দেউৰী, মৃদুলা দাসৰ আৰু উমা পাটৰৰ নেতৃত্বত নেহৰুবালিৰ সমীপৰপৰা পাঁচ শতাধিক মহিলাই নগাঁও চহৰৰ ৰাজপথেৰে সমদল কৰি ছহিদ ভৱনত সমৱেত হয়। সমদলকাৰীসকলে 'সংবিধান বচাওক-দেশ বচাওক', 'সাম্প্ৰদায়িক ফেচিবাদ নিপাত যাওক', 'নাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰিব নোৱাৰা বিজেপি চৰকাৰ হায় হায়', 'মূল্যবৃদ্ধি হ্ৰাস কৰিব নোৱাৰা বিজেপি চৰকাৰ হায় হায়', 'মাইক্ৰ' ফাইনেন্সৰ ঋণ কেতিয়া ৰেহাই হ'ব হিমন্ত বিশ্ব শৰ্মাই জৱাব দিয়ক', 'কথাদি কথা ৰাখক-আমাৰ প্ৰাপ্য আদায় দিয়ক' আদি শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তোলে। ইয়াৰ পিছত দীপ্তি সেনাপতি, উমা পাটৰ আৰু নিলিমাই দাসৰ সঞ্চালনাত ছহিদ ভৱনত অনুষ্ঠিত হোৱা মুকলি সভাত উপস্থিত থাকি অৱসৰী অধ্যক্ষ, শিক্ষাবিদ মৃদুপৱন বৰাই কয় যে সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্যতো নাৰীৰ সুৰক্ষা, নিৰাপত্তা আৰু মৰ্যাদাৰ বিষয়টো ব্যাপক চৰ্চা আৰু চিন্তাৰ বিষয় হৈ পৰিছে। ঘৰৰ চাৰিবেৰৰ পৰা আৰম্ভ কৰি ৰাজহুৱা স্থান বা কৰ্মস্থলী সকলোতে নাৰী নিৰাপত্তাহীনতাৰ চিকাৰ হৈছে। তেওঁ আৰু এছ এছ আৰু বিজেপিৰ শাসনৰ পৰা দেশক মুক্ত কৰা আৰু কৰ্প'ৰেটৰ শোষণ-লুণ্ঠনৰ বিৰুদ্ধে তৃণমূল স্তৰৰ সংগ্ৰামক শক্তিশালী কৰিবলৈ আহ্বান জনাই লগতে কয়-- সম্প্ৰতি সমগ্ৰ দেশজুৰি অভিন্ন দেৱানী বিধি জাপি দিয়াৰ ষড়যন্ত্ৰৰে বিজেপিয়ে নিজৰ সাম্প্ৰদায়িক মেৰু বিভাজনৰ এজেণ্ডাক আগ্ৰাসীৰূপত আগবঢ়াই নিব খুজিছে তথা নাৰীক পুনৰ পিতৃতন্ত্ৰৰ শিকলিৰে বান্ধি মনুসংসহিতা জাপি দিব খুজিছে। সভাত সন্থাৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্যা তথা অধিবক্তা পৰী কুমাৰী বৰুৱাই কয়-- অসমৰ বৰ্তমান চৰকাৰখনৰো প্ৰায় এক বছৰহে কাৰ্যকাল আছে। কিন্তু লাখ লাখ মহিলাই মাইক্ৰ' ফাইনেন্স ঋণৰ পৰা মুক্তি পোৱা নাই। ৰাজ্যিক জীৱন-জীৱিকা অভিযানৰ আত্মসহায়ক গোটৰ লাখ লাখ মহিলাই অমৃত বৃক্ষ ৰোপণ কৰিলে, অমৃত কলহত মাটি ভৰালে, কিন্তু তেওঁলোকৰ প্ৰাপ্য ধন দহ হাজাৰ টকা আজিকোপতি নাপালে। মোডী-হিমন্তৰ চৰকাৰে আশা, অংগনৱাড়ী আৰু মধ্যাহ্ন ভোজন কৰ্মীসকলক গোলামৰ দৰে খটুৱাই তেওঁলোকে কৰা উচিত কামৰ উচিত মজুৰি নিদি দৰাচলতে 'মজুৰি লুণ্ঠন' কৰিছে। নেত্ৰীগৰাকীয়ে লগতে যদি কেৰালাৰ ছিংগল ইঞ্জিন চৰকাৰে প্ৰতিমাহে ২১ হাজাৰ টকা আৰু তামিলনাড়ু চৰকাৰে ২০ হাজাৰকৈ টকা মধ্যাহ্ন ভোজন কৰ্মীসকলক মাননি আদায় দিব পাৰে, পশ্চিমবংগ চৰকাৰে লক্ষ্মী ভাণ্ডাৰ আঁচনিৰ অধীনত প্ৰতিটো দুখীয়া পৰিয়ালৰ ২৫-৬০ বছৰ বয়সৰ প্ৰতিগৰাকী মহিলাক স্বাস্থ্য সাথীৰ নামত প্ৰতি মাহে স্বাস্থ্যৰ শিতানত ১,৫০০ টকাকৈ দিব পাৰে, তেন্তে অসমৰ ডাবল ইঞ্জিন চৰকাৰে কিয় মধ্যাহ্ন ভোজনৰ কৰ্মীসকলক ১০০০ টকা অৰুণোদয়ত দুখীয়া পৰিয়ালৰ নিৰ্বাচিত কেইগৰাকীমান মহিলাক ১,২৫০ টকাকৈহে দিয়ে বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ অৰুণোদয় আঁচনিৰ নামত ১,২৫০ টকা এপাচি শাকত এটা জালুকৰ দৰে বুলি উল্লেখ কৰি কয় যে বৰ্তমান চৰকাৰখনে অসমৰ সমাজ জীৱনত অহৰহ সাম্প্ৰদায়িক ঘৃণা-বিদ্বেষৰ প্ৰচাৰ চলাই সাম্প্ৰদায়িক মেৰুবিভাজনেৰে অসমৰ সমাজ জীৱনত ডাঙৰ বিপৰ্যয় নমাই অনাতহে ব্যস্ত আছে। ইয়াৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে দুখীয়া শ্ৰমজীৱী, কৃষিজীৱী ৰাইজৰ লগতে মহিলা সমাজ। সেয়ে নাৰী সমাজে নিজৰ মৰ্যাদা, নিৰাপত্তাৰ হকে যুঁজাৰ লগতে জীৱন, জীৱীকা আৰু জীয়াই থকাৰ অধিকাৰৰ দাবীতো স্বাধীন সংগ্ৰাম গঢ়ি তোলাৰ লগতে যৌথ সংগ্ৰামতো অংশগ্ৰহণ কৰিবলৈ তেওঁ আহ্বান জনায়। উক্ত সভাত মাইক্ৰ' ফাইনেন্সৰ ঋণগ্ৰস্ত সকলো মহিলাকে চৰকাৰে ২০২৫ চনৰ ভিতৰত ঋণমুক্তিৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা, অমৃতবৃক্ষ ৰোপণ কৰা প্ৰতিগৰাকী মহিলাৰ প্ৰাপ্য ধন দহ হাজাৰ টকা ঈদ আৰু ব'হাগ বিহুৰ আগত প্ৰদান কৰা, লাখপতি বাইদেউৰ ধন তাৎক্ষণিকভাৱে মোকলাই দিয়া, ধৰ্ষণকে ধৰি মহিলাৰ ওপৰত সংঘটিত প্ৰতিটো হিংসাত্মক ঘটনাৰ দ্ৰুত আদালতত বিচাৰ কৰা, আশা, অংগনৱাড়ী আৰু মধ্যাহ্নভোজন কৰ্মীসকলক চৰকাৰী চাকৰিয়ালৰ মৰ্যাদা প্ৰদান কৰা, ৰেচনত চেনি, দাইল, মিঠাতেল, আলু, পিঁয়াজ, কণী, গাখীৰকে ধৰি মুঠ দহবিধ খাদ্য সামগ্ৰীৰ যোগান ধৰা, সকলো দুখীয়া পৰিয়াললৈ ২০০ ইউনিটলৈকে বিজুলী বিল মাফ কৰা, স্মাৰ্টমিটাৰ নহয় পুৰণি মিটাৰ বাহাল ৰাখা আৰু পুৰণি মিটাৰ ঘূৰাই দি পুনৰ সংযোগ কৰা, অৰুণোদয় হিতাধিকাৰীসকলৰ ধনৰাশিৰ পৰিমাণ ৫ হাজাৰ টকালৈ বৃদ্ধি কৰা আৰু ৮ মাৰ্চৰ আন্তৰ্জাতিক নাৰী দিৱসত চৰকাৰী বন্ধ ঘোষণা কৰাকে ধৰি ১০ দফীয়া প্ৰস্তাৱ গ্ৰহণ কৰা হয়। মুকলি সভাৰ অন্তত দলংঘাট, খাগৰিজান, কঠিয়াতলি, পাখিমৰীয়া, ৰহা আৰু কপিলী ব্লকৰ লগতে নগাঁও সদৰ সমিতিৰ পৰা ৯৭ গৰাকী প্ৰতিনিধিৰ অংশগ্ৰহণেৰে পৰী কুমাৰী বৰুৱা আৰু দিপ্তী সেনাপতিৰ পৌৰোহিত্যত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত পৰী কুমাৰী বৰুৱাক সভাপতি আৰু আয়েফা বেগমক সম্পাদক হিচাপে নিৰ্বাচন কৰি সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ ১৫ জনীয়া নগাঁও জিলা সমিতিখন নতুনকৈ গঠন কৰা হয়।

## চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত পি এম এ ৱাই গৃহ প্ৰদানত অনিয়ম, তদন্তৰ দাবী

# এবাৰ চৰকাৰী গৃহ লাভ কৰা হিতাধিকাৰীলৈ পুনৰ গৃহ আৱণ্টন

ই-সংবাদ, ছিপাঝাৰ, ৮ মাৰ্চঃ দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত বিগত পঞ্চায়তী কাৰ্যকালত ৰাইজৰ আঁচনিত অনিয়ম-অনীতি, দুৰ্নীতিৰ পৰ্বত সৃষ্টি কৰাৰ অভিযোগ বহুদিনীয়া। অভিযোগ অনুসৰি পঞ্চায়তখনত পি এম এ ৱাই গৃহ আৱণ্টনত ব্যাপক দুৰ্নীতি-অনিয়ম, স্বজন তোষণ সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ অভিযোগ অনুসৰি পি এম এ ৱাই গৃহ হিতাধিকাৰীৰ গৃহ জৰীপ চলোৱাৰ সময়ত পঞ্চায়ত কৰ্মচাৰীয়ে আগতে চৰকাৰী গৃহ লাভ কৰা, আৰ চি চি পকীঘৰ থকা হিতাধিকাৰীসকলক আঁচনিৰ অযোগ্য বুলি বিবেচিত কৰি তেনে হিতাধিকাৰীৰ গৃহসমূহ আৱণ্টন দিয়া বন্ধ কৰি থৈছিল। কিন্তু আশ্চৰ্যজনকভাৱে কেইমাহমানৰ পাছত গোপনে ৰহস্যজনকভাৱে তেনে গৃহসমূহ আৱণ্টন দিয়া হয় বুলি সৰ্বত্ৰে অভিযোগ উত্থাপন হৈছে। য'ত পঞ্চায়তখনৰ তদানীন্তন জিপিচি গৰাকী হৰ্তাকৰ্তা হৈ পৰিছিল বুলি অভিযোগ উত্থাপন হৈছে। এনে অনিয়ম পঞ্চায়তখনৰ প্ৰতিখন গাঁৱতে সংঘটিত হয় যদিও কুমাৰপাৰা আৰু ঘোপেলী গাঁও দুখনত সৰ্বাধিক দুৰ্নীতি, অনিয়ম, অনীতি, স্বজন তোষণ সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। একাংশ লোকে অভিযোগ কৰা অনুসৰি আঁচনিৰ নীতি-নিয়মৰ অন্যতম নীতি নিয়ম হিচাপে পি এম এ ৱাই গৃহ পাব লাগিলে হিতাধিকাৰীগৰাকীয়ে আগতে চৰকাৰী গৃহ লাভ কৰা অথবা পকীঘৰ থকা হ'ব নালাগিব। কিন্তু আঁচনিৰ নীতি-নিয়মক পঞ্চায়ত কৰ্মচাৰীয়ে লোকচক্ষুৰ সন্মুখত জীয়াই জীয়াই হত্যা কৰি আগতে চৰকাৰী গৃহ থকা, পকীঘৰ থকা লোককে পি এম এ ৱাই গৃহ আৱণ্টন দিয়াৰ বিপৰীতে একাংশ জৰাজীৰ্ণ গৃহত বাস কৰা দৰিদ্ৰ পৰিয়ালক বঞ্চিত কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰাইজৰ অভিযোগ যে পঞ্চায়তখনৰ এনে দুনীতিত তদানীন্তন জিপিচিগৰাকী সৰ্বেসৰ্বা হৈ পৰাৰ অভিযোগ কৰি ২০১৯-২০, ২০২০-২১, ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ বৰ্ষৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত পি এম এ ৱাই গৃহৰ এক উচ্চপৰ্যায়ৰ তদন্ত হ'ব লাগে বুলিও দাবী উত্থাপন কৰিছে। আনহাতে, আন এক অভিযোগ অনুসৰি পঞ্চায়তখনৰ দুৰ্নীতিৰ এটা অংশ তদানীন্তন জিপিচিগৰাকীৰ জৰিয়তে ওপৰ মহললৈ যায় বাবে অভিযোগ পালেও কোনো ব্যৱস্থা গ্ৰহণ নকৰে। যদি ইমানৰ পিছতো ইয়াৰ তদন্ত নহয়, তেনেহ'লে মুখ্যমন্ত্ৰীলৈ তদন্ত বিচাৰি অভিযোগ-পত্ৰ প্ৰেৰণ কৰিব বুলি স্পষ্ট কৰি দিছে। বৰ্তমান পঞ্চায়তখনত নতুনকৈ আৱণ্টন হ'বলগা গৃহসমূহত যাতে আগৰ পৰিৱেশ সৃষ্টি নহয় তাৰবাবে নতুন সচিবলৈ ৰাইজে আহ্বান জনাইছে। উল্লেখ্য যে পঞ্চায়তখনত ইন্দিৰা আৱাস গৃহ আৱণ্টনত অনিয়মৰ বাবে মুখ্যমন্ত্ৰী ভিজিলেন্সৰ তদন্ত চলিছিল। কিন্তু তেনে তদন্তক কেৰেপ নকৰি এতিয়া বেছিকৈয়ে অনিয়ম-অনীতি চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এতিয়া সংশ্লিষ্ট বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে তালৈহে সকলোৰে চকু।

# মাকুমত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৮ মাৰ্চঃ** আজিৰ নাৰীয়ে বিশ্বজয় কৰিছে। আজি তিনিচুকীয়া জিলাৰ উদ্যোগ নগৰী মাকুমত সূৰ্যোদয়, মাকুম মহিলা আৰু শিশু উন্নয়ন কেন্দ্ৰ, মাকুম লেখিকা সমাৰোহ সমিতি আৰু মাকুম সাহিত্য সভাৰ সহযোগত মাকুম মহিলা আৰু শিশু উন্নয়ন কেন্দ্ৰৰ কাৰ্যালয়ত আয়োজিত আন্তৰ্জাতিক নাৰী দিৱসত এইদৰে ব্যক্তব্য আগবঢ়ায় মাকুমৰ অগ্ৰণী সামাজিক অনুষ্ঠান সূৰ্যোদয়ৰ সভাপতি তথা মাকুম মহিলা আৰু শিশু উন্নয়ন কেন্দ্ৰৰ সভানেত্ৰী ভাৰতী বৰাই। ভাৰতী বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকাই। মাকুম সাহিত্য সভাৰ সম্পাদক দিগন্ত দাসে আঁতধৰা সভাত নীৰৱে সমাজ জীৱনলৈ সেৱা আগবঢ়াই অহা দীপাঞ্জলী ডেকা কলিতা আৰু কিৰণ গুপ্তাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাত মাকুমৰ সমাজ আৰু সাহিত্য জীৱনৰ বৰেণ্য ব্যক্তি পোনাৰাম বৰগোহাঁইৰ বিয়োগত গভীৰ শোকপ্ৰকাশ কৰা হয়। নাৰী দিৱসৰ অনুষ্ঠানত মাকুম সাহিত্য সভাৰ সভাপতি সৌমিত্ৰ গগৈ, ড° সুনীল বৰগোঁহাঞি, প্ৰাক্তন শিক্ষয়িত্ৰী জ্যোতি হাজৰিকা, শিল্পী মুনমুন বৰা, ক্ৰীড়াবিদ শিখা দত্ত, শিল্পী মানসী বৰুৱা, মহিলা আৰু শিশু উন্নয়ন কেন্দ্ৰ, মাকুমৰ সম্পাদিকা ঊষা শৰ্মা, কবি তথা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী দুলুমণি দেৱী, জুৰী বৰঠাকুৰ, জিনুপ্ৰভা শইকীয়া, সাংবাদিক কাজল চৌধুৰী আদিয়ে বক্তব্য ৰখাৰ উপৰিও কবিতা-গীত আদিৰে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি মুখৰিত তথা আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানতেই নাৰী দিৱস উপলক্ষে সাংবাদিক-সমাজকৰ্মী কাজল চৌধুৰীয়ে গুজৰাটৰ লুজন প্ৰতিষ্ঠানৰ তৰফৰপৰা ফেমিকা নামৰ চেনিটেৰী নেপকিন মহিলাসকলৰ মাজত বিতৰণ কৰে।

# মাজুলীত সাধাৰণ জাতি বিকাশ পৰিষদৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ বিশেষ, মাজুলী, ৮ মাৰ্চঃ** মাজুলী জিলা সাধাৰণ জাতি বিকাশ পৰিষদৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা আজি নামনি মাজুলীত অনুষ্ঠিত হয়। নামনি মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত সাধাৰণ সভাত সভাপতিত্ব কৰে মাজুলী জিলা সাধাৰণ জাতি বিকাশ পৰিষদৰ সভাপতি বিপিন শইকীয়াই। নামনি মাজুলী আঞ্চলিক সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা উক্ত সাধাৰণ সভাৰ আঁতধৰে জিলা সমিতিৰ সহকাৰী সম্পাদক ললিত দত্তই। সভাত সাধাৰণ জাতি বিকাশ পৰিষদৰ ৰাজ্যিক সমিতিৰ সদস্য মহেন্দ্ৰ শইকীয়াই জাতি বিকাশ পৰিষদৰ ইতিহাস আৰু সাংগঠনিক দিশত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। সভাত সাধাৰণ জাতি বিকাশ পৰিষদৰ জ্যেষ্ঠ সংগঠক ললিত হাজৰিকা, প্ৰমোদ বৰা, ভৱ বৰা, পুতুল চন্দ্ৰ মহন্ত, লীলাকান্ত ভট্টাচাৰ্য, মুকুল মুদৈ আদিয়ে সাধাৰণ জাতি বিকাশ পৰিষদৰ সাংগঠনিক দিশত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। উক্ত সভাতে নামনি মাজুলী আঞ্চলিক সমিতিখন চাৰিগৰাকী উপদেষ্টাসহ পঁচিশগৰাকী সদস্যৰে পুনৰ গঠন কৰা হয়। সমিতিত বুদ্ধিন্দ্ৰ নাথ শৰ্মা, ললিত চন্দ্ৰ হাজৰিকা, পুতুল চন্দ্ৰ মহন্ত, গুনেশ্বৰ গায়নক উপদেষ্টাৰ দায়িত্ব অৰ্পণ কৰা হয়। আনহাতে, নামনি মাজুলী আঞ্চলিক সমিতিৰ সভাপতি হিচাপে লীলাকান্ত ভট্টাচাৰ্য, উপ-সভাপতি হিচাপে প্ৰকাশ ভঁৰালী আৰু অমূল্য ভঁৰালী, সম্পাদক হিচাপে মুকুল মুদৈ, সহকাৰী সম্পাদক হিচাপে দিপাংকৰ হাজৰিকা আৰু সুমন্ত বৰুৱা, সাংগঠনিক সম্পাদক হিচাপে লক্ষীকান্ত শইকীয়া, যতীন মুদৈ, জীৱন হাজৰিকা আৰু কোষাধ্যক্ষ হিচাপে বিশ্বজিত দত্তক মনোনীত কৰা হয়। সভাত সংবিধানত উল্লেখ থকা সংৰক্ষণ ব্যৱস্থাৰ বিৰোধিতাৰে কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। জিলা সমিতিৰ নিৰ্দেশত পৰৱৰ্তী সময়ত মাজুলী জিলা সাধাৰণ জাতি বিকাশ পৰিষদৰ সাধাৰণ অধিৱেশনখন নামনি মাজুলী বালিচাপৰি মিলিত কৃষ্টি সংঘত অনুষ্ঠিত কৰাটো আজিৰ সভাই সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে।

# বালাবাৰীত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**ই-সংবাদ, খাৰুপেটীয়া, ৮ মাৰ্চঃ** দৰঙৰ বালাবাৰী গাঁও পঞ্চায়তত ৬৮ বাহিনী দেবেন্দ্ৰনগৰ এছ এছ বিয়ে আজি এক বিনামূলীয়া স্বাস্থ্য শিবিৰ আয়োজন কৰে। ভকতপৰাস্থিত এছ এছ বিৰ নেতৃত্বত বালাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত এলেকাৰ ব্যক্তিসকলৰ বিভিন্ন বেমাৰৰ বিনামূলীয়া চিকিৎসা লগতে ঔষধ বিতৰণ কৰা হয়। গাঁও পঞ্চায়তৰ সচিব বৰ্ণালী দাসৰ উপস্থিতিত এক সভাৰ আয়োজন কৰি বিভিন্ন পৰামৰ্শ আগবঢ়ায় চি অ' ৰাজেশ কুমাৰ গুপ্তাই। এই কাৰ্যসূচীত উপস্থিত থাকে সহকাৰী চি অ' হান্সৰাজ ৰাজপুত, ভকতপাৰা বাহিনীৰ সহকাৰী চি অ' আশিস কুমাৰ সিঙৰ লগতে আমন্ত্ৰিত অতিথি হিচাপে ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুকুল হাজৰিকা আৰু পঞ্চায়তৰ সদস্যসকল। বালাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত দহটা ৱাৰ্ডৰ ৰাইজৰ উপস্থিতিত এই শিবিৰৰ আয়োজন কৰাৰ লগতে বিভিন্ন বেমাৰৰ দুই শতাধিক লোকক বিনামূলীয়া



চিকিৎসাৰ লগতে ঔষধ বিতৰণ কৰে। আৰু গাঁও ৰাইজক সঠিক পৰিক্ষা কৰি বিনামূলীয়া চিকিৎসা আৰু ঔষধ দিয়া বাবে এছ এছ বি বাহিনীক ধন্যবাদ দিয়ে ৰাইজে। লগতে যোগীপাৰা এম ই আৰু এল পি স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য আৰু গীত গাই আনন্দ উৎসাহ দিয়ে। ৬৮ বাহিনী এছ এছ বিৰ এনেধৰণৰ প্ৰশংসনীয় কাৰ্যক ধন্যবাদ জনায় গাঁও পঞ্চায়তৰ সচিব বৰ্ণালী দাসৰ লগতে স্থানীয় ৰাইজে।

# তবলাবাদক পৱন বৰদলৈক সপ্ৰেম বঁটা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ৮ মাৰ্চঃ** বৃহত্তৰ তিনিচুকীয়া আৰু তিনিচুকীয়া জিলাৰ বিভিন্ন অঞ্চলৰ সংগীতপ্ৰেমী, বাদ্যযন্ত্ৰী আৰু কলা-কুশলীক লৈ নৱগঠিত অনুষ্ঠান সংগীতপ্ৰেমী মঞ্চ (সপ্ৰেম)য়ে ৯ মাৰ্চত ইয়াৰ এটা বছৰ সম্পূৰ্ণ কৰি দ্বিতীয় বৰ্ষত ভৰি দিব। এই উপলক্ষে, কাইলৈ তিনিচুকীয়া চহৰৰ সমীপৰ বৰগুৰিস্থিত ৰুণজুন অতিথিশালাৰ প্ৰাংগণ (জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়ৰ সমীপত)ত দিনজোৰা কাৰ্যসূচীৰে মঞ্চৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপনৰ আয়োজন কৰা হৈছে। কাৰ্য্যসূচী অনুসৰি, পুৱা ৯.৩০ বজাত মঞ্চৰ পতাকা উত্তোলনৰ পিছতে প্ৰয়াত শিল্পীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। বিয়লি ২ বজাৰপৰা মুকলি সভা, সম্বৰ্ধনা, সপ্ৰেম বঁটা প্ৰদান অনুষ্ঠান আৰু সুৰৰ শৰাই অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানতেই আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন তবলা বাদক পৱন বৰদলৈক তিনিচুকীয়াৰ ৰাইজৰ হৈ ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে মঞ্চই প্ৰচলন কৰা সপ্ৰেম বঁটা প্ৰথমবাৰৰ বাবে তেখেতক প্ৰদান কৰিব। প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে মঞ্চৰ সভাপতি অতুল চন্দ্ৰ শৰ্মা আৰু সম্পাদক লুইত দাসে।

# ১৩ মাৰ্চৰপৰা কৰৈয়নী বাৰগঞা সমাজৰ দ্বাদশ হেজাৰী ভাওনা মহোৎসৱ

**ই-সংবাদ, পুৰণিগুদাম, ৮ মাৰ্চঃ** নগাঁও চহৰৰপৰা সাত কিলোমিটাৰ পূবে কলং নদীৰ উত্তৰ পাৰত ৰাইজ-গোপিনীৰ একত্ৰিত প্ৰচেষ্টাত ১৯৬৬ চনত গঠন হৈছিল ধৰ্মীয় অনুষ্ঠান কলংপৰীয়া বাৰগঞা সমাজ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ, প্ৰসাৰ, কলা-কৃষ্টিৰ চৰ্চা আৰু সংৰক্ষণৰ লগতে নৰৰসেৰে সমৃদ্ধ অংকীয়া ভাওনা প্ৰদৰ্শনৰ মূল উদ্দেশ্য আগত ৰাখি বৃহত্তৰ কৰৈয়নী অঞ্চলৰ মধ্যস্থল বুৰঞ্জীপ্ৰসিদ্ধ বৰদোঙা পথাৰত পদ্মাকৃতিৰ নৱদ্বাৰযুক্ত এটি মন্দিৰ নিৰ্মাণ কৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে পবিত্ৰ হেজাৰী ভাওনা মহোৎসৱ উদযাপন কৰি আহিছে। উল্লেখযোগ্য যে ২০০৭ চনত বৰপেটা সত্ৰৰপৰা অক্ষয় বন্তিৰ শিখা আৰোহণ কৰি মন্দিৰত স্থাপন কৰা হৈছিল আৰু এই বন্তি দৈনিক প্ৰজ্বলিত হৈ থাকি মন্দিৰভাগত এক ভক্তিৰ পৰিৱেশ বিৰাজ কৰি আহিছে। এই মন্দিৰত দৌল উৎসৱৰ লগত সংগতি ৰাখি অহা ১৩, ১৪, ১৫ আৰু ১৬ মাৰ্চত চাৰিদিনীয়াকৈ দ্বাদশসংখ্যক হেজাৰী ভাওনা মহোৎসৱ উদযাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে উদযাপন সমিতিয়ে। মন্দিৰ ভাগৰ পুনৰ নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভক্তিপ্ৰাণ ৰাইজৰ অনুৰোধৰ প্ৰতি লক্ষ্য ৰাখি মন্দিৰ ভাগলৈ পুঁজিৰ যোগান ধৰাত বৰ্তমান সময়ত মন্দিৰ পুনৰ নিৰ্মাণৰ কাম পূৰ্ণগতিত চলিছে।আটাইকেইখন ৰভা আটকধুনীয়াকৈ পুনৰ নিৰ্মাণৰ কাম ইতিমধ্যে প্ৰায় শেষ হৈছে আৰু এক ভক্তিমাৰ্গৰ পৰিৱেশে বিৰাজ কৰিছে অঞ্চলটোত। কালি মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি তথা ডোখোৰামুখ সত্ৰৰ বৰ্ষীয়ান সত্ৰাধিকাৰ নবীন চন্দ্ৰ গোস্বামীৰ লগত সাংবাদিকৰ হোৱা কথা-বতৰাত তেওঁ কয় যে কলংপৰীয়া বাৰগঞা সমাজে হেজাৰী ভাওনাৰ জৰিয়তে গুৰুজনাৰ সৃষ্টিৰাজি নতুন প্ৰজন্মৰ মাজত যাতে অক্ষুণ্ণ ৰাখিব পাৰে তাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বৰ্তমান ম'বাইল, ইণ্টাৰনেটৰ যুগক নতুন প্ৰজন্মই আদৰি লোৱাৰ সময়ত ভাওনা সংস্কৃতি তাৰমাজতে যাতে জীয়াই থাকিব পাৰে তাৰেই প্ৰয়াস কৰিছে কলংপৰীয়া বাৰগঞা সমাজে। বৰ্তমান উদযাপন সমিতিৰ সভাপতি বিধায়ক ৰূপক শৰ্মা আৰু বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ সহযোগিতাৰ কথা উল্লেখ কৰি নবীন গোস্বামীয়ে কয় যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আগবঢ়োৱা পঞ্চাশ লাখ টকাৰে বিধায়ক ৰূপক শৰ্মাই মন্দিৰটোৰ পুনৰ নিৰ্মাণৰ বাবে যুদ্ধকালীন তৎপৰতা অব্যাহত ৰাখিছে আৰু সকলো সময়তে তদাৰক কৰি মন্দিৰটো ৯ মাৰ্চত পুনৰ প্ৰতিষ্ঠা অনুষ্ঠানলৈ মন্দিৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলি উল্লেখ কৰে। ইফালে, হেজাৰী ভাওনা মহোৎসৱ সফল কৰিবলৈ প্ৰতি গাঁৱতে আখৰা হৈছে আৰু মন্দিৰৰ মূল সমিতিৰ সম্পাদক দিলীপ বৰাকে ধৰি সকলো বিষয়ববীয়া, যুৱ সমিতি, মহিলা সমিতি সঘনে আলোচনাত মিলিত হৈ মহোৎসৱ সফল কৰাৰ তৎপৰতা অব্যাহত ৰাখিছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে ১৯৭২ চনৰপৰা বাৰগঞা সমাজৰ বিভিন্ন পদবীত থকা ৯৪ বছৰীয়া বৰ্ষীয়ান সত্ৰাধিকাৰগৰাকীয়ে অনুষ্ঠান সফল কৰিবলৈ দৈনিক মন্দিৰ প্ৰাংগণত উপস্থিত হৈ কামৰ তদাৰক কৰি দায়বদ্ধতা দেখুৱাই সকলোকে উৎসাহিত কৰিছে। ১৩ মাৰ্চৰপৰা ধৰ্মীয় বিভিন্ন কাৰ্যসূচী, শোভাযাত্ৰা, প্ৰতিখন ৰভাত খোল-প্ৰসংগ, নাম-কীৰ্তন, দৌল পূজা, গ্ৰন্থমেলা, শিশু সন্মিলন আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে ১৪ মাৰ্চত দুপৰীয়া ২ বজাত অনুষ্ঠিত হ'বলগা ধৰ্মালোচনা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। কলংপৰীয়া বাৰগঞা সমাজৰ সভাপতি নবীন চন্দ্ৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা ধৰ্মালোচনা সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব শিক্ষাবিদ, শাস্ত্ৰজ্ঞ পণ্ডিত ৰোহিনী বল্লভ গোস্বামী আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সত্ৰীয়া সংস্কৃতিৰ সাধক পদ্মশ্ৰী, পদ্মভূষণ বঁটাপ্ৰাপক যতীন গোস্বামী। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাই। শিক্ষাবিদ, সমাজকৰ্মী ফণীন্দ্ৰ নাথ গায়নে উদ্বোধন কৰিবলগা ধৰ্মালোচনা সভাত কেইবাগৰাকী বিশিষ্ট অতিথি উপস্থিত থাকিব। হীৰক জয়ন্তীত ভৰি দিয়া কলংপৰীয়া বাৰগঞা সমাজৰ দ্বাদশ হেজাৰী ভাওনা মহোৎসৱৰ আটাইকেইদিনৰ কাৰ্যসূচীত ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা উদযাপন সমিতিৰ সভাপতি বিধায়ক ৰূপক শৰ্মা, কাৰ্যকৰী সভাপতি ভূৱন শৰ্মা, ক্ষীৰ শৰ্মা, সম্পাদক দিলীপ বৰা, মহিলা সমিতিৰ সভানেত্ৰী তুলুমণি বৰা, সম্পাদিকা দিপামণি শইকীয়াই কামনা কৰিছে।

# মধুমিতা সংঘ, ইউৰ'ভিচন হাস্পতালৰ নাৰী দিৱস পালন

**ই-সংবাদ, ডিব্ৰুগড়, ৮ মাৰ্চঃ** ডিব্ৰুগড়ত আজি মধুমিতা সংঘ আৰু ইউৰ'ভিছন হাস্পতালৰ যৌথ উদ্যোগত মধুমিতা সংঘৰ কাৰ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি মহিলাসকলক বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়াই আন্তৰ্জাতিক নাৰী দিৱসটি উদযাপন কৰা হয়। এই অনুষ্ঠানত মধুমিতা সংঘৰ মুখ্য উপদেষ্টা কুমকুম দত্ত, কাৰ্যকৰী সভানেত্ৰী মিনতি চলিহাকে প্ৰমুখ্যে ভালেসংখ্যক সদস্যাৰ উপস্থিতিৰ লগতে ইউৰ'ভিছন হাস্পতালৰ লোহিত বৰা আৰু লুনা শৰ্মাৰ তত্বাৱধানত চিকিৎসক ডাঃ মিতালী বৰুৱা (চকু বিশেষজ্ঞ) ডাঃ ছনিয়া দাস (চিকিৎসক বিষয়া), ডেইজী ৰয় (চকু কাৰিকৰী সহায়িকা)কে প্ৰমুখ্য কৰি ৮ জনীয়া দল এটি উপস্হিত থাকে। অনুষ্ঠানত সন্মানীয় চিকিৎসকসকলক মধুমিতা সংঘৰ তৰফৰপৰা ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। মধুমিতা সংঘৰ সভানেত্ৰী জোনালী খাউণ্ডে আন্তৰ্জাতিক নাৰী দিৱসৰ ওপৰত আলোকপাত কৰি এই অনুষ্ঠানটি আগবঢ়াই নিয়াৰ বাবে চিকিৎসকৰ দলটিক অনুৰোধ জনায়। মহিলাসকলক বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়াই তেখেতসকলৰ চকুৰ লগতে অনান্য ৰোগৰ ওপৰতো চিকিৎসা আগবঢ়াই দীৰ্ঘদিনীয়া ৰোগৰ উপশম ঘটাই উপকৃত কৰে। ৭-৮ গৰাকী মহিলাৰ চকুৰ অস্ত্ৰোপচাৰ অতি কমদিনৰ ব্যৱধানত বিনামূলীয়াকৈ আগবঢ়াব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজিৰ আন্তৰ্জাতিক নাৰী দিৱসৰ শুভক্ষণত এনে পদক্ষেপ গ্ৰহণ কৰাত তেখেতসকলে সহায়ৰ হাত আগবঢ়োৱা বাবে মধুমিতা সংঘৰ তৰফৰপৰা আন্তৰিক ধন্যবাদ আৰু শলাগৰ শৰাই আগবঢ়ায়।

# উত্তৰ গুৱাহাটীত নাৰী দিৱস পালন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ৮ মাৰ্চঃ** আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি উত্তৰ গুৱাহাটীৰ দিহিং সত্ৰতো পালন কৰা হয় নাৰী দিৱস। উত্তৰাঞ্চল সক্ৰিয় নাৰী কল্যাণ সমাজৰ উদ্যোগত পালন কৰা হয় এই এই দিৱস। বিভিন্ন কাৰ্যসূচীৰ লগতে এখন গুৰুত্বপূৰ্ণ সভাৰে আৰম্ভ কৰা হয় নাৰী দিৱসৰ কাৰ্যসূচী। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে প্ৰথম অসমীয়া মহিলা আৰক্ষী বিষয়া ৰেণু দত্ত ফুকন। উত্তৰাঞ্চল সক্ৰিয় নাৰী কল্যাণ সমাজৰ সভানেত্ৰী নন্দা দেৱী, সাধাৰণ সম্পাদিকা মৌচুমী কাকতি, সহকাৰী সাধাৰণ সম্পাদিক চুমী দাস ডেকা, সমিতিৰ আন বিষয়ববীয়াৰ লগতে আৰু বহুতো সন্মানীয় ব্যক্তি উপস্থিত থাকে উক্ত সভাৰ লগতে নাৰী দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা কাৰ্যসূচীসমূহত।

# বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ সন্দৰ্ভত বিধানসভাত বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ বিশেষ প্ৰশ্ন

**ই-সংবাদ, সোণাৰি, ৮ মাৰ্চঃ** চৰাইদেউ জিলাৰ সোণাৰি বিধানসভা সমষ্টিৰ পূব প্ৰান্তত অৱস্থিত বৰুৱাছালি মৌজাৰ ৫২ খন ৰাজহ গাঁও আৰু ২০ খনৰো অধিক চাহ বাগিচাৰ জনসাধাৰণৰ প্ৰাথমিক চিকিৎসা সেৱাৰ একমাত্ৰ প্ৰতিষ্ঠানটোৱেই হ'ল বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ। এই বৃহৎ মৌজাটোত থকা একমাত্ৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো দীৰ্ঘদিন ধৰি বিভিন্ন সমস্যাৰ মাজেৰে চলি থকাৰ খবৰ সংবাদ মাধ্যমত বহুবাৰ বাতৰি সম্প্ৰচাৰিত হৈ আহিছে। জৰুৰীকালীন চিকিৎসাৰ বাবে অহা বহু ৰোগীয়ে এই স্বাস্থ্যকেন্দ্ৰলৈ অহাৰ পাছতো উপযুক্ত চিকিৎসা লাভৰপৰা বঞ্চিত হৈ সাপেখাতি, সোণাৰি নাইবা ডিব্ৰুগড়লৈ ঢাপলি মেলিবলগীয়া ঘটনা বহুবাৰ সংঘটিত হৈছে। এই সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষক স্থানীয় ৰাইজে বিগত সময়ত অৱগত কৰি আহিছে। তাৰপিছতো কিন্তু আজিকোপতি বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান হোৱা পৰিলক্ষিত হোৱা নাই। বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত স্থায়ী চিকিৎসকৰ পদ খালী হৈ থকাৰ লগতে স্বাস্থ্যকেন্দ্ৰটোত চিকিৎসক, নাৰ্ছ, ফাৰ্মাচিষ্টৰ আৱাস গৃহসমূহৰ অৱস্থা জৰাজীৰ্ণ হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত চিকিৎসক নিযুক্তিৰ লগতে বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ আন্তঃগাথঁনি উন্নয়নৰ বাবে বিভাগীয় কৰ্তৃপক্ষই কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি এই সন্দৰ্ভত জানিবলৈ সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে বিধানসভাত প্ৰশ্ন উত্থাপন কৰে। আনহাতে, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে উত্থাপন কৰা ৩৪২ নং লিখিত প্ৰশ্ন অনুসৰি বৃহত্তৰ বৰহাট অঞ্চলত ৩০খন বিচনাযুক্ত চিকিৎসালয় এখনৰ অতি প্ৰয়োজন। বিভাগে এইক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি বুলিও জানিব বিচাৰে বিধানসভাত। বিধায়কগৰাকীৰ এই লিখিত প্ৰশ্নৰ উত্তৰ হিচাপে ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে দিয়া লিখিত উত্তৰ অনুসৰি বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত চিকিৎসা বিষয়াৰ দুটা অনুমোদিত পদ আছে। যাৰ ভিতৰত এটা পদ হৈছে জ্যেষ্ঠ এম অ' আৰু আনটো হৈছে এম এণ্ড এইচ অ'। বৰ্তমান এম এণ্ড এইচ অ' খালী হৈ আছে আৰু জ্যেষ্ঠ এম অ' চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, গুৱাহাটীৰ সৈতে সংলগ্ন কৰা হৈছে। অৱশ্যে, বিগত বৰ্ষৰ ১ অক্টোবৰত বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত এন এইচ এমৰপৰা এজন এম অ' এবছৰৰ বাবে নিযুক্তি দিয়া হৈছে। বিভাগে অসমত খালী থকা চিকিৎসকৰ পদসমূহৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰি সাক্ষাৎকাৰ সম্পূৰ্ণ কৰিছে আৰু ফলাফল ঘোষণাৰ পিছত খালী থকা পদসমূহ পৰ্য্যায় ক্ৰমে পূৰণৰ চেষ্টা চলাই থকা হৈছে। আনহাতে, চৰাইদেউ জিলাৰ বৰহাট অঞ্চলত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ কোনো প্ৰস্তাৱ পোৱা নাই। কিন্তু ১০ খন বিচনাযুক্ত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ প্ৰস্তাৱ পোৱা হৈছে আৰু বিষয়টো বিভাগৰ বিবেচনাধীন হৈ আছে বুলি লিখিত উত্তৰ দিয়ে মন্ত্ৰী সিংহলে। ইফালে, বৰহাট ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত পানী যোগানকে ধৰি চৰকাৰী কোৱাৰ্টাৰবোৰৰ মেৰামতি-নৱীকৰণ সম্পৰ্কে ইতিমধ্যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত প্ৰস্তাৱ দাখিল কৰা হৈছে বুলিও জানিবলৈ দিছে মন্ত্ৰী অশোক সিংহলে।

## ধৰ্মপ্ৰাণ মহিলা আনুছা বেগমৰ মৃত্যু

**ই-সংবাদ বিশেষ, মঙলদৈ, ৮ মাৰ্চঃ** মঙলদৈ জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা মঙলদৈ চহৰৰ ২ নম্বৰ ৱাৰ্ড নিবাসী ধৰ্মপ্ৰাণ মহিলা আনুছা বেগমে অগ্নিদগ্ধ হৈ মৃত্যুক সাৱতি লয়। জানিব পৰা মতে, প্ৰয়াত আনুছা বেগমে নিজ পদূলীত গছৰ শুকান পাত আৰু পেলনীয়া সামগ্ৰী পৰিষ্কাৰ কৰি জুই জ্বলাই থকা সময়তে জুইৰ লেলিহান শিখাই নিমিষতে তেওঁৰ গাৰ কাপোৰত ধৰে। এই জুয়ে অতি কম সময়তে তেওঁ পৰিধান কৰি থকা কাপোৰত আগুৰি ধৰাত সমগ্ৰ দেহ অগ্নিদগ্ধ হয়। ঘটনাৰ উমান পাই ওচৰ-চুবুৰীয়া আৰু পৰিয়ালৰ লোকে ততালিকে তেওঁক গুৱাহাটীৰ নেমকিয়াৰ হস্পিটালত ভৰ্তি কৰায়। দুদিন চিকিৎসাধীন অৱস্থাত থকা মহিলাগৰাকীয়ে বৃহস্পতিবাৰে সন্ধিয়া মৃত্যুবৰণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৫ বছৰ। সকলোৰে লগত সু-সম্পৰ্ক বৰ্তাই ৰখা আনুছা বেগমৰ আকস্মিক মৃত্যুত মঙলদৈত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেখেতে দুগৰাকী পুত্ৰ, বোৱাৰী আৰু নাতিকে ধৰি অসংখ্য গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত মঙলদৈৰ বিধায়ক বসন্ত দাস, পৌৰপতি নিৰ্মালী দেৱী শৰ্মাকে ধৰি অসংখ্য লোকে শোকপ্ৰকাশ কৰিছে। তেওঁ প্ৰয়াত শিক্ষক ছাফাত আলীৰ পত্নী আছিল।

## নগাঁৱত শিশু নাটকৰ মহুৰত

**ই-সংবাদ, পুৰণিগুদাম, ৮ মাৰ্চঃ** নগাঁও জিলাৰ পুৰণিগুদাম ভৰাগুৰি বৰ নামঘৰত কালি প্ৰজাঘৰ নাটঘৰৰ উদ্যোগত নাট্যকাৰ, পৰিচালক খগেন কুমাৰ গায়নে ৰচনা কৰা এখনি শিশু নাটক গড়গাঁও পালেগৈ শিপাৰ শিশুশিল্পী আৰু তেওঁলোকৰ অভিভাৱকসকলৰ উপস্থিতিত শুভ মহুৰত কৰা হয়। পৰিচালক খগেন কুমাৰ গায়নে আঁতধৰা অনুষ্ঠানত মাংগলিক কাৰ্য সমাপন কৰে প্ৰেমানন্দ গায়নে। নাৰিকল ভাঙে নৱজ্যোতি ভূঞাই। শিশুসকলৰ অত্যাধিক ম'বাইল ফোনপ্ৰীতি অথবা ম'বাইল ফোন আসক্তি এক ব্যাধিলৈ ৰূপান্তৰ হৈছে। শিশুৰ শাৰীৰিক আৰু



মানসিক দিশত ব্যাপক ক্ষতিকাৰক বস্তু হিচাপে পৰিগণিত হোৱা দিশটোলৈ লক্ষ্য ৰাখি নাটকখনৰ বিষয়বস্তু হিচাপে তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে। উক্ত মহুৰত অনুষ্ঠানত স্থানীয় সাংবাদিক দিব্যজ্যোতি ভূঞা উপস্থিত থাকে।

## হাজোত দিন-দুপৰতে চোৰে লুটি নিলে কেবালক্ষ টকাৰ সোণৰ অলংকাৰ

**ই-সংবাদ, হাজো, ৮ মাৰ্চঃ** তীৰ্থনগৰী হাজোত দিনকদিনে ড্ৰাগছ, মদ, জুৱা, ভাং আদিৰ প্ৰচলন বৃদ্ধি হৈ থকাৰ লগতে বৃদ্ধি পাবলৈ ধৰিছে সৰু-বৰ চুৰিকাণ্ডৰ ঘটনা। তেনে সময়তে আজি হাজোৰ মাজমজিয়াত দিন-দুপৰতে সংঘটিত হৈছে এক ভয়ংকৰ চুৰিকাণ্ডৰ ঘটনা। জানিব পৰা মতে, হাজো ভোমাৰবড়ী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মদন বিশ্বাসীৰ হাজো বিদ্যাপুৰস্থিত বাসগৃহত আজি দিনৰ ১২ মান বজাত এটা চোৰৰ দলে চাফাই অভিযান চলাই প্ৰায় দুই লাখ পঞ্চাশ হাজাৰ টকা মূল্যৰ সোণৰ আ-অলংকাৰৰ লগতে আন বহু সামগ্ৰী চুৰি কৰি নিয়ে। চুৰিকাণ্ড সংঘটিত হোৱাৰ সময়ত শিক্ষকগৰাকীৰ পত্নী সমীপৰে আত্মীয়ৰ ঘৰৰ অনুষ্ঠানলৈ মূল দৰ্জাৰ লগতে গেটত তলা লগাই ওলাই গৈছিল। ধাৰণা কৰা অনুসৰি পূৰ্বৰেপৰা খাপপিঠি থকা চোৰৰ দলে ঘৰৰ পিছফালৰ খিৰিকীৰ গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰি প্ৰায় আধা ঘণ্টাৰ ভিতৰত দুটা ষ্টীলৰ আলমীৰা আৰু দুখন বিছনাৰ বক্স ভাঙি সকলো সামগ্ৰী চেদেলি-ভেদেলি কৰি সোণৰ অলংকাৰৰ লগতে আন সামগ্ৰী চুৰি কৰি নিয়ে। পৰৱৰ্তী সময়ত গৃহস্থৰ খবৰৰ ভিত্তিত হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰিছে। দিন-দুপৰতে অঞ্চলটোত চুৰি কাণ্ডৰ ঘটনা সংঘটিত হোৱাত চিন্তিত হৈ পৰিছে সৰ্বসাধাৰণ লোক।

## ট্ৰেক্টৰ-ডাম্পাৰৰ দৌৰাত্ম্যই নিঃশেষ কৰিলে ন-আলী পথ, ব্যৱস্থা গ্ৰহণৰ দাবী ৰাইজৰ

# ভৱানীপুৰত পহুমাৰা নৈৰ পাৰত অবাধ খনন

**ই-সংবাদ, ভৱানীপুৰ, ৮ মাৰ্চঃ** ভৱানীপুৰত বানৰ শংকাত ভুগিছে দক্ষিণহাটী গাঁৱৰ ন-আলী পথৰ সমীপৰ ৬০ টাকৈ পৰিয়াল। অঞ্চলটোৰ দক্ষিণে বি বি ৰোড আৰু উত্তৰ দিশে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰে ঘাইকৈ নিশাৰ ভাগত বিগত দুটা মাহে অবাধ গতিত আহ-যাহ কৰা ২৫-৩০ খনকৈ ট্ৰেক্টৰ আৰু ডাম্পাৰে পথছোৱাৰ প্ৰতি গুৰুতৰ ভাবুকি কঢ়িয়াই অনাত আগন্তুক বাৰিষাক লৈ ৰাইজ ত্ৰস্তমান হৈ পৰিছে। স্থানীয় ৰাইজে পথছোৱাৰ নাতিদূৰেৰে বৈ যোৱা পহুমাৰা নৈৰ পাৰত একাংশ ভূ-মাফিয়াৰূপী ঠিকাদাৰে চলোৱা অবাধ খনন আৰু সংগৃহীত ভূমি ডাম্পাৰ আৰু ট্ৰেক্টৰৰ সহায়ত উক্ত পথছোৱাৰে কঢ়িওৱাৰ ফলত পথছোৱাই গুৰুতৰ ৰূপ ধাৰণ কৰা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজৰ বাধা-নিষেধলৈ কোনোধৰণে কৰ্ণপাত নকৰা ভূ-মাফিয়াৰূপী দলটোৰ সৈতে স্থানীয় একাংশ অসাধু প্ৰকৃতিৰ লোকৰ লগতে আৰক্ষী আৰু প্ৰশাসনৰ গোপন বুজাবুজি থকাৰো অভিযোগ কৰিছে স্থানীয় ৰাইজে। পথছোৱাৰ এক কিলোমিটাৰ অংশত ব্লক টেপিং পদ্ধতিৰে উন্নীতকৰণ কৰা হৈছে যদিও ৰাইজৰ



বহু আবেদন-নিবেদন সত্বেও বাকী এক কিলোমিটাৰ অংশ এতিয়ালৈকে উন্নীতকৰণ নকৰাৰ কাৰণ জানিবলৈ বিচাৰিছে স্থানীয় ৰাইজে। বৰ্তমান উন্নীতকৰণ নোহোৱা এক কিলোমিটাৰ পথ অংশত ঠায়ে ঠায়ে বিয়াগোম গাঁতৰ সৃষ্টি হোৱাৰ লগতে ট্ৰেক্টৰ আৰু ডাম্পাৰৰ সঘনে আহ-যাহৰ ফলত ফাগুনৰ বতৰত অঞ্চলটোত সততে ধূলিসদৃশ পৰিৱেশ সৃষ্টি হোৱাত জনস্বাস্থ্যৰ প্ৰতিও গুৰুতৰ ভাবুকি সৃষ্টি হোৱা দেখা গৈছে। তদুপৰি বাৰিষা কালত একাঠুপৰ্যন্ত পানীত জলবন্দী হ'বলগীয়া হোৱাত ছাত্ৰ-ছাত্ৰীসকল পাঠগ্ৰহণৰপৰা বঞ্চিত হোৱাৰ কথাও জানিবলৈ দিছে ভুক্তভোগী ৰাইজে।

পথছোৱাৰ কাষতে অৱস্থিত হেক্টা খোৰা বুঢ়া গোঁসাইৰ থানত বহুবছৰ স্থানীয় ৰাইজে দৌল উৎসৱ হেকটা খোৰা পৰ্ব কৰি আহিছিল যদিও এইবেলি পথছোৱাৰ দুৰৱস্থাই এই পৰ্ব পালনতো অসুবিধাৰ সৃষ্টি কৰাৰ সম্ভাৱনাক আঙুলিয়াই দিছে স্থানীয় ৰাইজে। আনহাতে পথছোৱাৰ দুৰৱস্থাই নাতিদূৰৈৰ পদুম পথাৰলৈ কৃষিকাৰ্যৰ বাবে আহ-যাহ কৰা কৃষিজীৱী ৰাইজৰ লগতে মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ উদ্দেশ্যে ৰাজহুৱা শ্মশানলৈ আহ-যাহৰ ক্ষেত্ৰতো ব্যাপক অসুবিধা সৃষ্টি কৰাৰ কথা জানিবলৈ দিছে। আনহাতে, বিগত বৰ্ষত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে অঞ্চলটোত সংঘটিত বানপানীৰ বুজ ল'বলৈ আহি অৰ্ধনিৰ্মিত পথছোৱা সম্পূৰ্ণ কৰাৰ আশ্বাস প্ৰদান কৰিছিল যদিও পথছোৱাৰ নিৰ্মাণ সম্পূৰ্ণ কৰাটো দূৰৈৰ কথা, ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যই পথছোৱাৰ অৱশিষ্ট অংশও নিঃশেষ কৰাৰ প্ৰতিযোগিতাতহে লিপ্ত হোৱা বুলি ৰাইজে গুৰুতৰ অভিযোগ কৰিছে। স্থানীয় ৰাইজে উক্ত পথছোৱাৰে অবিলম্বে ডাম্পাৰ-ট্ৰেক্টৰৰ চলাচল বন্ধ কৰাৰ লগতে অৰ্ধনিৰ্মিত পথছোৱা সম্পূৰ্ণ কৰাৰ বাবে চৰকাৰ-প্ৰশাসনৰ ওচৰত সংবাদ মাধ্যমযোগে দাবী উত্থাপন কৰিছে।

# আশাদৰ্শন ট্ৰাষ্টৰ নাৰী দিৱস পালন

**ই-সংবাদ, তামুলপুৰ, ৮ মাৰ্চঃ** তামুলপুৰৰ অন্যতম বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন আশা দৰ্শন ট্ৰাষ্টৰ উদ্যোগতো সংগঠনটোৰ কাৰ্যালয় প্ৰাংগণত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। তদুপলক্ষে পুৱা ১০ বজাত কস্তুৰবা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সমাজসেৱী হিৰন্ময়ী দাস বিজু বৰবৰুৱা, ডালিমী মেধি, গিনীমা ঠাকুৰীয়া আৰু অনিমা দেৱীয়ে উক্ত কাৰ্যসূচী ৰূপায়ণ কৰে। পিছত মহিলাসকলৰ মাজত ৰচী টনা, সংগীত চকী আৰু টেকেলীভঙা খেল প্ৰতিযোগিতা অনুষ্ঠিত কৰে। খেল প্ৰতিযোগিতাৰ অন্তত আলোচনা-চক্ৰ অনুষ্ঠিত কৰি নাৰী দিৱসৰ তাৎপৰ্য বহলাই কোৱাৰ লগতে সমাজৰ ব্যাধিস্বৰূপ ড্ৰাগছৰ বিৰুদ্ধে শপতগ্ৰহণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# হেকটা খোৰা বুঢ়া গোসাঁই থানৰ নৱনিৰ্মিত ভৱন মুকলি

ই-সংবাদ, ভৱানীপুৰ, ৮ মাৰ্চঃ ভৱানীপুৰৰ ঐতিহাসিক হেকটা খোৰা বুঢ়া গোসাঁই থানৰ নৱনিৰ্মিত ভৱনটো আজি উদ্বোধন কৰা হয়। বিয়লি প্ৰায় ৩.৩০ বজাত থানখনৰ ভৱনটো আনুষ্ঠানিকভাৱে উন্মোচন কৰে ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। উন্মোচনী অনুষ্ঠানত বিধায়কগৰাকীয়ে ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ এটা আজি পূৰণ হ'ল বুলি কয়। এই উপলক্ষে আজি পুৱাৰেপৰা ঐতিহাসিক থানখনত ভৱানীপুৰ সত্ৰৰ ভকতবৃন্দ আৰু আয়তীসকলে হৰিৰ নামেৰে আকাশ-বতাহ মুখৰিত কৰি তোলে। অনুষ্ঠানত ভৱানীপুৰ সত্ৰৰ সত্ৰীয়া কৃষ্ণকান্ত নাথ, পৰিচালনা সমিতিৰ সভাপতি চণ্ডীপ্ৰসাদ দাস, প্ৰধান সম্পাদক পংকজ চৌধুৰীকে ধৰি ভালেকেইগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ভৱানীপুৰ সত্ৰত পালন কৰি অহা পৰম্পৰাগত দৌল উৎসৱৰ কাৰ্যসূচীৰ অংশ হিচাপে হেকটা খোৰা পৰ্ব সুদীৰ্ঘ কালৰেপৰা দক্ষিণহাটীৰ ন-



আলিৰ গোসাঁইৰ ভিঠাত ৰূপায়ণ কৰি আহিছে। গোসাঁইৰ এই ভিঠাত পৰৱৰ্তী সময়ত পকী খুটাৰ চালি এখন নিৰ্মাণ কৰা হৈছিল যদিও স্থানীয় ৰাইজে এটি পকী ভৱনৰ অভাৱ অনুভৱ কৰি আহিছিল। এই অভাৱ দূৰ কৰিবলৈ দক্ষিণহাটী নিবাসী নিজৰা কলিতা, অভিজিৎ কলিতা আৰু মনজিৎ কলিতা আগবাঢ়ি আহে। প্ৰায় ৪ লাখ টকা ব্যয় সাপেক্ষে ভৱনটো ৰজনী কলিতা আৰু মনমোহন কলিতাৰ সোঁৱৰণত নিৰ্মাণ কৰি ৰাইজলৈ আগবঢ়ায় তেওঁলোকৰ পৰিয়ালবৰ্গই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## পুৰুষ যদি বিশাল শূন্যতাৰ আকাশখন, নাৰী হৈছে সৃষ্টিধাৰাৰ আধাৰ ভূমিখণ্ডঃ মাধুৰ্যমণ্ডিত বৰুৱা

# আউনীআটী বিশ্ববিদ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন

**ই-সংবাদ, টীয়ক, ৮ মাৰ্চঃ** 'সমগ্ৰ বিশ্বতে নাৰী সবলীকৰণ আৰু প্ৰগতিৰ কথা চৰ্চিত হৈ থাকিলেও মুঠ কৰ্মশক্তিৰ কেৱল চল্লিছ শতাংশতহে নাৰীয়ে অংশগ্ৰহণ কৰে। এই সংখ্যাৰ পৰিৱৰ্তন ঘটিবলৈ ব্যৱহাৰিক অৰ্থত নাৰী বিকাশৰ পথত অৱস্থান কৰিব লাগিব।' আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আউনীআটী বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত, বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু সমাজতত্ত্ব বিভাগৰ সহযোগত বিশ্ববিদ্যালয়খনত আয়োজিত এক অনুষ্ঠানত 'নাৰী দিৱস আৰু সাম্প্ৰতিক সময়ৰ নাৰী সমাজ' শীৰ্ষক বক্তৃতা প্ৰদান কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° ৰূপৰেখা বৰদলৈয়ে এনেদৰে কয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা তথা কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ ড° ৰূপৰেখা বৰদলৈয়ে আৰু কয়-- সমাজ জীৱনৰ সামগ্ৰিক উন্নয়নত মহিলাৰেই কৰণীয় অধিক। এই সন্দৰ্ভতে ড° বৰদলৈয়ে সবলীকৰণত সমাজ আৰু মহিলাৰ ভূমিকা, স্বাৱলম্বিতা, নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ ভূমিকা সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। সভাখনত উপস্থিত থাকি আউনীআটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশজ্যোতি বৰঠাকুৰে কয়-- যি সময়ত নাৰীক পুৰুষৰপৰা সুকীয়াকৈ প্ৰতিপালনৰ চেষ্টা কৰা হয়, সেই সময়ত নাৰী-পুৰুষৰ সহাৱস্থানৰহে প্ৰয়োজন। তাতকৈ শিশু অৱস্থাতহে নাৰীক আত্মঅস্তিত্বৰ প্ৰতি সচেতন হোৱাৰ শিক্ষা প্ৰদান কৰা উচিত। নাৰীৰ সামাজিকীকৰণৰ ভূমিকা সম্পৰ্কে বক্তব্য আগবঢ়াই ড° বৰঠাকুৰে আৰু কয়-- শিশুৰ জন্মৰপৰা ডাঙৰ হোৱাপৰ্যন্ত পৃথকতা নাৰাখি আত্মনিৰ্ভৰশীলতাৰ বাট মুকলি কৰিব পৰাৰ কৌশলৰ প্ৰয়োজন। অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱাই কয়-- পুৰুষ যদি বিশাল শূন্যতাৰ আকাশখন, নাৰী হৈছে সেউজীয়া গছ-গছনি, তৰু-তৃণ, জীৱজগত আৰু সৃষ্টিধাৰাৰ আধাৰ ভূমিখণ্ড। সেই ভূখণ্ডক কেন্দ্ৰ কৰিহে আকাশস্বৰূপ পুৰুষৰ অস্তিত্ব কল্পনা কৰিব পাৰি। আচলতে, নাৰীক বাদ দি পুৰুষ অস্তিত্বশূন্য। কিয়নো, পুৰাতন কালৰেপৰা নাৰীক কেন্দ্ৰ কৰিয়েই পুৰুষৰ অস্তিত্ব নিৰূপিত হৈ আহিছে। ঈশ্বৰৰ অৱধাৰণাৰ লগতো নাৰীৰ অস্তিত্বৰেই সাক্ষ্য আমি পাওঁ। ড° বৰুৱাই উদাহৰণ সহকাৰে ব্যাখ্যা আগবঢ়াই পুৰুষ-মহিলা নিৰ্বিশেষে সমাজৰ উন্নয়নত সমাজৰ প্ৰতিজন ব্যক্তিৰ মানসিকতাৰ পৰিৱৰ্তন হ'বই লাগিব বুলি কয়। আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক তথা সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা বিথিকা শইকীয়াই আঁতধৰা আৰু বিশ্ববিদ্যালয়ৰ মহিলা কোষৰ সমন্বয়ক মায়াশ্ৰী বুঢ়াগোহাঁয়ে শলাগ জ্ঞাপন কৰা সভাখনত বিশ্ববিদ্যালয়ৰ আটাইকেইটা বিভাগৰ অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰীৰ লগতে গৱেষক শিক্ষাৰ্থী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## তামুলপুৰত বিভিন্ন সংগঠনৰ উদ্যোগত নাৰী দিৱস পালন

**ই-সংবাদ, তামুলপুৰ, ৮ মাৰ্চঃ** সমগ্ৰ বিশ্বৰ লগতে তামুলপুৰতো আজি বিভিন্ন সংগঠনৰ উদ্যোগত অনুষ্ঠিত হৈছে আন্তৰ্জাতিক নাৰী দিৱস। তামুলপুৰ শিশু আৰু মহিলা উন্নয়ন বিভাগৰ উদ্যোগত প্ৰধানমন্ত্ৰীৰ বেটি বচাওঁ বেটি পঢ়াও অভিযানৰ-সংকল্প মহিলা সবলীকৰণ কেন্দ্ৰৰ সহযোগত আজি শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ প্ৰেক্ষাগৃহত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। নাৰী দিৱস উপলক্ষে আজি পুৱা ১০ বজাত অনুষ্ঠিত সভাত বন্তি প্ৰজ্বলন কৰে তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে। সভাত বিধায়ক জলেন দৈমাৰীয়ে নাৰীশক্তি মহাশক্তি, ড্ৰাগছমুক্ত সমাজ গঢ়াত নাৰীসকলে মুখ্য ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি মন্তব্য কৰি নাৰীসকলক ঘৰৰ লগতে সমাজৰ হৈ কাম কৰি সমাজখন কিছু পৰিমাণে হ'লেও সংস্কাৰ কৰিবলৈ আহ্বান জনায়। ছায়া বসুমতাৰী আৰু গীতাঞ্জলি তালুকদাৰে আঁতধৰা সভাখনত বিটিআৰৰ এম চি এল এ হেমন্ত কুমাৰ ৰাভা, মানসিক ৰোগ বিশেষজ্ঞ নীলাঞ্জনা বৰদলৈ, সমল ব্যক্তি জিন্টি কলিতা, ডাঃ অবিনাশ দাস, তামুলপুৰ জিলাৰ সহকাৰী আয়ুক্ত কবিতা ফাংছো আদিয়ে মহিলা সবলীকৰণৰ লগতে নাৰী দিৱসৰ তাৎপৰ্যৰ ওপৰত বক্তব্য প্ৰদান কৰে। জিলা শিশু আৰু মহিলা উন্নয়ন বিষয়া ঈশানী ঠাকুৰীয়াই আদৰণি ভাষণ ৰখা সভাত তামুলপুৰ জিলা সহকাৰী আয়ুক্ত অনুপম ডেকা, জিলা কাৰ্যসূচী পৰিচালক মৃণাল মেধিয়ে অংশগ্ৰহণ কৰে।



যোৰহাটৰ টীয়কস্থিত আউনীআটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তৰ্জাতিক নাৰী দিৱসৰ কাৰ্যসূচীৰ এক দৃশ্য

## কৃষি সম্পৰ্কীয় সজাগতা সভা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি

**ই-সংবাদ, ধুপধৰা, ৮ মাৰ্চঃ** গোৱালপাৰা জিলা কৃষি বিভাগৰ বিকালী কৃষি চক্ৰৰ অন্তৰ্গত কোঠাকুঠিৰ জ্ঞান আৰু প্ৰশিক্ষণ কেন্দ্ৰত কৃষি বিভাগৰ সৌজন্যত তথা গুৱাহাটীস্থিত আঞ্চলিক কেন্দ্ৰীয় এককৃত কীট আৰু ৰোগ ব্যৱস্থাপনা কেন্দ্ৰৰ উদ্যোগত কালিৰেপৰা দুদিনীয়াকৈ অনুষ্ঠিত ধানখেতি আৰু শাক-পাচলিৰ অনিষ্টকাৰী কীট-পতংগ ৰোগৰ সু-সংহত নিয়ন্ত্ৰণ ব্যৱস্থা সম্পৰ্কে বিশেষ সজাগতা সভা আৰু প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। এই সজাগতা আৰু প্ৰশিক্ষণ কাৰ্যসূচীত কৃষি বিভাগৰ কৃষি উন্নয়ন বিষয়া পলাশ লোচন বৰঠাকুৰ আৰু সহকাৰী কৃষি উপ-পৰিদৰ্শক ছাহিদুল ইছলাম উপস্থিত থাকি বক্তব্য দাঙি ধৰাৰ লগতে কৃষকসকলৰ লগত মত বিনিময় কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে কেন্দ্ৰীয় এককৃত কীট আৰু ৰোগ ব্যৱস্থাপনা কেন্দ্ৰৰ যুটীয়া সঞ্চালক ডক্টৰ চামিম আহমেদ আৰু প্লান্ট প্ৰটেকশ্বন অফিচাৰ ৰামেশ্বৰ তেলেংগীয়ে কৃষকসকলক বিভিন্ন অনিষ্টকাৰী কীট-পতংগ আৰু সিহঁতৰ সু-সংহত নিয়ন্ত্ৰণৰ ওপৰত বিশদভাৱে আলোচনা আগবঢ়ায়। ইয়াৰ উপৰি সহকাৰী প্লান্ট প্ৰটেকশ্বন বিষয়া ক্ৰমে বিদ্যুৎ বিকাশ দেউৰী আৰু আৰতি হাজৰিকাই বীজ সিঁচাৰ আগত আৰু পাছত ল'বলগীয়া ব্যৱস্থাৱলী, বীজ শোধন প্ৰক্ৰিয়া, বীজ শোধনৰ জৈৱ নিয়ন্ত্ৰণ, বীজতলী শোধন, শত্ৰু পোক আৰু মিত্ৰ পোকৰ চিনাক্তকৰণ আদি বিষয়ত কাৰিকৰী প্ৰশিক্ষণ আগবঢ়ায়। এই কাৰ্যসূচীত শতাধিক কৃষকে অংশগ্ৰহণ কৰে।

# নগাঁও আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্রিকেট আৰম্ভ, নিউ গ্রীণ গেলেক্সী, বায়ু ক্লাবৰ জয়

**ই-সংবাদ ক্রীড়া সেৱা, নগাঁও, ৮ মার্চঃ** নুৰুল আমিন ষ্টেডিয়ামত কালিৰে পৰা চলিত বৰ্ষৰ আন্তঃক্লাব ক্লাষ্টাৰ-৩ ক্রিকেট প্রতিযোগিতা আৰম্ভ হৈছে। এইবাৰৰ প্রতিযোগিতাত যোগদান কৰা মুঠ-১৬ টা দলৰ ছটা দলে ছুপাৰ লীগত খেলাৰ বাবে দুটা গ্রুপত যোগ্যতা অর্জন ৰাউণ্ডত খেলি প্রতিটো গ্রুপত শীর্ষস্থান লাভ কৰা দুটা দলে ছুপাৰ লীগত স্থান লাভ কৰিব। সেই অনুসৰি গ্রুপ-এক্সত ব্রহ্মপুত্র ইলেভেন ষ্টাৰ, ভাইটিলিটী স্প'র্টছ ক্লাব আৰু নিউ গ্রীণ গেলেক্সীক স্থান দিয়াৰ বিপৰীতে গ্রুপ- ৱাইত টাইটানছ ক্লাব, বায়ু ক্লাব আৰু ৰেড-ক্রছ ক্লাবক স্থান দিয়া হৈছে। আনহাতে, প্রকাশিত সূচী অনুসৰি ছুপাৰ লীগৰ দলকেইটা হ'ল- গ্রুপ-এত নগাঁও ছুপাৰ ষ্ট্রাইকার্ছ, পলাইট ক্লাব, খুটিকটীয়া ইয়ুথ ক্লাব, গ্রুপ-বিত সঞ্জীৱন সমাজ, উদয় সংঘ, জে বি ক্লাব, গ্রুপ-চিত মাজৰআটি এ এছ সমাজ, ৰংমন একাডেমী, ৱাই গ্রুপৰ শীর্ষ দল আৰু গ্রুপ- ডিত নুৱেভা ক্লাব, এন এফ চি স্প'র্টছ ক্লাব, গ্রুপ-এক্সৰ শীর্ষ দল। ছুপাৰ লীগৰ খেলসমূহ অহা ১০ মার্চৰ পৰা অনুষ্ঠিত হ'ব আৰু নির্ধাৰিত-২০ অভাৰৰ প্রতিদিনে দুখনকৈ খেল হ'ব। আজি যোগ্যতা অর্জন ৰাউণ্ডৰ খেলত বায়ু ক্লাবে অধিনায়ক অংকিত কুমাৰৰ অপৰাজিত-১০১ ৰাণৰ সহায়ত ৰেড-ক্রছ ক্লাবক ৭৪ ৰাণত আৰু নিউ গ্রীণ গেলেক্সীয়ে ভাইটিলিটী স্প'র্টছ ক্লাবক ১১৩ ৰাণত পৰাজিত কৰে। কালিৰ খেলত ব্রহ্মপুত্র ইলেভেন ষ্টাৰে ভাইটিলিটী স্প'র্টছ ক্লাবক ৯ উইকেটত আৰু টাইটানছ ক্লাবে বায়ু ক্লাবক ৩০ ৰাণত হৰুৱায়।

ROYAL
CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্রকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কার্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বার্তা সম্পাদক দায়ৱদ্ধ)। কার্যবাহী সম্পাদকঃ ধ্রুৱজ্যোতি ধনন্তৰি